# জুই জ্বলিল

ড০ দীপক মজুমদাৰ

অংশুমান প্ৰকাশন
গুৱাহাটী

**JUI JALIL** : A Collection of Thrillers in Assamese written by Dr. Deepak Majumdar and Published by M/S Angshuman Prakashan, New Sarania, Guwahati - 3

# জুই জ্বলিল

যুদ্ধৰ পটভূমিত ৰচিত ৰহস্য গল্পৰ সংকলন

লিখক ঃ

ড০ দীপক মজুমদাৰ

প্ৰকাশক ঃ

অংশুমান প্ৰকাশন

নতুন শৰণীয়া, গুৱাহাটী - ৭৮১০০৩

প্ৰথম প্ৰকাশ ঃ

নৱেম্বৰ, ২০০৬

মুদ্ৰক ঃ

কুনাল কম্পিউটাৰ প্ৰিণ্টাৰ্ছ

পাঠশালা

মূল্য ঃ

বিশ টকা

এই একে লিখকৰে ঃ

- শংকা আশংকা আৰু মৃত্যু
- নিচান
- ৰক্তিম বত্ন
- আক্ৰোশ
- সোণালী পৰশ
- শিখৰৰ ৰাজকন্যা
- শৰাইঘাট
- গধূলি লগ্ন
- বিজয়ী

গল্পকেইটা যোৱা আশীদশকতে লিখা আৰু প্ৰকাশিত হৈছিল "ৰহস্য" আৰু অধুনালুপ্ত "কুঁৱলী"ত। গল্পকেইটাৰ পটভূমি বাষষ্ঠি আৰু এসত্তৰৰ যুদ্ধৰ সময়ছোৱা। তাত কল্পনাৰ ৰহন সানি লিখিছিলোঁ। ৰহস্য গল্পৰ সকলোখিনি সোৱাদেৰে গল্পকেইটা মোলায়েম হ'ল নে নাই নাজানো। কিন্তু এতিয়া গ্ৰন্থাকাৰে প্ৰকাশ হওঁতে এটা কাৰণতে গল্পকেইটাত হাত নুফুৰালো। হাতফুৰালে গল্পকেইটাৰ প্ৰকৃত ৰূপটো সলনি হ'ল হেঁতেন এই ভাৱতে আগৰ ৰূপতে গ্ৰন্থাকাৰে প্ৰকাশ কৰা হ'ল। এতিয়া পাঠক সকলৰ হাতত বিচাৰ কৰি চোৱাৰ ভাৰ এৰি দিলোঁ।

---

ড০ দীপক মজুমদাৰ

১০ নৱেম্বৰ, ২০০৬

সূচী ঃ

সীমান্তৰ যুদ্ধ ঃ ১ ঃ
জুই জ্বলিল ঃ ১৯ ঃ
অভিযান ঃ ৫০ ঃ

# সীমান্তৰ যুদ্ধ

ঠেক অপ্ৰশস্ত পথটোৰে দহখন ট্ৰাকৰ পাকিস্থানী মিলিটাৰী কনভয়টো ধীৰে ধীৰে আগুৱাই গৈছিল। জোপোহা এডৰাৰ আঁৰ লৈ ভাৰতীয় সীমান্ত বাহিনীৰ জোৱান মনোজ চলিহাই চাই আছিল গৈ থকা পাকিস্থানী কনভয়টো। কনভয়টো কাঠৰ দলংখন পাৰ হ'ব ধৰা দেখি মনোজে ডিঙিত ওলোমাই ৰখা বাইন'কুলাৰটো তুলি ল'লে। নিশাৰ অন্ধকাৰৰ বুকুত দহখন ট্ৰাকৰ হেডলাইটৰ চলমান পোহৰৰ বিন্দুবোৰ মনোজৰ চকুত পৰিছিল।

বাইন'কুলাৰটো পুনৰ ডিঙিত ওলোমাই লৈ মনোজ এইবাৰ জোপোহাডৰাৰ তলৰ অন্ধকাৰ খিনিত বহি থকা মনোহৰ সিঙ আৰু দিলীপ ৰায়লৈ চাই পঠিয়ালে। সিহঁতক ফুচ-ফুচাই কিবা এষাৰ কৈ সি পুনৰ সমুখৰ অন্ধকাৰলৈ দৃষ্টি নিক্ষেপ কৰিলে।

কনভয়টো কাঠৰ দলংখন পাৰ হৈ গ'ল।

জোপোহাডঁৰাৰ আঁৰলৈ মনোজ ঠিয় হল। সি ঠিয় হোৱা দেখি মনোহৰ সিঙ চুচৰি-চুচৰি তাৰ ওচৰলৈ আহিল। শিল এডোখৰত ঘঁহনি খাই সিঙৰ হাতৰ মাখিছাল অলপ এৰি গৈ তেজ বিৰিঙিছিল। হয়তো এসত্তৰৰ অশান্ত পূব পাকিস্থানৰ মাটিত এইয়াই ভাৰতীয় সৈনিকৰ তেজৰ প্ৰথম চেকুৰা।

মনোজে আকৌ বাইন'কুলাৰটো তুলি ল'লে।

সিহঁতে পজিছন লোৱা ঠাইটুকুৰাৰ তিনিশফুটমান আঁতৰেৰে পথটো গৈ আঁতৰৰ নদীখনৰ দলংখন ছুইছেগৈ। দলংখনৰ পৰা পথটোৰ দুটা ভাগ হৈছে। এটা পথ চিলেটলৈ যোৱা বুলি সিহঁতৰ মেপত অকাঁ আছে। আনটো পথ ঠেক, কেঁচা মাটিৰ। পথটো আগেয়ে নাছিল। সিহঁতৰ মেপত এই নতুন পথটোৰ উল্লেখ নাছিল আৰু নাছিল কাৰণেই......

১

টক্ ..... টক্ ...... টক্ ......

দৰ্জাখনত কোনোবাই সজোৰে টুকুৰিয়াই দিয়াৰ শব্দত মনোজৰ টোপনি ভাঙি গৈছিল। সি প্ৰথমে গাৰুৰ তলত থকা ঘড়ীটো চালে। নিশা এঘাৰটা বাজিছে। এই নিশা কোনে দৰ্জাত টুকুৰিয়াইছে!

‘ কোন?’ মনোজে শুধিছিল।

‘ মই। ৰজত বড়ো।’ আগন্তুকৰ স্পষ্ট উত্তৰ।

‘ কি হ’ল?’

‘ চেকেণ্ড লেফটেনেণ্ট চাহাবে আপোনাক এতিয়াই মাতিছে।’

‘ গৈছো।’

মনোজ আচৰিত হৈছিল। সি তেতিয়াই ড্ৰেছ কৰি চেঃ লেফঃ হৰগোবিন্দ ত্ৰিপাঠীৰ চেম্বাৰ পাইছিলগৈ। মনোজৰ চেলুটটো গ্ৰহণ কৰি ত্ৰিপাঠীয়ে সমুখৰ চকী এখনলৈ আঙুলিয়াই দেখুৱালে। মনোজ নীৰৱে বহি পৰিছিল। মনোজ অধৈৰ্য্য হৈছিল। এই মাজনিশা ত্ৰিপাঠীয়ে কিয় তাক মাতি পঠিয়াইছে সি ধৰিব নোৱাৰিলে।

ত্ৰিপাঠীয়ে ছিগাৰেট এটা জ্বলাইছিল। ছিগাৰেটটোত কেই হুপামান মাৰি তেওঁ শুধিলে ‘ আপুনি পূব পাকিস্থানত হোৱা গণ্ডগোলৰ খবৰ পাইছেই বোধকৰো।’

মনোজে মুৰ দুপিয়ালে।

ত্ৰিপাঠীয়ে ধীৰে-ধীৰে কৈ গ’ল ‘ এই গণ্ডগোলৰ কাৰণে ৰিফিউজীবোৰ আমাৰ ইয়াত ভৰি পৰিছে। আনপিনে দিল্লীয়ে আমাক এলাৰ্ট হৈ থাকিব দিছে। লগতে আমাৰ ফ্ৰন্টলাইনৰ ওপৰত চোকা দৃষ্টি ৰাখিব কৈছিল। ফ্ৰন্ট লাইনৰ সিপাৰে হোৱা যিকোনো ডেভেলাপমেণ্টৰ বিষয়ে আমাক ততালিকে জনাব দিছিল আৰু হঠাৎ আজি কৰিমগঞ্জৰ এচ ডি পিই জনালে তেওঁ হেনো ৰিফিউজী এজনৰ মুখে কুশিয়াৰা নদীৰ দলংখনৰ ওচৰৰ পৰা নতুন ৰাস্তা এটা পাকিস্থানী বিলাকে দুদিনমান আগতে বনোৱা শেষ কৰিছে বুলি গম পাইছে। মোৰ মনে কি কৈছে জানে? ইয়াৰ আঁৰত এটা কু-অভিসন্ধি আছে। হয়তো সিহঁতে আমাৰ এই বাৰজনীয়া কেম্পটো আক্ৰমণ কৰিবলৈকে যো-জা কৰিছে। সিহঁতে গম পাবও পাৰে যে কৰিমগঞ্জৰ পৰা সহায় নাপালে আমি যিকোনো আক্ৰমণ আধা ঘণ্টাৰ বেছি সময়লৈ প্ৰতিৰোধ কৰি ৰাখিব নোৱাৰিম। হয়তো সিহঁতে এই সুযোগটো লবলৈকে নতুন পথটো নিৰ্মাণ কৰিছে।’

‘ আন কিহবাৰ কাৰণেওতো হ’ব পাৰে।’

ত্ৰিপাঠীৰ মুখখন উজ্বল লৈ পৰিল। চিগাৰেটটোত দীঘলকৈ হুপা এটা মাৰি অৱশিষ্টখিনি এছট্ৰেত গুজি দি তেওঁ ক’লে ‘ মই এই প্ৰশ্নটোৰ সদুত্তৰ পোৱাৰ আশাতে আপোনাক এটা নতুন ধৰণৰ অপাৰেছনৰ নেতৃত্ব দিব ওলাইছো। আপোনাৰ লগত থাকিব মনোহৰ সিঙ আৰু দিলীপ ৰায়। আপোনালোকে এই নতুন ৰাস্তাটো কিয় বনাইছে, ক’লৈ

গৈছে , এইবিলাক তথ্য অতি কম সময়ৰ ভিতৰতে গোটাই মোক জনাব লাগিব। আপোনালোক সাজু হওঁক আৰু আধাঘণ্টাৰ পিছত ৰাতিৰ আন্ধাৰৰ আঁৰ লৈ বৰ্ডাৰ লাইন পাৰ হ'ব লাগিব। ভালদৰে খোজ কাঢ়িলে দুঘণ্টাৰ ভিতৰতে ঠাইখিনি পাবগৈ।'

ত্ৰিপাঠীয়ে ধীৰে-ধীৰে কৈ যোৱা কথাখিনি মনোজ নীৰৱে শুনি গৈছিল। মনোজ চিন্তিত হৈছিল। এই অস্থিৰ সময়ত বাৰজনীয়া দুৰ্বল কেম্পটোৰ পৰা তিনিজন ওলাই গ'লে কেম্পটো আৰু দুৰ্ব্বল হৈ পৰিব। তদুপৰি আওপুৰণি ৰায়ফলেছ ছেটটোকো এতিয়া নিৰ্ভৰ কৰিব নোৱাৰি। আনপিনে কৰিমগঞ্জতো এতিয়া বি. এছ. এফ. অথবা আসাম ৰাইফলছৰ শক্তিশালী কেম্প নাই। গতিকে এনে এটা সন্ধিক্ষণত.......

মনোজ কিন্তু একো নক'লে। নীৰৱেই ত্ৰিপাঠীৰ আঁচনিখন শুনি গৈ আধা ঘণ্টাৰ পিছত সঁচাকৈয়ে সি মনোহৰ সিঙ আৰু দিলীপ ৰায়ক লগতলৈ অন্ধকাৰৰ আঁৰ লৈ ভাৰতীয় সীমান্ত পাৰ হৈ আহিছিল। মনোজৰ অন্তৰখন দুঁৰু-দুঁৰুকৈ কঁপিছিল তেতিয়া। কিন্তু এতিয়া.....

২

' চাৰ।' মনোহৰ সিঙে ফুচফুচাই ক'লে , ' দলঙখন এতিয়াই পাৰ নহ'লে পিছত অসুবিধা হ'ব।'

মনোজে বাইন'কুলাৰটো ডিঙিত ওলোমাই ল'লে। সি হাতৰ আঙুলিৰে ইংগিত এটা দি আগবাঢ়িল। তাৰ পিছে-পিছে মনোহৰ আৰু দিলীপেও জোপোহাবোৰৰ আঁৰে-আঁৰে আগুৱাই গ'ল। দলংখনৰ কাষ পাই সিহঁত ৰ'ল। মনোজে লক্ষ্য কৰিলে দলংখনৰ সিটো পাৰে টাৱাৰ এটা আছে। টাৱাৰটোৰ শীৰ্ষত ছেন্ট্ৰি এটা ঠিয় হৈ আছে। মনোজে এখন্তেক কিবা ভাবিলে। তাৰ পিছত মনোহৰ আৰু দিলীপক ইংগিত এটা দি সি দলঙখনৰ তল পালেগৈ। অতি কষ্টেৰে তিনিও দলঙখনৰ তলৰ বাটামত ওলমি ওলমি দলঙখনৰ আনটো মূৰ পালে। মনোজে এইবাৰ মনোহৰক কাষলৈ মাতি আনি ফুচফুচাই কিবা ক'লে। মানোহৰে কথাষাৰ শুনিয়ে ষ্টেনগানটো পিঠিত ওলোমাই লৈ দলংখনৰ তলৰ পৰা ওলাই আহি ৰেলিঙৰ আঁৰত লুকাল।

মনোহৰৰ চকুত পৰিল সি লুকাই থকা অংশৰ পৰা দহ হাতমান দূৰৈৰ পৰা জোপোহা বননি এডৰা আৰম্ভ হৈ টাৱাৰটোৰ কাষেৰে গৈছে। সি যদি যিকোনো উপায়েৰে বননি ডৰা পায়.... কিন্তু এই দহহাত সমান মুকলি ঠাইখিনি সি কেনেকৈ পাৰ হ'ব?

মনোহৰৰ মুখত ঘাম বিৰিঙিলে। সি হাতৰ তলুৱাৰে ঘাম খিনি মোহাৰি বৃথা

আকৌ টাৱাৰটোলৈ চাই পঠিয়ালে। এখন্তেক সি তেনেকৈয়ে চাই ৰ'ল। তাৰ যেন ভাৱ হ'ল ছেণ্ট্ৰিটোৱে হয়তো টোপনিয়াব ধৰিছে। মনোহৰৰ হাঁহি উঠি গ'ল। তথাপিও সি সতৰ্কতাৰে পলকতে দৌৰ মাৰি মুকলি ঠাইটুকুৰা পাৰ হৈ বননি ডঁৰাত শুই দিলে। বননিডঁৰা খন্তেকলৈ কঁপি উঠিছিল। মনোহৰে টাৱাৰটোলৈ চাই দেখিলে ছেণ্ট্ৰিটো সচকিত হৈ বননিডঁৰালৈ চাব ধৰিছে। খন্তেকপৰ মনোহৰ তলকা মাৰি ৰ'ল। ছেণ্ট্ৰিটোৱে আকৌ টোপনিয়াব ধৰা দেখি মনোহৰে মৰণত শৰণ দি খুপি খুপি টাৱাৰটোলৈ আগুৱাই গ'ল। তাৰ হাতত ধাৰাল ডেগাৰ এখন। ডেগাৰখন ছেণ্ট্ৰিটোৰ পিঠিত.......

এইবাৰ মনোজহঁত টাৱাৰটোলৈ উঠি আহিল। সি আকৌ বাইন'কুলাৰটোৰে দূৰৈৰ অন্ধকাৰলৈ চাই পঠিয়ালে। মূহুৰ্ত্ততে মনোজ সচকিত হৈ উঠিল। সি যেন কেইটামান চলমান পোহৰৰ বিন্দু দেখিছে। তাৰমানে ট্ৰাককেইখন উভতি আহিছে!!

সিহঁত পলকতে টাৱাৰটোৰ পৰা নামি আহি কাষৰ হাবিখনত সোমাল। খন্তেক পিছতে নখন ট্ৰাক টাৱাৰটোৰ কাষেৰে গৈ চিলেটলৈ যোৱা ৰাস্তাটোৰে ধূলি উৰুৱাই গুছি গ'ল। মনোজে স্বস্তিৰ নিশ্বাস পেলালে। সি ঘড়ীতো চালে। চাৰিটা বাজিবলৈ কেইমিনিটমান আছে। সিহঁতে এইবাৰ কেঁচামাটিৰ নতুন পথটোৰ সমান্তৰালভাৱে হাবিখনৰ মাজেৰে আগবাঢ়ি গ'ল।

মনোজৰ মনটো উচপিচাব ধৰিছিল।

দহখন ট্ৰাকৰ নখন উভতিল। কিন্তু অৱশিষ্ট ট্ৰাকখন ক'ত ৰ'ল? তাৰমানে.....

লাহে-লাহে পোহৰ হৈ আহিছিল।

দূৰৈত এডঁৰা মুকলি ঠাইত টিনৰ ঘৰৰ শাৰী কিছুমান মনোজৰ চকুত পৰিছিল। মাত্ৰ তিনিটা শাৰী, নটা ঘৰ।

মনোজে ঠিকেই অনুমান কৰিছিল। সি ত্ৰিপাঠীয়ে এই ৰাস্তাটোৰ কথা কওঁতেই অনুমান কৰিছিল ৰাস্তাটোৰ শেষত এটা নতুন কেম্প সিহঁতে দেখা পাব। কিন্তু সি কেম্পটো ইমান সৰু হ'ব পাৰে বুলি আশা কৰা নাছিল।

কিন্তু.....।

মনোজ শিয়ঁৰি উঠিল। এখন পেটন টেংক তাৰ চকুত পৰিছিল। তাৰমানে!!

৩

পেটটো নচুৱাই-নচুৱাই পাকিস্থানী লেফটেনেণ্ট ইমদাদ খান ছোৱালীজনীৰ কাষ চাপি গ'ল। নিজৰ উলংগ শৰীৰটোৰ গোপনীয় অংশবোৰ দুইখন হাতেৰে ঢাকিবলৈ

চেষ্টা চলাই ছোৱালীজনীয়েও পিছুৱাই গৈ বেৰৰ কাষ চাপিলগৈ। ছোৱালীজনীৰ পুতৌলগা অৱস্থা দেখি ইমদাদ খানে ঢেকঢেকাই হাঁহি দিলে। হাতত থকা গিলাচটোৰ অৱশিষ্ট পানীয়খিনি একেঢোকে পী গিলাচটো টেবুল এখনত থৈ ইমদাদ খানে ছোৱালীজনীক জপটিয়াই ধৰিলে।

আমিনা নামৰ ছোৱালীজনীয়ে কিন্তু অকনো বাধা নিদিলে। উচুপিলে মাথো। কিন্তু খন্তেক পিছতে আমিনাৰ উচুপনি বন্ধ হ'ল। তাইতো ইয়ালৈ স্বেচ্ছাই আহিছিল। তাই অকল কান্দিবলৈ অহা নাছিল। আহিছিল —

আমিনাই চকুহাল মেলি দিলে।
ৰাতি পুৱাইছে।

তাই ইমদাদ খানলৈ চালে। ভাগৰত টোপনিয়াইছে। ইমদাদ খানৰ শৰীৰটো বিছনাখনৰ সিদাঁতিলৈ ঠেলি দি আমিনা বিছনাখনৰ পৰা নামি আহিল। মজিয়াত পৰি থকা শাড়ীখন পিন্ধি লৈ তাই আকৌ খানলৈ চালে। তাৰ পিছত খুপি-খুপি তাই কোঠাটোৰ পৰা ওলাই গ'ল।

বাহিৰত থকা ছেন্ট্ৰিটোৱে টোপনিয়াব ধৰিছিল। আমিনাই ধীৰ সতৰ্কতাৰে কোঠাৰ পৰা বাহিৰ ওলাই দীঘল কৰিডৰটোৰে আগবাঢ়ি গ'ল। কৰিডৰটোৰ সিটো মূৰ পাই তাই বাওঁহাতে ঘূৰি বাৰান্দা এখন পালে। সেইখিনিতে ৰৈ তাই দীঘলকৈ উশাহ এটা ল'লে। আমিনাৰ মনত এটাই সান্ত্বনা। ইমদাদ খানক দেহদান দিয়াৰ পৰা তাই অন্ততঃ গম পালে যে কেপ্তেইন উজীৰ খান আজি ৰাতি কেম্প পাবহি আৰু তেতিয়া তাই প্ৰতিশোধ ল'বই। ভীষণ প্ৰতিশোধ।

আমিনাই দেখিলে জীপ এখন তীব্ৰবেগেৰে আহি বাৰান্দাখনৰ ওচৰত ৰৈ গৈছে। জীপখনৰ পৰা জোৱান এজন নামি আহিল। আমিনাৰ আধা নাঙঠ-লোভনীয় দেহটোৰ ওপৰত চকুফুৰাই জোৱানজন খৰখোজেৰে কৰিডৰটোৰে আগবাঢ়িল।

জোৱানজন ইমদাদ খানৰ কোঠাটোলৈ সোমাই গ'ল।

আমিনাই কৰিডৰটোৰে আগবাঢ়ি গৈ ইমদাদ খানৰ কাষৰ কোঠাটোত সোমাল। ভিতৰৰ পৰা দৰ্জাখন বন্ধ কৰি তাই বেৰত কান পাতিলে।

জোৱানজনৰ উত্তেজিত কণ্ঠস্বৰ আমিনাৰ কানত পৰিছিল। কিন্তু কথাৰ অৰ্থ তাইৰ হৃদয়াঙ্গম নহ'ল। জোৱানজনে কাৰোবাৰ মৃত্যুৰ কথা কৈছে। কিন্তু কাৰ? কেপ্তেইন উজীৰ খানৰ মৃত্যুৰ কথাকে কোৱা নাইতো! কিন্তু উজীৰ খানৰ মৃত্যু হ'লে তাই প্ৰতিশোধেইবা কাৰ ওপৰত ল'ব?

আনটো কোঠাত ইমদাদ খানৰ বুকুখন ধৰফৰাই উঠিল। টাৱাৰ হাউচত থকা ছেণ্ট্ৰিজনৰ অকস্মাৎ মৃত্যুৱে তেওঁক সচকিত কৰি তুলিছিল। ইমান গোপনীয়ভাৱে কেম্পটো আৰু পথটো দহদিনৰ ভিতৰতে তৈয়াৰ কৰাৰ পিছত তেওঁ উশাহ ল'ব পাৰিছিল। এই মূহুৰ্ত্তত ইমদাদ খানৰ বুজিবলৈ বাকী নৰ'ল যে তেওঁলোকৰ অৱস্থানটো এতিয়া আৰু গোপন হৈ থকা নাই। তেনেহ'লে তেওঁলোকৰ আঁচনিখনৰ এতিয়া কি দশা হ'ব! আৰু চৌৱিশ ঘণ্টাৰ ভিতৰতে অপাৰেছন আৰম্ভ হোৱাৰ কথা আছিল। এনেস্থলত —

'সকলোকে এলাৰ্ট কৰি দিয়া।'

কথাখিনি কৈ ইমদাদ খান কোঠাটোৰ পৰা ওলাই আহি কনফাৰেন্স ৰূমত বহি চিঞৰি দিলে, 'আব্দুল।'

আব্দুল বোলা চিপাহীজন সোমাই আহি চেলুট এটা দি কাষত থিয় হৈ ৰ'ল।

'ডেডবডীটো ক'ত আছে?'

'টাৱাৰতোতে আছে।'

'আৰু অস্ত্ৰ-শস্ত্ৰখিনি?'

'নাই। কিজানি লৈ গ'ল।'

'কিন্তু কোনে?' ইমদাদ খানে সজোৰে টেবুলত ঢকিয়াই চিঞৰি দিছিল। আব্দুল নীৰৱে ৰোৱা দেখি তেওঁ একে উত্তাপেৰে পুনৰাই শুধিলে, 'কেম্পত এতিয়া কিমানজন সৈন্য আছে?'

'চল্লিশজন।'

'ইখিনি কেইটা বজাত পাবহি?'

'গধূলি ছটাত।'

খানে ঘড়ীটো চালে। ৰাতিপুৱা ছটা বাজিছে এতিয়া। তাৰমানে উজীৰ খানলৈ তেওঁ আৰু বাৰ ঘণ্টা ৰ'ব লাগিব। কিন্তু তাৰ আগেয়ে তেওঁ এই ৰহস্যটো ভেদ কৰিবই লাগিব। ইমদাদ খানে কিছুপৰ তলকা মাৰি ৰৈ ক'লে, 'কেম্পত পাঁচজনমান ৰাখি বাকীখিনি চাৰিওফালে জঙ্ঘললৈ পঠিয়াই দিয়া। তিনি ঘণ্টাৰ ভিতৰতে গোটেইটো অঞ্চল চাৰ্চ কৰা শেষ হ'ব লাগিব। মোৰ বোধেৰে যিয়ে ছেণ্ট্ৰিজনক মাৰিছে সি জঙ্ঘলতে আশ্ৰয় ল'ব লাগিবই। আৰু শুনা! কেপ্টেইন খানক এতিয়াই একো নজনাবা। যি ক'ব লাগে মই ক'ম।'

৪

লেফটেনেন্ট ত্ৰিপাঠীয়ে চকুহাল মেলিয়েই সমুখত ৰায়াৰলেছ অপাৰেটৰ

প্ৰভাকৰ দাসক দেখি উচপখাই উঠিল। তেওঁ কিবা এষাৰ কোৱাৰ আগেয়ে দাসে মাত লগালে, ' ৰায়াৰলেছ ছেটতো আকৌ বেয়া হ'ল চাৰ।'

'হু।'

ত্ৰিপাঠীয়ে গাটো লৰালে। তেওঁৰ খঙ উঠি আহিছিল। যোৱা নিশা শেহৰাত্ৰিহে তেওঁৰ টোপনি আহিছিল। ত্ৰিপাঠীয়ে ঘড়ীটো চালে। ৰাতিপুৱা আঠটা বাজিছে এতিয়া। নিজকে ধীক্কাৰ দিলে তেওঁ। এঙামুৰি এটা মাৰি তেওঁ সুধিলে, ' ভাল কৰোতে কিমানপৰ লাগিব পাৰে?'

প্ৰভাকৰ দাসে তললৈ মূৰ কৰি ক'লে ' আজি নহ'বগৈ কিজানি।'

' সেইবুলি ক'লে নহ'ব। আজি গধূলিৰ আগেয়ে ছেটতো ভাল হ'বই লাগিব। আপুনি জীপখন লৈ এতিয়াই কৰিমগঞ্জলৈ গৈ মেকানিক এজনক লৈ আহক।'

' কিন্তু সেইখন নিলে ইয়াতযে কোনো গাড়ী নাথাকিব।'

' কেম্পত এতিয়া জীপখনৰ দৰকাৰ নাই।'

দাসে চেলুট এটা দি আঁতৰি গ'ল। তেওঁ যোৱাৰ পিছত ত্ৰিপাঠী উঠি গৈ বেৰত আঁৰি থোৱা মেপখনৰ ওচৰত ৰ'লগৈ। মনোজ চলিহা বাৰু এতিয়া কোনখিনি পাইছে! নে.........

জীপখন ষ্টাৰ্ট কৰাৰ শব্দই ত্ৰিপাঠীৰ তন্ময়তা ভাঙি দিলে।

তেওঁ উভতি চালে। প্ৰভাকৰ দাসে জীপখন লৈ গ'লগৈ।

ত্ৰিপাঠীৰ মনটো উৰুঙা-উৰুঙা যেন লাগিল। বাৰজনীয়া এই বৰ্ডাৰ আউট পষ্টৰ কেম্পটোত এতিয়া মাথো আঠজন সৈনিক। এই অস্থিৰ অনিশ্চিত সময়ত এই আঠজন সৈনিকেৰে তেওঁ কি কৰিব?

লেফটেনেণ্ট ত্ৰিপাঠী বাহিৰলৈ ওলাই আহিল।

তেওঁৰ ঘড়ীত এতিয়া নটা বাজিবলৈ দহ মিনিটমান আছে।

৫

মনোজে ঘড়ীটো চালে। এঘাৰটা বাজিছে এতিয়া।

সিহঁত ইতিমধ্যে পাকিস্থানী কেম্পটোৰ পৰা পাঁচ মাইলমান আঁতৰি আহিছে। সিহঁতৰ চৌকাখে ওখ ওখ গছবোৰ। সিহঁত হয়তো এনেকৈ আহিব নালাগিলহেঁতেন,

যদিহে জীপখন কেম্পটোলৈ সোমাই নাহিলহেঁতেন। কেম্পটোলৈ জীপখন সোমাই যোৱা দেখিয়ে মনোজ দুঃশ্চিন্তাত পৰিছিল। দহ মিনিটমান পিছতে শুই থকা কেম্পটোত সৃষ্টি হোৱা অহেতুক ব্যস্ততাখিনিয়ে মনোজক সন্দেহী কৰি তুলিলে। তেতিয়াই সি কেম্পটোৰ পৰা আঁতৰি আহিবলৈ সিদ্ধান্ততো ল'লে। সি যদি আৰু এঘণ্টা কেম্পটো নিৰীক্ষণ কৰিবলৈ সময় পালেহেঁতেন, তেতিয়া সি কেম্পটোৰ বিষয়ে এটা প্ৰামাণিক ধাৰণা লৈ যাব পাৰিলেহেঁতেন। কিন্তু এতিয়া............!!

মনোজে ওখ গছ এজোপাত উঠি গৈ বাইন'কুলাৰেৰে দূৰলৈ চাই পঠিয়ালে। দূৰত কেইটামান ক'লা চলমান বিন্দু মনোজৰ চকুত পৰিল। মনোজৰ মুখমণ্ডলত এটোপা-দুটোপাকৈ ঘাম বিৰিঙি উঠিল। সঅস্ত্ৰ পাকিস্থানী সৈনিক সিহঁতৰ দিশলৈকে আহি আছে। মনোজে এইবাৰ তললৈ চাই পঠিয়ালে। মনোহৰ আৰু দিলীপো যেন অস্থিৰ হৈ পৰিছে। মনোজে চাৰিওফালে চকু ফুৰালে। সিহঁতৰ চাৰিওফালে ওখ-ওখ গছবোৰৰ বাহিৰে একোৱেই নাই। গছবোৰৰ মাজতো চল্লিশ বা পঞ্চাশ হাতমান ব্যৱধান। সিহঁতে গছৰ আঁৰত লুকাই ষ্টেনগান চলাব পাৰিব। কিন্তু গুলীৰ শব্দই চৌদিশ ৰজন-জনাই দিব। আকৌ ত্ৰিপাঠীয়ে কৈছিল........

মনোজৰ তেতিয়াই চকুত পৰিছিল এমাইলমান আঁতৰৰ চাপৰ পাহাৰখনলৈ। সি মনতে কথাখিনি জুকিয়াই চাই বাইন'কুলাৰটোৰে আকৌ এবাৰ চালে। পাকিস্থানী কেইটা সি ভবাতকৈ বহুদূৰ আগুৱাই আহিছে। মনোজ তৎপৰ হ'ল। খৰখোজেৰে তললৈ নামি আহি দিলীপ আৰু মনোহৰক ইংগিত দি সি দৌৰিবলৈ আৰম্ভ কৰিলে। পাহাৰৰ পাদদেশ পাই খন্তেক জিৰাই লৈ মনোজে পুনৰ পাহাৰ বগাবলৈ আৰম্ভ কৰিলে। এশ মিটাৰমান ওপৰলৈ উঠি প্ৰকাণ্ড শিল এটাৰ আঁৰত লুকাই মনোজে দিলীপ আৰু মনোহৰক ফুচ-ফুচাই কিবা ক'লে। তাৰপিছত দুয়োকে দুইফালে পঠাই দিলে।

ক্ষণবোৰ আগবাঢ়িল।

মনোজৰ অন্তৰখন খৰকৈ স্পন্দিত হ'ব ধৰিলে। পাকিস্থানীকেইটা যিমান আগুৱাইছে তাৰ হৃদস্পন্দনো সিমানেই বাঢ়ি গৈছে। সি অনুমান কৰামতে সিহঁতে যদি ভাগ-ভাগ হৈ......

পাহাৰখনৰ পাদদেশখন অসমান। কাষতে ওখ-চাপৰ মাটিৰ ধীপ কিছুমান। সেই চাপৰ ধীপবোৰৰ চাৰিওফালে চকুফুৰাই পাকিস্থানী হাবিলদাৰজনে দুটা-দুটাকৈ ভাগ কৰি সৈন্য কিজনক পাহাৰ বগাব দিলে।

মনোজ স্বস্তিৰ নিশ্বাস পেলালে। কিন্তু..... হাবিলদাৰজন তলত থাকি গ'ল

কিয়?

মনোজ হাবিলদাৰজনৰ পৰা চকু আঁতৰাই মনোহৰলৈ চালে।

মনোহৰে প্ৰকাণ্ড শিল এটাৰ আঁৰ লৈ খুপি-খুপি আগুৱাই গৈছে প্ৰথম পাকিস্থানী সৈন্য দুটালৈ বুলি। মনোজে অনুমান কৰামতেই পাকিস্থানী দুটাই শিলটোৰ ওচৰৰ পৰা ভাগ হৈ দুয়োজন দুই মূৰেদি আগবাঢ়িল।

মনোহৰক এই সুযোগটোলৈকে অপেক্ষা কৰিবলৈ সি কৈছিল।

মনোহৰ আৰু অলপ আগুৱালে। ছফুট ওখ পাকিস্থানীটোৰ বহল পিঠিখন দেখি মনোহৰৰ লোভ লাগি গ'ল। সি.......

মনোজে আনপিনে মুখখন ঘূৰাই দিলে। সি হিচাব কৰি চালে। দহজনৰ আঠজন পাহাৰটোৰ সিটো ঢাললৈ আগবাঢ়ি গৈছে। সিহঁত তললৈ নমাৰ লগে-লগে ষ্টেনগান চলাবলৈ অকণো অসুবিধা নহ'ব। গুলীয়া-গুলীৰ শব্দও দূৰলৈ নাযাব।

সি ইংগিত এটা দিলে। মনোহৰ আৰু দিলীপ বগুৱা বাই উঠিলগৈ পিছে পিছে।

হাবিলদাৰজনে দুয়োখন হাত পকেটত ভৰাই এক বিশেষ ভঙ্গিমাৰে লাহে লাহে ওপৰলৈ উঠি আহিছিল। মনোজে উশাহ এটা লৈ শিল গুটি এটা পেলাই দিলে। শিলগুটিটো পৰা ঠাইডোখৰলৈ হাবিলদাৰজনে মূৰটো ঘূৰাই দিলে। মনোজ ঠিক সেই মূহুৰ্ত্তে হাবিলদাৰজনৰ ওপৰত জপিয়াই পৰিল। ভাৰসাম্য ৰাখিব নোৱাৰি হাবিলদাৰজন তললৈ পৰি গৈছিল। মনোজে কিন্তু তেতিয়াও হাবিলদাৰজনক এৰা নাছিল। সুদৃঢ়ভাৱে হেচি ধৰিছিল হাবিলদাৰজনৰ ডিঙিৰ কোমল অংশখিনি। আৰু যেতিয়াই......

তেতিয়াই গুলীয়াগুলীৰ শব্দ মনোজৰ কাণত পৰিল।

মাথো তিনি ছেকেণ্ড। তাৰপিছতে সেই শব্দ মাৰ গ'ল।

মনোজ অধৈৰ্য্য হৈ পৰিছিল। দিলীপে হুইছেল দিয়া নাই কিয়!!

দুইমিনিট পাৰ হৈ গ'ল। মনোজ আৰু ৰ'ব নোৱাৰিলে। সি পাহাৰ বগাই ওপৰলৈ উঠি গৈ তললৈ চাই পঠিয়ালে! কিন্তু ইকি? এশগজমান দূৰৈত দিলীপৰ ৰক্তাক্ত দেহটো পৰি আছে আৰু মনোহৰ শিল কিছুমানৰ আঁৰে আঁৰে তললৈ নামি গৈছে। তাৰ পিছে পিছে কেইটামান পাকিস্থানী।

সি এখোজ আগুৱালে।

দিলীপৰ লাওখোলা ছিন্ন-বিচ্ছিন্ন হৈ আছে।

হঠাতে মনোজ সচকিত হৈ উঠিল।

সি মূৰ তুলি তললৈ চালে।

মনোজে দেখিলে দহটামান পাকিস্থানী হাতত উদ্যত ষ্টেনগান লৈ তলৰ পৰা ওপৰলৈ উঠি আহিছে। হয়তো যিকোনো মূহুৰ্ত্তত সিহঁতৰ গুলীয়ে আহি তাৰ দেহ স্পৰ্শ কৰিবহি পাৰে!

কিন্তু... সি যে গধূৰ দায়িত্ব এটা লৈ আহিছে। সি মৰিব নোৱাৰে!

যিকোনো উপায়েৰে নিজকে সি বচাবই লাগিব। নহ'লে হয়তো.....

৬

ধীৰ পদক্ষেপেৰে আৰু সতৰ্কতাৰে মনোজ অগ্ৰসৰ হৈছিল। ওখ-ওখ গছবোৰৰ আঁৰত লুকাই লৈ মাজে-মাজে সি বাইন'কুলাৰেৰে চাৰিওফালে চাই লৈছিল। কেতিয়াবা হঠাতে মনোহৰ আৰু দিলীপৰ কথা মনত পৰি যায় মনোজৰ। সি বাৰু পলাই অহাৰ সিদ্ধান্তটো লৈ ভুল কৰিলে নেকি? কিন্তু তাৰ বাহিৰে যে অইন গত্যন্তৰ নাছিল। সি জুকিয়াই চাইছিল, দিলীপক সহায় কৰা তেতিয়া অৰ্থহীন আছিল। বৰঞ্চ তেতিয়া নিজেহে সি চিকাৰ হলহেঁতেন। আনপিনে মনোহৰে তাক বচাবলৈকে নিজৰ জীৱন বিপন্ন কৰি ঠাইখিনিৰ পৰা আঁতৰি গৈছিল। এনেস্থলত.......

মনোজ ৰৈ দিলে।

তাৰ যেন ভাৱ হ'ল কোনোবা এজন দৌৰি আহিছে!!

মনোজ থিতাতে গছ এজোপাৰ আঁৰত নিজে লুকাই পাৰিল। কিছু সময়ৰ পিছতে সি পূৰ্ণ যৌৱনা তন্বী যুৱতী এগৰাকী ফোঁপাই জোপাই দৌৰি আহি থকা দেখা পালে। পিছে-পিছে পাকিস্থানী সৈন্য এটা। মনোজে পলকতে সিদ্ধান্তটো লৈ পেলালে। সি পিছফালৰ পৰা গৈ পাকিস্থানীটোক জপটিয়াই ধৰিছিল। ভাৰসাম্য ৰাখিব নোৱাৰি মাটিত পৰি গ'লেও পিছমুহূৰ্ত্ততে সিকাষলৈ গৈ সি বেল্টৰপৰা বেয়নেটখন উলিয়াই ল'লে। সোঁহাতত ৱেয়নেটখন খামুচি ধৰি সি খেদি আহিল। মনোজে বুজিলে, বেল্টত থকা ৰিভলভাৰটোৰ ব্যৱহাৰ কৰাৰ বাহিৰে তাৰ গত্যন্তৰ নাই। কিন্তু ৰিভলভাৰৰ শব্দই ওচৰৰ আন কাৰোবাক যদি সজাগ কৰি দিয়ে!!

আৰু এহাত ব্যৱধান। প্ৰয়োজন মাথো এটা মুহূৰ্ত্তৰ।

পাকিস্থানীটোৱে পৈশাচিক লালসাৰে খেদি আহিছে। হয়তো......

মনোজ ভাবিবলৈ এৰি দি ৰিভলভাৰটো উলিয়াই ল'লে। মাত্ৰ এটা গুলীয়েই....

পাকিস্থানীটোৰ ৰক্তাক্ত নিশ্চল দেহটো চাই লৈ মনোজে যুৱতীলৈ দৃষ্টি নিক্ষেপ কৰিলে। ভীতিগ্ৰস্তা যুৱতীৰ বিস্ফোৰিত চকুহাললৈ চাই সি দুখোজ আগুৱাই যোৱাৰ লগে লগে যুৱতীয়ে আকৌ ফোপাব ধৰিলে।

'ভয় নাই। মই আপোনাৰ অনিষ্ট নকৰো। আপুনি নিঃসন্দেহ হ'ব পাৰে।'

যুৱতীৰ ফোপনি কিঞ্চিত কমিল।

'আ-পু-নি.....'

'মই হাবিলদাৰ মনোজ চলিহা।'

'তাৰমানে!'

মনোজৰ পৰিচয়টো শুনিয়েই যেন যুৱতী সপ্ৰতিভ হৈ উঠিল। এক উজ্বল জ্যোতিয়ে যুৱতীৰ ভীতিগ্ৰস্তা মুখখনলৈ অভিব্যক্তিৰ নতুন ৰহন আনিলে। উৎফুল্ল হৈ যুৱতীয়ে ক'লে, 'মই আমিনা ; আমিনা বেগম। বিলাসপুৰৰ যুৱতী।'

মনোজ কৌতূহলী হ'ল। সি জনাত বিলাসপুৰ চিলেটৰ ওচৰত , অৰ্থাৎ ইয়াৰ পৰা ত্ৰিশ মাইল আঁতৰত যুৱতীৰ ঘৰ। কিন্তু এই গহন বনলৈ যুৱতী আহিল কেনেকৈ? তদুপৰি পিছে পিছে পাকিস্থানী এটা। তাৰমানে..... যুৱতী কোনোবা কেম্পৰ পৰা পলাই অহা নাইতো!!

'আমিনা?'

আমিনাই মনোজৰ মুখত নিজৰ নামটো শুনি উচপ্ খালে। পুলকিত হ'ল কিজানি তাই। তাই গছ এজোপাৰ গাত আউজি থিয় হ'ল। মনোজ আগবাঢ়ি গ'ল। মনোজৰ যৌৱনদীপ্ত চেহেৰালৈ আঁৰ চকুৰে চাই আমিনাই ক'লে , 'তাৰমানে আপোনালোকেই টাৱাৰ হাউচৰ ছেণ্ট্ৰিটোক মাৰিলে?'

মনোজ মুৰ দুপিয়ালে।

'আপোনালোকক বিছাৰিবলৈ ইমদাদ খানে চাৰিওফালে সৈন্য পঠাইছে।'

'ইমদাদ খান?' নামটো শুনি মনোজ অলপ আচৰিত হ'ল।

উশাহ সলাই আমিনাই বিৰক্তিৰে ক'লে, 'ইমদাদ খান এজন লেফটেনেন্ট।'

'অ।'

মনোজ আৰু দুখোজ আগুৱালে। তাৰ সোকান্ধে আমিনাৰ বাউসী স্পৰ্শ মুচি সোমাই

কৰিলে। সি মানুহটো ভিতৰি-ভিতৰি উত্তেজিত হৈছিল। এই জনশূণ্য গহন বননিত এজনী যুৱতীৰ সান্নিধ্যই মনোজক দায়িত্বৰ কথা পাহৰাই পেলালে। বাসনাৰ চমৰ উত্তেজনাত মনোজ পাগল হৈ পৰিছিল। সি উত্তপ্ত আৱেগেৰে আমিনাক আকোৱালী ল'লে। আলিঙ্গন, চুমা........

আমিনাই উস-আস কৰিছিল, কিন্তু বাধা নিদিলে। মনোজৰ স্পৰ্শানুভূতিৰ তৃপ্তিত চকুহাল মুদি দিওঁতে আমিনাৰ ভাব হ'ল তাইৰ মানস পটত যেন আন এজন পুৰুষৰ ছবি ভাঁহি উঠিছে।

সেইয়া কেপ্তেইন উজীৰ খানৰ ছবি।

সেইজন কেপ্তেইনৰ প্ৰতিচ্ছবিকে তাই দেখিছিল যিজনে হাঁহি হাঁহি এজনীৰ পিছত ইজনীকৈ তাইৰ মাক, বাইদেৱেক, মৰমৰ বৌৱেক আৰু অৱশেষত তাইক ধৰ্ষণ কৰি এৰি দিছিল। তাই যদি এতিয়া উজীৰ খানক মাৰিব নোৱাৰে , তেন্তে তেওঁলোকৰ লাঞ্চিত হৃদয় হয়তো কেতিয়াও ক্ষান্ত নহ'ব।

'কি হ'ল আমিনা?'

মনোজৰ কথা শুনি আমিনাই আকৌ সপ্ৰতিভ হ'বলৈ চেষ্টা কৰিলে। আমিনাৰ হঠাৎ এই পৰিবৰ্ত্তনত মনোজ আচৰিত হৈছিল। সি আমিনাৰ মুখখন তাৰ মুখৰ ওচৰলৈ চপাই আনি ক'লে , 'আমিনা! মই বুজিছো, তুমি মোৰ পৰা কিবা কথা লুকুৱাইছা। চোৱা আমিনা , এই মুহূৰ্ত্তত তুমি আৰু মই দুখন বেলেগ দেশৰ অধিবাসী হলেও দুয়োৰে উদ্দেশ্য একে। তুমি যদি এই চৰম মুহূৰ্ত্তত কথা লুকুওৱা মোৰ অনিষ্ট নহয়। তোমাৰ দেশখনৰহে লোকচান।'

আমিনা চঞ্চল হৈ উঠিল। মনোজে মিহিস্বৰেৰে শুধিলে , 'কি হ'ল আমিনা?'

'মই......' আমিনাই কিছুপৰ বৈ নিজকে সুস্থিৰ কৰি লৈ ক'লে , 'মই কেপ্তেইন উজীৰ খানক লগ ধৰিবলৈ কেম্পৰ পৰা পলাই আহোতে বাটতে পাকিস্থানীটোৱে পালে।'

'সি ...... কেপ্তেইন উজীৰ খান ক'ত থাকে?'

'ক'ত থাকে ক'ব নোৱাৰো। কিন্তু আজি এই কেম্পটোত ইমদাদ খানক লগ ধৰিবলৈ অহাৰ কথা আছিল।'

'তেন্তে কেম্পত থকা হ'লেইতো তুমি কেপ্তেইনক লগ পালাহেঁতেন।'

'নাপালোহেঁতেন। কেপ্তেইনে হঠাতে সিদ্ধান্ত ল'লে কেম্পলৈ নহাৰ। সেই কাৰণে মই পলাই আহিছিলো।' কথাখিনি কৈ আমিনাই মনোজৰ বুকুত আশ্ৰয় বিচাৰি কুচি

গ'ল। মনোজে শুধিলে, ' তুমি কেপ্তেইনজনক ক'ত লগ ধৰিলাহেঁতেন?'

' মই টাৱাৰ থকা দলংখনত তাক লগ ধৰি কি কৰিলোহেঁতেন জানা? এইটো তেওঁৰ জীপখনলৈ দলিয়াই দিলোহেঁতেন।' এই বুলি আমিনাই শাড়ীৰ আচলৰ পৰা সৰু গধুৰ বস্তু এটা উলিয়াই লৈ মনোজৰ চকুৰ আগত দাঙি ধৰিলে।

মনোজ আতংকিত হৈ উঠিল। সি শুধিলে ' হেণ্ডগ্রেনেডটো ক'ত পালা তুমি?'

' কেম্পৰ পৰা চুৰ কৰিলো।'

' কিন্তু!!' মনোজে বিশ্বাস কৰিবলৈ টান পালে। সুধিলে ' ইমান ডাঙৰ কেম্প এটাৰ পৰা —'

' ক'ত ইমান ডাঙৰ কেম্প পালা ? এতিয়া মাত্র তিনিজনহে সৈন্য আছে কেম্পটোত।'

' বাকীবোৰ ক'লৈ গ'ল?'

' বিশজন গ'ল তোমালোকক বিচাৰিবলৈ আৰু বিশজন গ'ল ইমদাদ খানৰ লগত। গতিকে বুজিচাই তুমি।'

মনোজে ঘড়ীতো চালে। চাৰিটা বাজিছে।

মনোজে আমিনাৰ শৰীৰটো আৰু ওচৰ চপাই আনিলে।

সি এতিয়া অন্য মানুহ। আমিনাক সি বহুকেইটা প্রশ্ন শুধিব আছে। সি শুধিব, আমিনাই কেম্পৰ পৰা আৰু কেইটামান গ্রেনেড যোগাৰ কৰি দিব পাৰিবনে নোৱাৰে। সি শুধিব ইমদাদ খান বিশজন সৈন্যলৈ ক'লৈ গ'ল! আৰু কেপ্তেন উজীৰ খান! তেওঁ বাৰু ক'লৈ যাব! তেওঁৰ লগতো যদি সৈন্য থাকে..... তেন্তে......!!!

৭

কেম্পটো শান্ত হৈ আছে। দুৰৈৰ পৰা দহমিনিটমান অপেক্ষা কৰি মনোজে কেম্পটো ভালদৰে নিৰীক্ষণ কৰি ল'লে। সি বোধকৰো সন্তুষ্ট হ'ল। আমিনাৰ কাণে কাণে সি কিবা এষাৰ কোৱাৰ লগে লগে আমিনা সতর্কতাৰে কেম্পটোৰ প্রথমশাৰীৰ ঘৰকেইটালৈ আগবাঢ়ি গ'ল। আমিনা দীঘল শূণ্য কৰিডৰটোৰে গৈ সিটো মূৰ পালে। তাই সেইখিনিতে বৈ দ্বিতীয় শাৰীৰ ঘৰটোলৈ চালে। আমিনা অলপ হতাশ হ'ল। তাই ষ্টোৰ ৰুমটোৰ সন্মুখত দুটা পাকিস্থানী সৈন্য বৈ থকা দেখিলে। কিন্তু আনজন গ'ল কলৈ!

আমিনা উভতি আহিল।

মনোজে আমিনাৰ পৰা সংকেত পাই কেম্পটোলৈ খোজ দিলে। কান্ধৰ পৰা ষ্টেনগানটো উলিয়াই লৈ সি সাজু কৰিলে। মনোজে দেৱালখনৰ আঁৰলৈ এবাৰ দুয়োটা পাকিস্থানীক চাই ল'লে। সৈন্য দুটাৰ পিঠিদুখন মনোজৰ চকুত পৰিল। সি ......

মাত্ৰ এটা মুহূৰ্ত।

যন্ত্ৰনাৰ চীৎকাৰ তুলি দুয়োটা বাগৰি পৰিল।

'মনোজ!'

আমিনাই হঠাতে চিঞৰ এটা মাৰি মনোজক পিছফালৰ পৰা সাৱতি ধৰিলে। মনোজ উচপখাই উঠিছিল। ততালিকে সি পিছফালে মূৰটো ঘূৰাই দিওঁতে দেখা পালে আমিনাৰ বাউসীত ডেগাৰ এখন আৰু আমিনাৰ পিছফালে পাকিস্থানী সৈন্য এটা ঠিয় হৈছেহি। তাৰ মানে তাক বচাবলৈকে.....।

মনোজৰ সৰ্বশৰীৰ এক প্ৰচণ্ড আক্ৰোশত কঁপি উঠিছিল। একেৰাহে বিছচেকেণ্ডলৈ ষ্টেনগানটোৰে ফায়াৰিং কৰি শেষত সি ৰ'ল। আমিনাৰ বাউসীৰ পৰা ডেগাৰখন উলিয়াই আনি সি ৰুমাল এখনেৰে বাউসীতো আটিলকৈ বান্ধি দিলে। ডেগাৰখন বেছি সুমুৱা নাছিল। কিন্তু আমিনাক অৱশ কৰাবলৈ সেই খোচটোৱেই যথেষ্ট আছিল। তথাপিও তাই সেঁহাই-সেঁহাই ক'লে, 'ষ্টৰৰুমটো খোলা আছে। তুমি যিমান ইচ্ছা সিমান গ্ৰেনেড উলিয়াই ল'ব পাৰিবা।'

'তুমি অলপ সময় মনে-মনে থাকা, আমিনা।'

আমিনাক বাৰান্দাখনতে শুৱাই দি সি ঘড়ীটো চালে। বাৰটা বাজিছে যদিও শীতকাল কাৰণে আন্ধাৰজাকে ঠাইখিনি তমসাছন্ন কৰি তুলিছে। মনোজে আমিনাক কিছুপৰ ৰ'ব কৈ ষ্টৰৰুমলৈ খোজ ললে। আমিনাই কোৱামতেই ষ্টৰৰুমটো সঁচাকৈয়ে খোলা আছিল। মনোজে পেঞ্চিল টৰ্চটো উলিয়াই জ্বলাই চালে। তাৰ মুখখন উজ্বল হৈ পৰিল। ইমানসোপা ডিনামাইট আৰু হেণ্ডগ্ৰেনেড লৈ সি বাৰু কি কৰিব!

মনোজ উভতি আহি বাৰান্দাখন পাই মাত লগালে 'আমিনা!'

আমিনাৰ প্ৰত্যুত্তৰ নাপাই মনোজে পেঞ্চিল টৰ্চটো আকৌ জ্বলালে।

আমিনা নাই! কিন্তু তাই গ'ল কলৈ!!

মনোজ উত্তেজিত হ'ল। সি আমিনাক শুৱাই থৈ যোৱা ঠাইখিনিলৈ আহিল। টৰ্চটোৰ যৎসামান্য পোহৰত মজিয়াখনত এখিলা কণমাণি কাগজ পৰি থকা তাৰ চকুত পৰিল। সি কাকতখন বুটলি ল'লে। কিন্তু...... এইখনচোন এখন চিঠি। সি পঢ়িলে.....

তোমাক কি বুলি সম্বোধন কৰিম ভাবি নাপালো। কিন্তু এই তিনি ঘণ্টাৰ সান্নিধ্যতে বুজিছো তোমাৰ মমতাসনা মনে মোক এই অৱস্থাৰে অকলে যাব নিদিব বুলি। তুমি হয়তো নাজানা, আজিৰ এই সুযোগটো হেৰুৱালে মই আৰু কেতিয়াও উজীৰ খানক হত্যা কৰিবলৈ সুযোগ নাপাম। সেইদেখি তুমি কেম্পটো ধ্বংস কৰালৈ মই বাট চাব নোৱাৰিলো। তোমালৈ বাট চালে মই খানক লগ নাপামগৈ। তোমাৰ কাম হ'লে মোক কাঠৰ দলংখনতে লগ ধৰিবা। ইতি — আমিনা।

মনোজৰ ভাব হ'ল তাৰ চব্বিশবছৰীয়া জীৱনটোৱে যেন এক অপাৰ্থিৱ সম্পদ হেৰুৱালে!

'হেণ্ডচ আপ!'

মনোজ চকখাই উঠিল।

সি লাহে লাহে হাতদুখন ওপৰলৈ ডাঙি নিলে। সি স্পষ্টকৈ বুজি পাইছিল তাৰ পিছফালে পাঁচহাতমান আঁতৰত মানুহটো ঠিয় হৈছেহি।

'আগলৈ আগবাঢ়ক।'

মনোজৰ ভাব হল এই কণ্ঠস্বৰটো যেন তাৰ চিনাকী। সি মূৰটো পিছফালে ঘূৰালে।

'চাৰ!'

মনোহৰ সিঙে মনোজক দেখা পাব বুলি আশা কৰা নাছিল। সি দূৰৈৰ পৰা গুলীয়া-গুলীৰ শব্দ শুনি সি একপ্ৰকাৰ দৌৰিয়ে আহিছিল। পিছফালৰ পৰা অন্ধকাৰত স্থবিৰ হৈ ৰৈ থকা মনোজক সি চিনিব পৰা নাছিল। তেতিয়া মনোজক চিনি পোৱাৰ পিছত তাৰ দিলীপলৈ মনত পৰি গৈছিল। সিহঁতে সপোনতো ভবা নাছিল, পাহাৰটোৰ সিটো ঢালেদি আৰু দহটা পাকিস্থানী উঠি আহিব বুলি। মনোহৰে সিহঁতক দেখিয়ে উকি এটা মাৰি দিলীপক সাৱধান কৰি দিছিল। কিন্তু ইতিমধ্যেই পাকিস্থানী সৈন্যৰ গুলীয়ে দিলীপৰ লাওখোলা ছিন্ন-বিছিন্ন কৰি দিছিল। মনোহৰে বুজিছিল, এতিয়া যদি সি অহা বাটে দৌৰ মাৰে তেন্তে মনোজকে হয়তো সি হেৰুৱাব। সেই কাৰণে সি শিলৰ আঁৰে আঁৰে পশ্চিম দিশলৈ দৌৰি গৈছিল আৰু সুযোগ বুজি এই কেম্পৰ ভিতৰত সি গোটেই কিজন পাকিস্থানীক শেষ কৰি দিছিল।

মনোজ আৰু সময় অপব্যয় নকৰিলে। যিমান পাৰে সোনকালে ডিনামাইট কেইটা ফিট কৰি এসোপা হেণ্ডগ্ৰেনেডলৈ কেম্পটোৰ পৰা দৌৰি আহিছিল। সিহঁত

এফার্লংমান অতিক্ৰম কৰাৰ পিছতে চতুৰ্দিশ আলোড়িত কৰি সশব্দে বিস্ফোৰণৰ কাণতালমৰা শব্দই প্ৰতিধ্বনি তুলিলে। মনোহৰে এবাৰ বৈ পিছফালে চাব ওলাইছিল। আচলতে কেম্পটোৰ ধ্বংসস্তুপটো চাবলৈ তাৰ বৰ মন গৈছিল। কিন্তু মনোজে নিদিলে। মনোজে দূৰৈৰ পৰায়ে দেখা পাইছিল , দলংখনৰ ৰেলিঙত ক'লা মূৰ্ত্তি এটা লৰচৰ কৰি আছে। পিছমূৰ্হুততে তাৰ চকুত পৰিছিল, চিলেটৰ পথটোৰে কেইখনমান ট্ৰাকৰ কনভয় এটা আহি আছে।

মনোজে আৰু অলপ বেগ দিলে।

সিহঁত ক্ৰমে দলংখনৰ কাষ চাপি আহিছিল। ক'লামূৰ্ত্তিটো তেতিয়া একেঠাইতে বৈ গৈছিল।

মনোজৰ মনত দুঃশ্চিন্তাই বাহ ল'লে। যদি এইয়া আমিনা নহয়.....

৮

মেপখন আৰি থোৱা দেৱালখনৰ ওচৰলৈ যাব ওলায়ো লেফটেনেন্ট ত্ৰিপাঠীয়ে বৈ দিলে।

বাহিৰত কোনে দুপ-দুপাব ধৰিছে?

তেওঁ দৰ্জাখন খুলি বাহিৰ ওলাই আহিল। কেম্পৰ সিটো মূৰৰ পৰা কোনোবা এটা দৌৰি আহি থকা দেখি তেওঁ চিঞৰি দিলে 'কোন ?'

'মই , ৰজত বড়ো চাৰ।'

'কি হ'ল?'

'সৌ পথাৰখনৰ মূৰত বিশজনমান মানুহ দেখিছো।'

'কি?'

ত্ৰিপাঠী চিন্তিত হ'ল। কেম্পটোৰ সমুখত থকা বহল পথাৰ খন পূৱ পাকিস্থানত পৰিছে। এই নিশা তাত বিশজনমান গোট খোৱা সাধাৰণ কথা নহয়। কিন্তু তেওঁ এতিয়া কি কৰিব? ৱায়াৰলেচটোও বেয়া। আনপিনে প্ৰভাকৰ দাসো আহি নাপালে!

'মানুহ কিজন বৈ আছেনে আহি আছে?' সুধিলে ত্ৰিপাঠীয়ে।

'আহি আছে।' বড়োৰ উত্তেজিত কণ্ঠস্বৰ।

ত্ৰিপাঠীয়ে বুজি পালে তেওঁ ইচ্ছা নকৰিলেও অলপ পিছতে তেওঁলোক শত্ৰুৰ মুখামুখি হ'ব লাগিব। কিন্তু এই আঠজন সৈনিকেৰে তেওঁ কি যুদ্ধ কৰিব? খুউব বেছি

আধা ঘণ্টালৈ তেওঁ হয়তো ৰক্ষা কৰিব পাৰিব। কিন্তু তাৰ পিছত!! যদি শত্ৰুৰ সংখ্যা বাঢ়ি যায়! যদি তেওঁৰ আক্ৰমণ কমি আহে!! আৰু যদি.......।

'সকলোকে পজিচন ল'ব কোৱা।'

ত্ৰিপাঠীয়ে হঠাতে চিঞৰি কৈ উঠিছিল।

নিস্তব্ধ কেম্পটোত ত্ৰিপাঠীৰ চিঞৰটোৱে খন্তেকলৈ লহৰ তুলিছিল। কিন্তু সেই লহৰে কেম্পৰ পৰা তেতিয়াও এৰ্ফালংমান দূৰৈত থকা ইমদাদ খানক কঁপাব নোৱাৰিলে। তেওঁ দূৰবীনটোৰে নিশাৰ অন্ধকাৰত ডুব গৈ থকা কেম্পটোলৈ চাই অধৈৰ্য হৈছিল। সৈন্যকিজনক আৰু আগবাঢ়ি যাব দি তেওঁ এইবাৰ পিছফাললৈ চালে। তাৰ পিছত নিজেও আগবাঢ়িল। এক নিৰাপদ দূৰত্বত ৰৈ তেওঁ ঘড়ীতো চালে। কেপ্টেইন উজীৰ খান অলপ পিছতে পাবহি। কিন্তু উজীৰ খান সদলবলে এইখিনি পোৱাৰ আগেয়ে তেওঁ কেম্পটো আক্ৰমণ কৰিব লাগিব।

ইমদাদ খানে কেম্পটোলৈ চাই হাঁহি দিলে।

তেওঁলোকে পোৱা খবৰমতে কেম্পটো দুৰ্বল। হয়তো আৰু কিছুসময়ৰ ভিতৰতে কেম্পটো তেওঁলোকৰ হাতলৈ আহিব। তাৰপিছত কৰিমগঞ্জ আৰু তাৰ পিছত.......

ৰাইন'কুলাৰটো ডিঙিত আঁৰি লৈ ইমদাদ খানে চিঞৰি দিলে 'ফায়াৰ।'

পাকিস্থানীকেইটাই যেন সেইমূহুৰ্তটোলৈকে বাট চাই আছিল।

মূহুৰ্ততে সিহঁতৰ মৰণাস্ত্ৰৰ পৰা অগ্নি বৰষিব ধৰিলে।

ইমদাদ খানে তৃপ্তিত হাঁহিলে এবাৰ। আঁচনিমতে তেওঁলোকে এতিয়া ফায়াৰিং কৰি কৰি আগবাঢ়ি যাব লাগিব। এনেকৈ আগবাঢ়ি যাব লাগিব যাতে শত্ৰুপক্ষই সাজু হ'বলৈ কেইটামান চেকেণ্ডো নাপায়।

'গ।' ইমদাদ খানে আকৌ চিঞৰিলে।

কিন্তু.......

আশ্চৰ্য্যত হতভম্ব হ'ল ইমদাদ খান। কেম্পৰ পৰা ততালিকে প্ৰত্যুত্তৰ আহিল কেনেকৈ! তেওঁলোকেতো গোপনেই আন্ধাৰৰ আঁৰ লৈ আহিছিল। এইয়া এই মুকলি পথাৰত কেম্পটোৰ পৰা বাৰজন শত্ৰুৰ প্ৰত্যকৰে ৰাইফলৰ গুলি আহি যদি তেওঁলোকৰ গাত পৰেহি....

ইমদাদ খানৰ সৰ্বশৰীৰত কঁপনি উঠিছিল।

ইমান নিখুঁত আঁচনিখনৰ দুৰ্বল স্থল এইটোৱেই আছিল। তথাপিও জানি-বুজিয়ে

ৰিস্কটো লৈছিল ইমদাদ খানে। তথাপিও ইমদাদ খানে চিন্তা নকৰিলেহেঁতেন যদিহে তেওঁৰ লগত আৰু বিশজন সৈন্য থাকিলহেঁতেন। ৰাতিপুৱাই চাৰ্চ কৰিবলৈ কাফেৰহঁত যি ওলাই গ'ল আৰু সিহঁত উভতি নাহিল। নহ'লে......

ইমদাদ খানে পাগলৰ দৰে চিঞৰি পাকিস্থানীকেইটাক হুংকাৰ দিলে।

ফায়াৰিঙৰ গতিবেগ দ্ৰুত হ'ল।

এমিনিট....... দুই তিনি ........ মিনিটবোৰ আগবাঢ়িল।

ইমদাদ খান অধৈৰ্য্য হ'ল। কেম্পটোৰ কাটা তাঁৰৰ বেৰখন পাবলৈ আৰু এশগজ আছে। ইতিমধ্যে কেম্পটোৰ পৰা অহা ফায়াৰিঙৰ গতিবেগ কিছু কমিছে। তেওঁ হেৰুৱাইছে দুজন সৈনিক। যদি ইয়াতকৈয়ো পলম হয়......

হঠাতে পিছফালৰ পৰা তীব্ৰগতিত কিবা এটা আহি ইমদাদ খানৰ ভৰিখন স্পৰ্শ কৰিলে। যন্ত্ৰণাত হালি পৰোতে ইমদাদ খানৰ ভাব হ'ল এইয়া অইন কাৰোবাৰ মৰণাস্ত্ৰৰ স্পৰ্শ। কিন্তু এতিয়া পিছফালৰ পৰা তেওঁলোকক কোনে আক্ৰমণ কৰিব? নে উজীৰ খানেই ভুল কৰিলে?

খানে পিছফালে ঘূৰি চালে।

লগে-লগে অজস্ৰ গুলীয়ে পলকতে তেওঁক বিদীৰ্ণ কৰি পেলালে। খানে এইবাৰ চিঞৰিব নোৱাৰিলে। চাবি দিয়া পুতলাৰ দৰে পথাৰখনত তেওঁ পৰি গ'ল আৰু তাৰ পিছৰ মিনিটত পাকিস্থানী কেইটাও এটা-এটাকৈ পথাৰখনত শুই পৰিল।

ফায়াৰিঙৰ ধোৱাই আবৰি পেলোৱা পথাৰখনৰ মাজেৰে মনোজ আৰু মনোহৰ দৌৰি আহিছিল। মনোজে দৌৰি আহোতে আমিনাৰ কথা ভাবিছিল। বেচেৰীয়ে উজীৰ খানক মাৰিব গৈ নিজেহে প্ৰাণ হেৰুৱালে। কিন্তু তাইৰ অসীম ইচ্ছা মনোজহঁতেই শেষ কৰিছিল। সিহঁতে অকনো বেয়া পোৱা নাছিল উজীৰ খানৰ কনভয়টোৰ ওপৰত অবিৰাম ফায়াৰিঙ কৰি কৰি গ্ৰেনেড দলিয়াই থাকিবলৈ।

আৰু এতিয়া মনোজৰ মনটো মুকলি-মুকলি লাগিল।

'সীমান্তৰ যুদ্ধ' জয়ৰ আনন্দত আত্মহাৰা হৈ উঠিল সি। ●

# জুই জ্বলিল

চাপৰ পাহাৰখনৰ ওপৰত অকলশৰীয়াকৈ থকা সৰু ঘৰটো নিশাৰ নিঃসীম অন্ধকাৰত ডুব গৈ আছে। তিনিটাকোঠাৰ সৰু ঘৰটো , দুয়োফালে বাৰান্দা। আগফালৰ বাৰান্দাখনৰ পৰা দহমিটাৰ মান আঁতৰত থকা ফ্লেগপ'ষ্ট এডালত ভাৰতৰ ত্ৰিৰঙ্গ পতাকাখন বতাহত কঁপিছে।

বতাহৰ হো-হোৱনি শব্দ এটাই ঘৰটোত থকা ভাৰতীয় সীমান্তৰক্ষী সৈনিক কেইজনৰ দেহ-মন চুই গৈছে। দক্ষিণফালৰ কোঠাটোত মজলিছ বহিছে। অনন্ত ব্ৰহ্মাৰ বিছনাখনত বহি লৈছে বিপুল দাস আৰু লুই চাংমা।

ইউচুফ আজি নাই। অৱশ্যে ইউচুফ এতিয়া মজলিছত বহা সম্ভৱপৰো নহয় , তাৰ এতিয়া ডিউটি।

ফ্লেগপ'ষ্টডালৰ ওচৰত থিয় হৈ ইউচুফে অন্ধকাৰত ডুব গৈ থকা সমুখৰ পাহাৰবোৰলৈ চাই পঠিয়াইছিল।

সিহঁতৰ কেম্প থকা এই পাহাৰখনৰ কাষেৰে পাহাৰী নিজৰা এটি বৈ গৈ আঁতৰৰ খৰস্ৰোতা নিয়ামচাকু নদীখন চুইছেগৈ। সদা জাগ্ৰত ইউচুফৰ কাণত পৰিছিল নিজৰাখনৰ বৈ যোৱা জলৰাশিৰ শব্দ। নিজৰাখনৰ পৰা এমাইলমান আঁতৰেৰে মেকমোহন লাইনডাল গৈছে আৰু তাৰ উত্তৰে সুবিশাল চীনদেশ।

ইউচুফে হিচাব কৰি চালে। সিহঁত এই কেম্পটোলৈ অহা আজি ছমাহেই হ'ল। বাসষ্ঠি চনটো শেষ হবলৈ আৰু তিনিমাহমানহে আছে কিজানি।

কিবা এটা অজান দুৰ্ভাৱনাৰ আশংকাত ইউচুফৰ মনটো হঠাতে সজাগ হৈ উঠিল। সদা সতৰ্ক চিকাৰী কুকুৰ এটাৰ দৰে পিতপিতাই চাৰিওফালে চালে সি , একো নেদেখিলে। ফ্লেগপ'ষ্ট ডালৰ পৰা আঁতৰি আহি লাহে লাহে খোজ দি তললৈ নামি যোৱা কেঁচামাটিৰ পথটোলৈ বুলি আগবাঢ়িল সি। পিঠিত আঁৰি লোৱা ৰাইফলটোৰ বাটটো সোঁহাতখনেৰে খামুচি ধৰি সি এনেয়ে ৰৈ দিলে।

আকৌ ইউচুফ সচকিত হৈ উঠিল। সি উৎকৰ্ণ হৈ কিবা যেন শুনিব খুজিলে। ইউচুফৰ বুকুখন দুৰুদুৰুকৈ কঁপি উঠিল।

কোনোবা এজন আন্ধাৰ ফালি আহি আছে, সংগোপনে।

কিন্তু এই মাজনিশা লোকালয়ৰ পৰা তিনি মাইল দূৰৈৰ এই গহন বনৰ মাজৰ লুংলুঙীয়া পথটোৰে কোন আহিব ? তদুপৰি.............

ইউচুফে টৰ্চটো উলিয়াই ল'লে। টৰ্চটো জ্বলাব খুজিও অলপপৰ তলকা মাৰি ৰৈ থাকি ইউচুফে এইবাৰ শুধিলে ' কোন ?'

ইউচুফে অনুমান কৰিলে বিশ/ত্ৰিশ হাতমান আঁতৰত কোনোবা এজন ৰৈ গৈছে। অন্ধকাৰত একো ধৰিব নোৱাৰি ইউচুফে টৰ্চটো জ্বলাই দিলে।

' চাৰেংলা তই !!'

টৰ্চৰ পোহৰত চাৰেংলা নামৰ ওচৰৰ গাওঁখনৰ ষোড়শীজনীক দেখা পাব বুলি ইউচুফে সপোনতো কল্পনা কৰিব পৰা নাছিল। ইউচুফহঁতৰ কেম্পটোৰ চাৰিওজনে ওচৰৰ গাওঁখনৰ যিজনী ছোৱালীক অতি ভালকৈ চিনি পায় সেইজনীয়ে হ'ল চাৰেংলা। চাৰেংলা সিহঁতৰ কাৰণে সহজলভ্য। ইউচুফহঁতে কোনো বেয়া পোৱা নাছিল চাৰেংলা সিহঁতৰ কাম-সাগৰত সাতুৰিবলৈ সন্মত হোৱা দেখি। আন দিনা হ'লে চাৰেংলাক সংগোপনে লগ পালে ইউচুফ জপিয়াই উঠিলহেঁতেন, কিন্তু আজি যেন ইউচুফ কিছু নিৰ্বিকাৰ। ইমান দিনে চাৰেংলাক লগ পাবলৈ যাব লগা হৈছিল ওচৰৰ গভীৰ অৰণ্যখনলৈ, কিন্তু আজি এই নিশা চাৰেংলা আহি ওলাইছে সিহঁতৰ ওচৰলৈ। কিঞ্চিত আচৰিত হৈ ইউচুফ আগবাঢ়ি গ'ল।

' কি হ'ল চাৰেংলা!'

' মানে —' চাৰেংলাই সেপ ঢুকিলে।

' কি হ'ল তোৰ ?' ইউচুফ আৰু এখোজ আগবাঢ়িল।

' মানে —' আকৌ এটা সেপ ঢুকি চাৰেংলাই কওঁ-নকওঁকৈ অৱশেষত কৈ পেলালে, ' লুইয়ে মাতিছিল।'

' কি ?'

চাৰেংলাই ইউচুফলৈ চালে। ইউচুফৰ মুখৰ ভাৱ লেশহীন অভিব্যক্তিয়ে চাৰেংলাক যেন কঁপাই গ'ল। তাইৰ টুপটুপীয়া ৰঙা মসৃণ গালদুখনত এই শীততো ঘাম বিৰিঙিল। উশাহবোৰ ঘন্- ঘন্‌কৈ ল'ব ধৰিলে তাই।

' মই যাওঁ।'

কথাখিনি কৈয়ে চাৰেংলা উভতি খোজ দিলে। দুখোজমান আগবাঢ়িয়ে চাৰেংলা দৌৰিব ধৰিলে। তেতিয়াই ধাতৱ বস্তু এটা তাইৰ দেহৰ পৰা পৰি গৈ মাটিত পৰিল।

ইউচুফে টৰ্চৰ পোহৰত চিকমিকাই থকা এবেগেতমান দীঘল ধাতৱ বস্তু এটা দেখা পালে। বস্তুটো কি ঠাৱৰ কৰিব পৰাৰ আগেয়ে চাৰেংলাই হালি গৈ বস্তুটো তুলি ল'লে। ইউচুফে ' কি ' বুলি সোধা প্ৰশ্নটোৰ উত্তৰ দিবলৈ চাৰেংলা আৰু নৰ'ল।

অন্ধকাৰত চাৰেংলা যেন মূহুৰ্ততে অদৃশ্য হৈ গ'ল।

কিছুসময় সেইখিনিতে ৰৈ থাকি ইউচুফ উভতি খোজ ল'লে। সি অনন্তহঁত বহি থকা কোঠাটোৰ দুৱাৰডলিত ঠিয় হওঁতেই অনন্তই কৈ উঠিল, ' তোৰ ডিউটি শেষ হ'বলৈছোন আৰু এঘণ্টা বাকী আছে।'

ইউচুফে উত্তৰ নিদিলে। অনন্তহঁতলৈ চাই ৰ'ল সি। তিনিও ফ্লাছ খেলিছে। লুইৰ পিঠিখনহে ইউচুফৰ চকুত পৰিল।

' লুই!'

লুইয়ে ইউচুফলৈ নোচোৱাকৈয়ে মাত লগালে, ' কি হ'ল?'

' চাৰেংলা আহিছিল। তই বোলে মাতিছিলি?'

লুইয়ে হাতত থকা টাছ তিনিখন বিছনাখনৰ ওপৰত থৈ ইউচুফলৈ ঘূৰি চালে। লুইৰ চকুহাল তিৰ্‌বিৰাই উঠিছিল। ইউচুফৰ ভাৱলেশহীন গহীন মুখখনলৈ চাই সি যেন কিবা এটা অনুমান কৰিব খুজিলে।

' মই কিন্তু এইবোৰ ভালপোৱা নাই লুই। কেম্পৰ ভিতৰত তেনেকুৱা কাম কৰিব যোৱাটো মুঠেই ভাল হোৱা নাই। তই অন্ততঃ বুজি পাব লাগিছিল।'

' তই অলপ সাৱধানে কথা কবি। মিছাকৈ—'

' কথা ক'ব নাহিবি লুই। চাৰেংলাক মই নিজে দেখিছো মনে মনে কেম্পলৈ অহা। সোধোতে তই মাতা বুলি।'

' শুন ইউচুফ!' লুইয়ে হাতদুখন মুঠি মাৰি ধৰি কৈ উঠিল। ' চাৰেংলাক কেম্পলৈ মাতিব পৰাৰ সাহস এতিয়াও মোৰ হোৱা নাই। অকল মোৰ কিয় অনন্তহঁতৰো নাই। হৈছে যদি তোৰহে হৈছে। আৰু শুন ! চাৰেংলাই যোৱা কালি কৈছিল তই হেনো কেইদিন মান আগতে তাইক মোৰ সেতে হলিগলি কৰিবলৈ মানা কৰি দিছ।'

' কি?'

তীব্ৰ খং আৰু সীমাহীন আক্ৰোশত ইউচুফ লুইৰ ওচৰলৈ চোঁচা লৈছিল। অনন্ত যেন ঠিক এই মুহুৰ্ত্তটোলৈকে অপেক্ষা কৰি আছিল। সি লুই আৰু ইউচুফৰ মাজত ঠিয় হৈ দিলে। বিপুল আগবাঢ়ি গৈ ইউচুফক পিছফালৰ পৰা সাৱটি ধৰিলে।

ইউচুফ ফোঁপাইছিল।

২

ছাৰেংলা ফোঁপাইছিল।

তাই গছ এজোপাৰ গাত আউজি ঠিয় হ'ল। হাতৰ তলুৱাৰে মুখৰ ঘামখিনি মচি-মচি তাই পিছফালে চাই পঠিয়ালে।

দূৰৈত অন্ধকাৰৰ বুকুত কেম্পথকা পাহাৰখন তাইৰ চকুত পৰিল।

কেম্পটোত পেট্ৰ'মাক্স লাইট এটা জ্বলি আছে বোধকৰো।

ইউচুফে বাৰু কি বুলি ভাবিছে ! তাই ইউচুফক মিছাকৈ কথাখিনি কৈ ভুল কৰিলে নেকি! তাই কিয়যে লুইয়ে মাতা বুলি ক'লে, এতিয়া ভাবিও ওৰ নাপালে। যিটো কথা ক'ব খুজি তাই এই মাজনিশা কেম্পটোলৈ আহিছিল সেই কথাখিনি ইউচুফক ক'লেও হ'লহেঁতেন। তথাপিও তাই নক'লে।

ইউচুফক দেখি তাইৰ অকনো ভাল নালাগে। কিন্তু লুইৰ কোমল মুখখন, কিচ্‌কিচিয়া ক'লা চুলিখিনি দেখিলে তাই ৰোমাঞ্চিত হৈ উঠে। হয়তো সেইদেখিয়ে তাই ইউচুফক দেখিও একো নক'লে।

কিন্তু কথাটোযে সঁচাকৈয়ে মাৰাত্মক। অতিশয় দুৰ্ভাগ্যজনক। ইউচুফহঁতক আজিয়েই কথাটো ক'লে হয়তো কিবা এটা সুফল পোৱা গ'লহেঁতেন। নহ'লে হয়তো.....।

চাৰেংলা হঠাৎ চক্‌খাই উঠিল। কোনোবা এটা যেন সন্তৰ্পণে আহি আছে, এনেকুৱা ভাব হ'ল তইৰ। চাৰেংলাই হাতৰ মুঠিত থকা সৰু চুৰীখন দৃঢ় ভাৱে খামুচি ধৰি সৰু চকুহালেৰে এবাৰ চাৰিওফালে চালে।

চাৰেংলাৰ চকুত পৰিল, মানুহ এটা যেন গছ এজোপাৰ আঁৰত লুকাই পৰিল। চাৰেংলাই এপলক গছজোপালৈ চাই অৱশেষত আকৌ দৌৰিবলৈ আৰম্ভ কৰিলে। পাতল অৰণ্যৰে ঢকা এই অঞ্চলটো চাৰেংলাৰ চিনাকী। তাই গাওঁলৈ যোৱা লুঙলুঙীয়া পথটোৰে প্ৰাণঢাকি দৌৰিছে। তাই গম পাইছে মানুহটোও তাইৰ পিছে পিছে দৌৰি আহিছে।

গাওঁখনলৈ এতিয়াও আৰু এমাইল আছে।

চাৰেংলাৰ কান্দি দিবৰ মন গ'ল। যিটো মানুহৰ হাতৰ পৰা পৰিত্ৰাণ পাবলৈ তাই লুইহঁতক কবলৈ গৈছিল, সেই ভয়ংকৰ মানুহটোৱেই এতিয়া তাইক ধৰিবলৈ পিছে পিছে খেদি আহিছে। লুইহঁতে হয়তো কেতিয়াওঁ গম নাপাব গাওঁখনত এনেকুৱা এটা ভয়ংকৰ নৃশংস মানুহ আছে যিয়ে..........

মানুহজনে খোজৰ গতি আৰু দ্ৰুত কৰিলে।

চাৰেংলাক চুবলৈ আৰু দহহাতমান আছে। মানুহজনে আৰু বেগ দিলে।

'আস্ !'

তাইৰ পিঠিৰ ওপৰত জপিয়াই পৰা মানুহজনৰ দেহৰ ওজনৰ সৈতে তাল মিলাব নোৱাৰি চাৰেংলা মাটিত পৰি গ'ল। মানুহজনো চাৰেংলাৰ দেহৰ ওপৰত ঢলি পৰিলগৈ, কিন্তু পিছমুহূৰ্ত্তে অৱলীলা ক্ৰমে মানুহজনে চাৰেংলাক দাণ্ডি ঠিয় কৰাই দিলে।

মানুহজনৰ দুচকুত পৈশাচিক লালসা!

'এতিয়া তোক কোনে বচাব চাৰেংলা। লুইহঁতৰ কথা বাদদে, আনকি ভগৱানেও এতিয়া তোক বচাব নোৱাৰিব।'

'চাওঁ! এৰি দে মোক। নহ'লে ........'

'নহ'লে লুইহঁতক কৈ দিবি নহয়নে?' মানুহজনে এইবাৰ চাৰেংলাৰ সমস্ত দেহটো দুহাতেৰে কঁপাই সুধিলে, 'তই লুইহঁতক কি কলি ক?'

চাৰেংলাই একো নক'লে।

তাই মানুহজনৰ হাতদুখনৰ কবলৰ পৰা পৰিত্ৰাণ পাবলৈ আকৌ এবাৰ চেষ্টা কৰিলে। কিন্তু মানুহজনে দুইহাতেৰে তাইৰ হাতৰ সুকোমল বাহুদুটা এনেকৈ ধৰি আছে যে তাই দেহটোকেই লৰাব নোৱাৰিলে। তাই এইবাৰ সোঁহাতখন গাৰ আঁচলৰ পৰা উলিয়াই আনিলে। চাৰেংলাই শেষ চেষ্টা এটা কৰি চালে। চাৰেংলাৰ সোঁহাতৰ মুঠিত থকা সৰু চুৰীখন ক্ষীপ্ৰতাৰে ওপৰলৈ উঠি আহিল।

আৰু ঠিক সেই মুহূৰ্ত্তে মানুহজনে তাইৰ সোঁহাতখনৰ মুঠিটো চেপি ধৰিলে। কিন্তু ইতিমধ্যেই চুৰীখনৰ ধাৰাল আগটোৱে মানুহজনৰ হাতখন চুই দিলেগৈ। টোপা-টোপে পৰিব ধৰা তেজৰ কণিকাবোৰৰ সুঁতিটোৱে মানুহজনৰ হিতা-হিত জ্ঞানকণ যেন শেষ কৰি দিলে ; তেওঁ এহাতেৰে আজোৰ মাৰি চুৰিখন চাৰেংলাৰ হাতৰ পৰা কাঢ়ি আনিলে আৰু......

'আস্ !'

চাৰেংলা আকৌ মাটিত বাগৰি পৰিল। কিছুপৰ ধৰফৰাই থাকি অৱশেষত কাঠ এডালৰ দৰে চাৰেংলা নিথৰ হৈ পৰি ৰ'ল।

ৰহস্যময় আততায়ীজনে চাৰেংলাৰ শৰীৰৰ কাপোৰখিনি ফালি আজুৰি চিৰাচিৰ কৰি কিবা যেন বিচাৰিলে। অন্ধকাৰত একোকে মণিব নোৱাৰিলে মানুহজনে। অলপপৰ

তেনেকৈয়ে থাকি মানুহজন বহাৰ পৰা উঠি অৰণ্যৰ মাজেৰে আগবাঢ়িল। চাৰেংলালৈ তেওঁ আৰু উভতি নাচালে। যিমান পাৰে বেগাই খোজ দি গাওঁখন পাই মানুহ জনে খোজৰ গতি কমালে। এইবাৰ সন্তৰ্পণে ভৰি টিপি টিপি মানুহজন বাহঁৰ সৰু সৰু চাংঘৰবোৰৰ আঁৰে আঁৰে আগবাঢ়ি গৈ এঠাইত ৰৈ দিলে। চাৰিওফালে চাই মানুহজন চাংঘৰটোলৈ উঠি গ'ল।

মানুহজনৰ ভৰিৰ হেঁচাত বাহঁৰ চাঙখন কেৰ্‌মেৰ্ কৰি উঠিল।

আঁতৰত ক'ৰবাৰ কুকুৰ এটাই ভুকিলে।

'কোন?' ভিতৰৰ পৰা কাৰোবাৰ চেপা কণ্ঠস্বৰ ভাঁহি আহিল।

'মই, পাংলি।' ক'লে মানুহজনে।

'সোমাই আহ।'

পাংলি নামৰ মানুহজন বাহৰ দৰ্জাখন খুলি ভিতৰলৈ সোমাই গ'ল। ভিতৰত চাঙৰ ওপৰত দুজন মানুহ বহি আছিল। মাজত সৰু চাকি এটা। তেওঁলোকৰ সন্মুখত বাহৰ চুঙা দুটা; ওচৰত কলপাত এডোখৰত গাহৰিৰ পোৰা মাংস।

পাংলি তেওঁলোকৰ ওচৰত বহিলগৈ।

'চাৰেংলাক পালি?' চাপৰ গাঠলু কিন্তু মঙহাল মানুহ এজনে সুধিলে।

পাংলিয়ে মূৰ জোকাৰিলে।

'তেন্তে—'

'তাইক কেম্প পোৱাৰ আগেয়ে ধৰিব নোৱাৰিলো। উভতি আহোঁতেহে লগ পালো। তেতিয়া উপাই নাপাই —'

'বুজিলো।' চাপৰ গাঠলু মানুহজনে এইবাৰ অইন জনলৈ চালে। মানুহজন চাপৰ কিন্তু ক্ষীণকায়। চকুহাল সৰু, মংগোলীয় ঠাচৰ। তেওঁ পাংলিলৈ চালে। পাংলিয়ে তলমূৰ কৰিলে। তেওঁ এইবাৰ শকত মানুহজনলৈ চালে।

'কি হ'ল লুঙ?' সুধিলে চাপৰ আৰু গাঠলু মানুহজনে।

'ভাবিছো কথাটো ঠিক হ'ল নে নাই।'

'মোৰ উপায় নাছিল।' পাংলিয়ে মাত লগালে।

'বুজিছো, তোমাৰ উপায় নাছিল। কিন্তু তুমি সাৱধান হ'ব পাৰিলাহেঁতেন। মাত্ৰ এটা ভুলেই গোটেই আঁচনিখনকে ধ্বংস কৰি দিব পাৰে। বাৰু, চাৰেংলা কেম্পটোত

কিমানপৰ আছিল ?'

'হ'ব পাঁচ মিনিটমান।'

'তাইৰ ওচৰত কাগজপাতি কিবা পাইছিলা ?'

পাংলিয়ে মূৰ জোকাৰিলে।

লুঙে শকত গাঠলু মানুহজনলৈ চালে। সৰু সৰু মংগোলীয় চকুদুটাৰে কিবা যেন ইংগিত দিলে তেওঁ। লুঙৰ চকুৱে-মুখে চিন্তাৰ ৰেখা ফুটি উঠিছিল। বাৰে বাৰে মনত পেলাইছিল, কালি ৰাতিৰ ঘটনাটোলৈ। নিয়ামচাকু নদীৰ পাৰে পাৰে অহা লুঙ-লুঙীয়া বাটটোৰে আহি আছিল তেওঁ ; গাওঁখনৰ ওচৰ পাওঁতে ভাব হ'ল কোনোবা এটা যেন পিছে পিছে আহি আছে। চকখাই ঘূৰি চাওঁতে চকামকাকৈ কোনোবা এজনী গভীৰ অৰণ্যৰ ভিতৰলৈ সোমাই যোৱা যেন লাগিছিল। পিছত তেওঁ আকৌ এবাৰ দেখা পাইছিল , চাৰেংলাহঁতৰ চাংঘৰৰ পৰা কোনোবা এটাই যেন তেওঁলৈ লক্ষ্য কৰি আছে। কথাটো তেওঁ পাংলি আৰু পাদমকো কৈছিল। পাংলিয়ে খবৰ দিছিল , চাৰেংলাৰ ঘৰত সেই সময়ত হেনো অইন কোনো নাছিল। আছিল অকল চাৰেংলা।

লুঙ চিন্তিত হৈছিল। কিবা লিখিবলৈ পকেটত হাত ভৰাওঁতে গম পাইছিল, তেওঁৰ মূল্যবান কাগজ এখন নাই। কাগজখনত চীনাভাষাৰ লিপিত সিহঁতৰ কাৰ্য্যপন্থা লিখা আছিল। যদি কাগজখন কোনোবা চীনাভাষাৰ জ্ঞান থকা মানুহৰ হাতত পৰেগৈ অথবা...........।

'পাংলি !'

পাংলিয়ে মূৰ তুলি লুঙলৈ চালে।

'তোমাৰ আৰু এটা কাম বঢ়িল।'

'কি কাম ?' পাংলিয়ে সুধিলে।

তেনেতে বাহিৰত এজুম মানুহৰ উচ্চস্বৰত কথা কোৱা শুনি পাংলি বাহিৰলৈ যাব ওলাইছিল। লুঙে ফুচ্ ফুচাই ক'লে, 'পাংলি নালাগে যাব। পাদম তুমিয়ে যোৱা।'

পাদম নামৰ চাপৰ , শকত মানুহজন উঠি গৈ বাহিৰ পালে। আঁতৰৰ অন্ধকাৰত এজুম ডেকা ল'ৰা দেখি তেওঁ চাঙৰ ওপৰত থাকিয়েই মাত লগালে, 'কি হল তহঁতৰ ?'

'চাৰেংলা হেনো ঘৰত নাই। মাকে খবৰ দিয়াত আমি তাইকে বিচাৰি ওলাই আহিছোঁ। তুমি তাইক দেখিছিলা নেকি ?'

সুধিলে ডেকা এটাই।

৩

অনন্তই দূৰৈৰ অন্ধকাৰৰ বুকুলৈ চাই পঠিয়ালে।

কেইটামান ৰঙা বিন্দু।

কঁপিছে।

ঘনাই-ঘনাই লৰচৰ কৰিছে।

অনন্তৰ মনৰ খুদুৰনি বাঢ়ি গ'ল। সি আকৌ এবাৰ চাই পঠিয়ালে। তাৰ ঘড়ীত এতিয়া নিশা এক বাজিছে। এই অসময়ত অৰণ্যৰ বুকুত কোনে জোৰ জ্বলাইছে ভাবি ওৰ নাপালে অনন্তই। অনন্ত কিবা এসোপা ভাৱত বিভোৰ হৈ পৰিছিল। কোন পলকত যে ইউচুফ আহি তাৰ কাষত থিয় হ'লহি অনন্তই গম নাপালে। ইউচুফৰ মাতত সম্বিত ঘূৰাই পাই আঙুলিয়াই দেখুৱালে পোহৰৰ বিন্দু কেইটালৈ। ইউচুফে এপলক চাই মাথো ক'লে, ' দেখিছো।'

' এসোপা মানুহে কিবা এটা বিছৰা যেন লাগিছে।'

ইউচুফে একো নক'লে। তাৰ ভাৱ হ'ল এটা পোহৰৰ বিন্দু যেন আহি আছে। সি নীৰৱে ক্ষণ গণি ৰ'ল। অনন্তয়ো চলমান পোহৰৰো বিন্দুটো দেখা পাইছিল। সিয়ো চাই ৰ'ল।

কেইমিনিটমান পিছতে জোৰ এপাত হাতত লৈ ডেকা এটা সিহঁতৰ ওচৰ পালে।

' কি হ'ল দুকপেন ?'

' চাৰেংলা ঘৰত নাই। আপোনালোকৰ ইয়ালৈ আহিছিল নেকি ?'

অনন্তই কিবা এষাৰ ক'ব ওলাইছিল ; তাৰ আগেয়ে ইউচুফে গহীনাই ক'লে, ' নাই অহা।'

' তেন্তে অইনত বিচাৰিব লাগিব।'

দুকপেন যাব ওলাল। ইউচুফে এইবাৰ অনন্তৰ অবাক মুখখনলৈ চাই অইনবাৰ দুকপেনলৈ চাই ক'লে , ' ৰ'বা , ময়ো গৈছো।'

অনন্তই বাধা দিব ওলাইছিল , ইউচুফে নুশুনিলে। ইউচুফে অনন্তক বিস্ময়ত হতবাক কৰি দুকপেনৰ লগত টিলাটোৰ পৰা নামি গ'ল। ইউচুফে দুকপেনৰ পৰা ঘটনাৰ আতিগুৰি লৈছিল। দুকপেনৰ মুখৰ কথাখিনি মনতে এবাৰ ফঁহিয়াই চালে সি। কথাবোৰ বৰ বিসংগতিপূৰ্ণ যেন লাগিল ইউচুফৰ।

চাৰেংলা সাজ লগাৰ আগেয়ে ঘৰৰ পৰা ওলাই গৈছিল। যাওঁতে মাকক কৈ গৈছিল নিশা তাই বান্ধবী উনিছাহঁতৰ ঘৰত ভাত খাই আহিব। কিন্তু বহু দেৰীলৈকে চাৰেংলা উভতি নহাত বিধবা মাকৰ চিন্তা হ'ল। তেওঁ ওচৰৰ দুকপেনহঁতক মাতি কথাষাৰ ক'লে। দুকপেনহঁতে উনিছাহঁতৰ ঘৰলৈ গ'ল। কিন্তু গৈ গম পালে , ঘৰত উনিছা নাই, অকল উনিছাৰ সৰু ভায়েকটোহে আছে। সি ক'লে , চাৰেংলা সাজ লগাৰ পিছত আহিছিল হয়, কিন্তু এঘাৰটামান বজাতে ওলাই গৈছিল।

ইউচুফে মনতে কিবা-কিবিবোৰ ভাবি অন্যমনস্ক হৈ পৰিছিল।

হঠাতে ওচৰত কিছুমান মানুহৰ উত্তেজিত কণ্ঠস্বৰ শুনি ইউচুফ সমুখলৈ চাই পঠিয়ালে। অনতিদূৰৈত গছকেইজোপামানৰ আঁৰত হাতত জোৰ লৈ মানুহকেইজনমান ঠিয় হৈ থকা দেখি দুকপেন কিঞ্চিত চঞ্চল হ'ল। উকি এটা মাৰি সি খৰখোজেৰে আগুৱাই গ'ল। ইউচুফেও তাক অনুসৰণ কৰি খন্তেক পিছতে সেইখিনি পালে।

ইউচুফৰ তেতিয়াই সৰ্ব্বশৰীৰ জিকাৰখাই উঠিল। কি দেখিছে সি ! মাত্ৰ এঘণ্টাৰ আগেয়ে চাৰেংলাক সি সশৰীৰে দেখিছিল। কিন্তু এতিয়া চাৰেংলাৰ উলংগ ৰক্তাক্ত দেহটোলৈ এখন্তেক চাইয়ে ইউচুফ চমকি উঠিল।

চাৰেংলাৰ কঁকালত মিহি ক'লা সূতা এডাল মেৰিওৱা আছে। সূতাডালত সৰু কাগজ এখিলাৰ কোণ এটা বন্ধা আছে।

ইউচুফে মানুহকেইজনলৈ চালে।

দুৰ্বোধ্যভাষাত তেওঁলোকে কথা পাতিব ধৰিছে, ইউচুফে বুজি নাপালে।

ইউচুফে চাৰেংলাৰ মৃতদেহৰ ওচৰত হালি বহি ল'লে। সন্তৰ্পণে ইউচুফে চকুৰ টিপতে কাগজছটা সুতাডালৰ পৰা এৰুৱাই আনি পকেটত ভৰালে। তাৰপিছত সি চুৰীখন চালে। চুৰীখনৰ নালটোত তেজৰ চেকুৰা লাগি আছে।

ইউচুফ উঠি বহিল।

ইতিমধ্যে মানুহকেইজনে চাঙ এখন সাজি চাৰেংলাৰ শটো লৈ যাবলৈ যো-জা কৰিছিল। ইউচুফ আৰু তাত নৰ'ল। সি পকেটৰ পৰা টৰ্চটো উলিয়াই জ্বলাই লৈ আগবাঢ়িল। ইউচুফৰ চকুত পৰিছিল লুঙ-লুঙীয়া বাটটোৰ মাজে মাজে পৰি থকা তেজৰ কণিকাবোৰ। তাৰ মানে আততায়ী আহত হৈছিল। কিন্তু কেনেকৈ !! আৰু চাৰেংলা, তাইক বাৰু কিয় মাৰিলে ?

গাওঁখনৰ ওচৰ পাই ইউচুফ থমকি ৰ'ল। এবাৰ সি পিছুৱাই চালে। দূৰৈত দুকপেনহঁতে চাৰেংলাৰ শটো চাঙীত লৈ আহি আছে। সিহঁত হয়তো প্ৰথমে চাৰেংলাহঁতৰ

ঘৰলৈকে যাব। ইউচুফে অনুমান কৰিলে, এই সকৰুণ মূহুৰ্ত্তত চাৰেংলাহঁতৰ ঘৰত সি কোনো প্ৰশ্নৰ সদুত্তৰ নাপাব। ইউচুফে এইবাৰ উনিছাহঁতৰ ঘৰলৈ আগুৱাই গ'ল। উনিছাহঁতৰ চাঙঘৰটো দীঘল, ওখ। ইউচুফৰ নিস্তব্ধ চাঙঘৰটোলৈ উঠি যাওঁতে ভাৱ হ'ল তাৰ পিঠিত যেন পোহৰ পৰিছে! ইউচুফে ততালিকে মূৰটো ঘুৰাই দিছিল। কিন্তু একো দেখা নাপালে সি।

'কোন?'

উনিছাৰ সৰু ভায়েকৰ কণ্ঠস্বৰ ইউচুফৰ কাণত পৰিল।

ইউচুফে সহাঁৰি দিলে।

'সোমাই আহ।'

ইউচুফ ভিতৰলৈ সোমাই গ'ল। সি দেখিলে জুইশালৰ ওচৰত উনিছাৰ সৰু ভায়েকটো আপোনমনে বহি আছে। ইউচুফ তাৰ ওচৰত বহাৰ লগে লগে সি সৰু সৰুকৈ সুধিলে, 'চাৰেংলাক পালে নে?'

ইউচুফে মূৰ জোকাৰিলে। আচল কথাটো দহবছৰীয়া ল'ৰাটোক ক'বলৈ তাৰ সত নগ'ল।

'ঘৰত কোনো নাই?'

'নাই। থিনজেনামলৈ গৈছে।'

'চাৰেংলা হেনো তোৰ ওচৰলৈ আহিছিল, হয়নে?'

মূৰটো দুপিয়াই ল'ৰাটো উঠি গ'ল। আলু কেইটামান আনি জুইত পেলাই দি সি ইউচুফৰ ওচৰত বহি লৈ ক'লে, 'গধূলিতে চাৰেংলা আহি কৈছিল তাই হেনো আজি মোৰ লগতে থাকিব। মই বেয়া নাপালো। তাই নিজে আলু আৰু গাহৰিৰ মাংস পুৰিলে, আমি দুয়োটাই খালো। তাই বেৰৰ দাঁতিৰ বিছনাখনতে শুলে। মই তাইক উনিছাৰ ভাল বিছনাখনতে শুব কৈছিলো। তাই নুশুনিলে। তাই মোক শুই থাকিব কৈ বেৰৰ ফুটাৰে বাহিৰলৈ চই ৰ'ল।'

'তাৰপিছত?'

'মই টোপনি গৈছিলো। হঠাতে খুব ওচৰতে কুকুৰ এটাই ভুকিব ধৰা দেখি সাৰপাই দেখিলো চাৰেংলা নাই। তাৰ অলপ পৰৰ পিছতে দুকপেনহঁত আহি ক'লে যে —'

'অ।'

উনিছাৰ ভায়েকে আলুটোৰ বাকলি গুচাব ধৰিলে। ইউচুফ বহাৰ পৰা উঠি

ঠিয় হ'ল। তাৰ সমুখত বিছনা এখন বেৰৰ দাঁতিতে আছে। ইউচুফে বিছনাখনৰ ওচৰ চাপি গ'ল। কাপোৰবোৰ সোতমোত খাই আছে। দীঘলচুলি এডালো ইউচুফৰ চকুত পৰিল। ইউচুফে আলফুলে চুলিডাল এবাৰ চুই চালে।

হঠাতে ইউচুফ যেন অন্য ব্যক্তিলৈ ৰূপান্তৰিত হ'ল। সি উনিছাৰ ভায়েকে কোৱা মতে চাৰেংলাই চোৰা বাঁহৰবেৰৰ ফুটাটোৰে বাহিৰলৈ চাই পঠিয়ালে। অন্ধকাৰ বাহিৰখনত ইউচুফে চাঙঘৰ এটাহে দেখা পালে। ফুটাটোৰে চাঙঘৰটোৰ সমুখভাগ সম্পূৰ্ণৰূপে চকুত পৰে।

চাৰেংলাই বাৰু ফুটাটোৰে কি চাইছিল?

ইউচুফ উঠি আহিল।

'সেই সমুখৰ ঘৰটো কাৰ অ?'

'পাদমৰ। গাধ, ঘোঁৰা, খচ্চৰৰ কাৰবাৰ কৰে।'

'অ।'

তেনেতে বাহিৰত কুকুৰ এটাই ভুকিব ধৰিলে। ইউচুফ সাউতকৰে বাহিৰ পালেগৈ। সমুখৰ ঘৰটোৰ পৰা কোনোবা এটা যেন ওলাই অন্ধকাৰত মিলি গ'ল। ইউচুফে টৰ্চটো জ্বলাই চালে। একো নেদেখিলে সি। এইবাৰ সি উনিছাৰ ভায়েকক মাতযাৰ লগাই চাংঘৰটোৰ পৰা নামি আহিল।

'কোনহে সেইজন?'

সমুখৰ চাংঘৰটোৰ পৰা কাৰোবাৰ মাত শুনি ইউচুফ থমকি ৰ'ল। সি আকৌ টৰ্চটো জ্বলাই চাংঘৰটোলৈ চালে। এজন চাপৰ, শকত মানুহ চাংঘৰটোৰ সন্মুখৰ মুকলি ঠাইখিনিত ঠিয় হৈ আছে।

হয়তো এইজনেই পাদম।

ইউচুফে নিজৰ চিনাকীটো দিলে।

পাদম নামি আহি ইউচুফৰ ওচৰত ৰ'লহি। ফুচ্‌ফুচাই সুধিলে 'চাৰেংলা বোলে হেৰাল?'

ইউচুফে একো নক'লে।

'পালে জানো?'

'পালে।'

'জীয়াই নে?'

'জীয়াই আছে হবলা।'

ইউচুফে কথাখিনি কৈ পাদমলৈ চালে। মানুহজনৰ সৰু চকুহাল যেন তিৰ্‌বিৰাই উঠিছে।

'মই এবাৰ খবৰ লৈ আহো।' কথাখিনি একে উশাহেৰে কৈ পাদম বেগাই খোজ দি আগবাঢ়ি গ'ল।

৪

অন্ধকাৰত ডুবগৈ আছে কেম্পলৈ যোৱা লুঙলুঙীয়া বাটতো। দুয়োফালে ওখ-ওখ চিৰ সেউজ গছবিৰিখৰ শাৰীবোৰ। মাজে মাজে জোপোহা বন। গছবোৰৰ ছাঁবোৰে অন্ধকাৰ আৰু তীব্ৰতৰ কৰি তুলিছে। সেই অন্ধকাৰক ইউচুফৰ চাৰি বেটাৰীৰ টৰ্ছটোৰ পোহৰকণে সেও মনাব পৰা নাই। টৰ্চটোৰ বেটাৰীৰ চাৰ্জো কমি আহিছে আৰু পোহৰ ধিমিক ধামাক হৈছে।

ইউচুফে খোজৰ গতি বঢ়ালে।

হঠাৎ.......।

চোঁ-কৰি কিবা এডাল ইউচুফৰ কাণৰ কাষেদি পাৰহৈ গ'ল। ইউচুফে উচ্‌প খালে। সি বুজি পালে যে কোনোবাই আঁতৰৰ পৰা তাৰ গালৈ কাড় মাৰিছে।

ইউচুফে ততালিকে টৰ্চটো নুমুৱাই দিলে। সি গছ এজোপাৰ আঁৰত লুকালগৈ। সেই মুহূৰ্তত আৰু এডাল কাড় আহি ইউচুফৰ পৰা দুহাতমান আঁতৰত গছ এডালত বিন্ধিলেগৈ। ইউচুফে কাঁড়ডাল অহা দিশলৈ চাই পঠিয়ালে। কিছু দূৰৈৰ অন্ধকাৰখিনি যেন চঞ্চল হৈ উঠিছে। ইউচুফে লগে লগে টৰ্চটো জ্বলাই পোহৰ সেই দিশলৈ পোণালে। ওখ, হটঙা অবয়ব এটা ছকামকাকৈ ইউচুফৰ চকুত পৰিল। কিন্তু পিছমুহূৰ্ত্ততে নাইকিয়া হৈ গ'ল। ইউচুফে ততালিকে টৰ্চটো নুমাই গছডালৰ পৰা আঁতৰি আহি আন এডাল ডাঙৰ গছৰ আঁৰত লুকাল।

কিন্তু!

'আস্ ।'

ইউচুফৰ মুখৰ পৰা চেপা আৰ্তনাদ এটা ওলাল।

সি হালি লৈ বাওঁভৰিৰ কঁলাফুলটো চুই চালে। কাঁড় এডালৰ আগডোখৰে ক'লাফুলটো চুই গৈছে। ক'লাফুলটো ফাটি দুডোখৰ হোৱা যেন ইউচুফৰ অনুভৱ হ'ল। সি হাতেৰে ক্ষতস্থানটো চুই চলে। তেতিয়াই ইউচুফৰ ভাব হ'ল তাৰ হাতত টৰ্চটো নাই।

ইউচুফে চাৰিওফালে চকু ফুৰালে। কিন্তু টৰ্চটো তাৰ চকুত নপৰিল। হয়তো কাঁড়ডালে আঘাত কৰাৰ যন্ত্ৰণাকাতৰ মুহূৰ্তত তাৰ হাতৰ পৰা টৰ্চটো উফৰি গ'ল। কিন্তু এই নিঃসীম অন্ধকাৰৰ বুকুত কণমানি টৰ্চটো সি কেনেকৈ বিচাৰি উলিয়াব!

আঁতৰত তলসৰা শুকান পাতবোৰৰ ওপৰত কিবা খচ্-খচাই উঠিল।

ইউচুফৰ বুকুখন দুৰু-দুৰুকৈ কঁপিব ধৰিলে।

শব্দটো ঠিক কোন ফালৰ পৰা আহিছে ইউচুফে ধৰিব নোৱাৰিলে। কিন্তু সি পলকতে বুজি পালে শব্দটো ক্ৰমে তাৰ ওচৰ চাপি আহিছে। ইউচুফৰ খহটা গালখনত ঘাম বিৰিঙি উঠিল। যি কোনো মুহূৰ্ত্তত সেই ওখ, হটঙা মানুহজনে তাক আক্ৰমণ কৰিব পাৰে। সেই ৰক্তলোলুপ মানুহটোৰ হাতত ধেনুকাঁড় এখনো আছে, কিন্তু তাৰ হাতত যে একোৱেই নাই। অকলশৰে কিমান সময়লৈ সশস্ত্ৰ মানুহটোৰ লগত যুঁজ কৰিব!

ইউচুফে থৰ হৈ খন্তেকপৰ উশাহ নসলোৱাকৈ থাকিল। শব্দটো যেন স্তব্দ হ'ল। কিন্তু....... তাৰ পিছফালে কোনে উশাহ ল'ব ধৰিছে!

ইউচুফে ততালিকে মূৰটো ঘূৰাই দিলে। তাৰ নিচেই ওচৰত ওখ, হটঙা মানুহটো ঠিয় হৈছেহি ; পিঠিত ধেনুকাঁড় এখন। মানুহটোৱে পলকতে দুয়োখন হাতেৰে ইউচুফৰ দুয়োটা বাহু এনেদৰে হেঁচি ধৰিলে যে ইউচুফ লৰচৰ কৰিব নোৱাৰা হ'ল।

দুয়োটা বাহুৰ সীমাহীন যন্ত্ৰণাই ইউচুফক কাতৰ কৰি পেলালে।

'তয়ে চাৰেংলাক মাৰিছিলি ?' ইউচুফে সুধিলে।

মানুহটোৱে মূৰ দুপিয়াই ক'লে, 'আৰু এতিয়া তোকো মাৰিম।'

মানুহটোৱে এইবাৰ দুয়োখন হাত ইউচুফৰ ডিঙিত থ'লে। আৰু কেইটামান মুহূৰ্ত মাত্ৰ। তাৰ পিছতে —

মানুহটোৰ হাতৰ পৰা বাহু দুটা মুকলি হোৱাত ইউচুফে দুয়োখন হাতেৰে মানুহটোৰ হাতদুখনৰ মুঠি দুটা চেপি ধৰিলে। কিন্তু মানুহটোৰ চেপা যেন বেছিহে হৈ আহিল। ইউচুফৰ মুখৰ পৰা অস্ফুট গেঙনি এটা বাহিৰ হ'ল। সি এইবাৰ মৰণপণ কৰি সোঁভৰিখন কোঁচাই লৈ আঠুটো সজোৰে ওপৰলৈ উঠাই আনিলে।

ইউচুফৰ সোঁভৰিৰ আঠুৰে সজোৰে মানুহজনৰ গুপ্তাঙ্গত আঘাত কৰিলে।

মুখেৰে কো শব্দ কৰি মানুহটো হালি গ'ল।

ইউচুফে ঠিক এই ক্ষণটোলৈকে বাট চাই আছিল। সি মৰণপণ কৰি লেকেচিয়াই লেকেচিয়াই প্ৰাণটাকি দৌৰিব ধৰিলে। সি পিছলৈ নাচালেও। কেম্পৰ বাৰান্দাখনৰ মজিয়াত

ধূপুচ কৰি বহিহে সি এইবাৰ পিছফালে ঘূৰি চাইছিল।

অনন্তহঁত ওলাই আহিছিল।

'ইউচুফ! কি হৈছে তোৰ!'

ইউচুফে বাওঁভৰিখনৰ ক'লাফুলটো দেখুৱালে মাথো।

ইউচুফৰ ৰক্তাক্ত ক'লাফুলটো দেখি অনন্তহঁত উচপ্ খাই উঠিছিল। সিহঁতে অকণো সময় অপব্যয় নকৰি ইউচুফক ডাং কোলাকৈ নি ভিতৰৰ কোঠাৰ বিছনাখনলৈ লৈ গ'ল। বিপুলে ক্ষতস্থানটো ধুই বেণ্ডেজ কৰি দিলে। অনন্তই ইউচুফৰ মূৰৰ শিতানত বহি মূৰটো পিটিকি দিব ধৰিছিল। লুইয়ে দৰ্জাৰ বাটামডালত আঁউজি ঠিয় হৈ ইউচুফৰ ভৰিৰ বেণ্ডেজটোলৈ চাইছিল এবাৰ। পিছমুহূৰ্তত সি চকুৰ দৃষ্টি ইউচুফৰ চকুত থলে।

'কেনেকৈ তেজ ওলাল?' সি সুধিলে।

ইউচুফে ঘটনাটো চমুকৈ বৰ্ণাই উঠি চকুহাল মুদি দিলে। কিন্তু পিছমুহূৰ্ততে অনন্তহঁতৰ এজাউৰী প্ৰশ্নই তাক থকাসৰকা কৰি দিলে। সি চমুকৈ উত্তৰবোৰ দি এটা সময়ত জেপৰ পৰা চাৰেংলাৰ দেহত পোৱা সৰু কাগজখিলা উলিয়াই অনন্তক দিলে, 'কাজগখনত চীনালিপিৰে কিবা এসোপা লিখা আছে, ধৰিব নোৱাৰি।'

কাগজখন লুই আৰু বিপুলেও চালে। সিহঁত নিৰুত্তৰ।

ইউচুফে গাৰুটোৰ ওপৰত ভেজা দি দেৱালখনত পিঠিখন থৈ এবাৰ ক্ষতস্থানৰ ওপৰত হাত বুলালে।

'বিষাইছে?'

'অলপ।' ইউচুফে ওঁঠদুখন দাঁতেৰে চেপি ধৰি যন্ত্ৰণাৰ স্বৰটো যিমান পাৰে কমাই ক'লে, 'ছিগাৰেট এটা দেচোন।'

অনন্তই পেন্টৰ পকেট খেপিয়াই চাই অৱশেষত বিপুললৈ চালে। বিপুলে ইংগিতটো বুজি পালে। সি কোঠাটোৰ পৰা ওলাই পিছফালৰ বাৰান্দাখনেদি সিটো মূৰৰ ষ্টৰ ৰুমটোলৈ আগবাঢ়িল। ষ্টৰ ৰুমৰ দৰ্জাখনৰ তলাটো খুলিব গৈ হঠাতে আঁতৰত সুতীব্ৰ শব্দ এটা হোৱাত বিপুল চক্ খাই উঠিল। সি তললৈ চালে। অন্ধকাৰ মজিয়াখনত একো দেখা নাপাই সি হতাশ হ'ল। কিন্তু সিটো স্পষ্টভাৱে শুনিছিল শব্দটো.......!

বিপুলে দৰ্জাখনৰ তলাটো খুলিব এৰি অন্ধকাৰতে স্থবিৰ হৈ ঠিয় হৈ ৰ'ল।

সি চাৰিওফালে চালে।

চতুৰ্দিশ মাথো অন্ধকাৰ।

তদুপৰি কুঁৱলীৰ আৱৰণখনো ক্ৰমে গাঢ় হৈ আহিছে। শীতৰ বতাহজাকে টিলাটোৰ গাত থকা ওখ-ওখ গছৰ পাতবোৰ লৰাইছে। এটা চিনাকী শব্দৰ লহৰে ঠাইখিনি গুম-গুমাই আছে। কিন্তু............

বিপুল চঞ্চল হৈ উঠিল। সৌ গছজোপাৰ গুৰিত সেইটো কি লৰিব ধৰিছে। ছয়ফুটমান ওখ অবয়ব এটা। অন্ধকাৰতো অৱয়বটোৰ অস্তিত্ব ধৰিব পাৰিলে বিপুলে। মুহূৰ্ততে বিপুলে বুজি পালে অলপ আগৰ শব্দটো কিহৰ! সি অকণো পলম নকৰি একে লৰে গৈ অনন্তহঁতৰ কোঠা পালে। অনন্তহঁতক সি একো নক'লে। অনন্তহঁতৰ পৰা টৰ্চটো আৰু ৰাইফলটো আজোৰমাৰি লৈ আহি টৰ্চৰ পোহৰ গছডালৰ গুৰিলৈ মাৰি পঠালে।

বিপুল নিৰাশ হ'ল। সি একো নেদেখিলে।

অনন্ত আৰু লুই বাহিৰ ওলাই আহিছিল। বিপুলে একো নকই ষ্ট'ৰ ৰুমৰ দৰ্জাখনৰ ওচৰলৈ আগবাঢ়ি গৈ টৰ্চৰ পোহৰ মজিয়াখনত পেলালে। আৰু এইবাৰ —

'এইডাল দেখোন এডাল কাঁড়।'

বিপুলৰ বুকুখনত এইবাৰ এটা কঁপনি উঠিল। সি চমুকৈ ঘটনাটো বৰ্ণালে।

'তাৰমানে ইউচুফে কোৱা ওখ মানুহটো ইয়ালৈকো আহিছিল!'

'আছেও কিজানি জঙ্গলৰ ক'ৰবাত।'

'কিন্তু এই অন্ধকাৰ অৰণ্যখনত মানুহটোক কেনেকৈ বিছাৰিবি?' অনন্তই ক'লে 'তদুপৰি আমি মুঠেই তিনিজন। ইউচুফটো অকামিলা হৈ আছে। মানুহটোক বিছাৰি গৈ যদি আৰু কোনোবা এটা অকামিলা হৈ পৰ, তেন্তে আমি আৰু দুৰ্বল হৈ যাম। তইঁতৰ জানো মনত নাই এমাহৰ আগেয়ে টাৱাঙৰ পৰাযে খবৰ আহিছিল , লাডাখত হোৱা ধৰণৰ গণ্ডগোল ইয়াতো যিকোনো মুহূৰ্তত ঘটি যাব পাৰে বুলি। তেনেকুৱা এটা কাণ্ড ঘটিলে —'

' সেইটো এটা সম্ভাৱনাহে। কিন্তু এইটোযে বৰ্তমান। চীনে লাডাখত কৰা গণ্ডগোলতকৈ এই ঘটনাটো মুঠেই মামুলি নহয়। কিজানি এই মানুহটো চীনৰ এজেণ্ট। কোনে ক'ব পাৰে!'

অনন্তই একো নক'লে।

অনন্তই গোটেই ঘটনাটো এফালৰ পৰা জুকিয়াই চালে। সি কি কৰিব এতিয়া? সিহঁতৰ এই কেম্পটোত জেষ্ঠতাৰ ফালৰ পৰা সিয়েই নায়ক। কিন্তু সি জানে জেষ্ঠতাৰ বাহিৰে তাৰ এটাও গুণ নাই। অনন্ত নীৰৱে ভিতৰলৈ খোজ ল'লে।

লুইয়ে দুখোজ আগবাঢ়ি গৈয়ো শেষত ৰৈ দি বিপুললৈ চাই সুধিলে, ' চাই '

লবি নেকি এবাৰ?'

বিপুলে মূৰ দুপিয়ালে।

'ৰহ! ৰাইফলটো লৈ আহো।'

লুইয়ে এইবাৰ অনন্তৰ পিছ ল'লে। কিন্তু —

'ইউচুফ ক'লৈ গ'ল।'

'ক'ব নোৱাৰো।'

'কিন্তু এই অৱস্থাৰে কাকো নোকোৱা নেমেলাকৈ সি ক'লৈ যাব?'

৫

অনন্তৰ মুখখন শেঁতা পৰি গৈছিল। সি তাৰ ওচৰত নিৰ্বিকাৰ ভাৱে থিয় হৈ থকা বিপুল আৰু লুইৰ চকুত চকু থৈ সিহঁতক কিবা যেন বুজাব খুজিলে, এবাৰ সি খোলা খিৰিকীখনেৰে বাহিৰলৈ চাই পঠিয়াইছিল। আকাশখনত কলীয়া ডাৱৰ কিছুমানৰ ফাঁকেদি জোনৰ পোহৰ সোমাই আহি মজিয়া চুই গৈছে। বাহিৰত দুই-এটোপাল বৰষুণো পৰিছে চাগৈ। এনেকুৱা এটা দুৰ্যোগৰ নিশাত ইউচুফ বাৰু অকলে ক'লৈ গ'ল? তদুপৰি তাৰ বাওঁভৰিৰ অৱস্থাও হ'ল সেই! হয়তো ওচৰৰ জঙ্গলখনত এতিয়াও সেই ওখ, হটঙা মানুহটো চোপ লৈ আছে। হয়তো সি ওলাই যোৱা ইউচুফক কাঁড়েৰে চিৰদিনলৈ বুলি স্তব্ধ কৰি দিলে!

বৰষুণ লাহে লাহে বেছি হৈ আহিছে।

অনন্তই ঘড়ীটো চালে। ইউচুফ নাইকিয়া হোৱা বিশমিনিট পাৰ হৈ গ'ল।

সিহঁতে টিলাটোৰ চাৰিওফালে ইউচুফক বিচাৰি নাপালে। দুই-এটোপাকৈ বৰষুণো পৰিব ধৰা দেখি সিহঁত উভতি আহিছিল। অকলে কেম্পটোকো এৰিব নোৱাৰি। অনন্তই ঠিক কৰিলে টাৱাঙৰ বেছ কেম্পলৈ কালিলৈ খবৰ পঠাব লাগিব। কিন্তু খবৰ পঠাব হ'লে সিহঁতৰ যিকোনো এজন পাহাৰ বগাই বগাই টাৱাঙলৈ যাব লাগিব। এদিন এৰাতিৰ মূৰত পাবগৈ টাৱাঙ। জিৰাই-সতাই আহোঁতে এইখিনি পাওঁতে আৰু দুদিন লাগিবগৈ আৰু সেই কেইদিনলৈ সিহঁতৰ সংখ্যা আৰু কমি যাব। অৱশ্যে কাৰোবাৰ পৰা যদি ঘোঁৰা এটা পায় তেন্তে অহা-যোৱাৰ সময় দুদিনমান কমি যাব পাৰে!

কিন্তু এই ঠাইখণ্ডত ঘোঁৰা আছে মাথোঁ এজন মানুহৰ। নাম পাদম। অনন্তই মানুহজনক চিনি নাপায়। কিন্তু চাৰেংলাৰ মুখত শুনিছিল তেওঁৰ নামটো।

'অনন্ত!'

লুইৰ মাতত অনন্তৰ তন্ময়তা ভাঙি গ'ল। সি লুইলৈ চাই সুধিলে, 'কি?'

'বৰষুণ এতিয়া কমি আহিব ধৰিছে। মোৰ বোধেৰে ইউচুফক বিছাৰি যোৱাটোৱেই ভাল হ'ব।'

অনন্তই একো নক'লে। কান্ধত ৰাইফলটো ওলোমাই হাতত টৰ্চ এটা লৈ সি লাহে-লাহে খোজ দি বাহিৰলৈ ওলাই আহিল। সি ওলাই অহা দেখি লুই আৰু বিপুলেও তাৰ পিছ ল'লে। কিন্তু অনন্তই সিহঁতক বাৰান্দাখনতে ৰ'ব কৈ নিজে আগবাঢ়ি গ'ল। টিলাটো অন্ধকাৰত ডুব গৈ আছে। টিলাটোৰ তললৈ নামি যোৱা কেঁচামাটিৰ পথটোৰ মুখত ৰৈ অনন্তই ভাবি চালে। টিলাটোৰ অইনবোৰ দিশৰ ঢালবোৰ বেছি ঠিয়। এজন সুস্থ মানুহে তেনেকুৱা ঢালেদি নামি যাব হ'লে ৰছী এডালৰ সহায় ল'ব লাগিব। তেনেস্থলত অসুস্থ ইউচুফে এই কেঁচামাটিৰ পথটোৱেদিয়েই নামি যাব লাগিব। তথাপিও সি কিমানদূৰ যাব পাৰিব! আৰু কিয় ...............

নিজৰ অলক্ষিতেই অনন্ত ধীৰে ধীৰে তললৈ নামি গৈছিল। মাজে মাজে সি টৰ্চৰ পোহৰ চাৰিওফালে পেলাইছিল। একো নাই। নিস্তব্ধ বননিখন।

হঠাতে টিলাটোৰ ওপৰত ৰাইফলৰ গুলীৰ শব্দ শুনি অনন্ত সচকিত হৈ উঠিল। মূহুৰ্ততে সি দৌৰি টিলাটোলৈ উঠি আহিল।

বাৰান্দাখনত কোনো নাই, শূণ্য।

'লুই।' অনন্তই মাতিলে।

এটা চেকেণ্ড ৰৈ অনন্তই আকৌ মাত লগালে। এইবাৰ প্ৰত্যুত্তৰ নাপাই অনন্তৰ উৎকণ্ঠা বাঢ়ি গ'ল। সি ভিতৰৰ কোঠা তিনিটা চাই আহিল। তাতো লুই আৰু বিপুলক নেদেখি অনন্তৰ মনত দুঃশ্চিন্তাই বাহ ল'লে। তেন্তে....... সি শুনা গুলীৰ শব্দ......

কোনোবা এটা অন্ধকাৰত ফোঁপাই-জোঁপাই আহি থকা দেখি অনন্তই টৰ্চটোৰ পোহৰ অন্ধকাৰৰ বুকুলৈ মাৰি পঠিয়ালে।

'ইউচুফ তই!'

'গুলীৰ শব্দ শুনিছিলো। কি হ'ল?'

'ময়ো শুনিছিলো। কিন্তু—'

অনন্তই আৰু একো ক'ব নোৱাৰিলে। সি ভাবি ওৰ নাপালে হঠাতে কৰ পৰা ইউচুফ ফোঁপাই-জোঁপাই আহি ওলাল! তাৰ ক্ষতস্থানৰ বগা বেণ্ডেজৰ ওপৰখন ৰঙা পৰি

গৈছিল। তেজ ওলোৱা বন্ধ হোৱা নাই কিজানি। এই অৱস্থাৰে সি বাৰু ক'লৈ গৈছিল অনন্তই ভাবিও সমিধান নাপালে।

ইউচুফ লেকেচিয়াই লেকেচিয়াই আহি বাৰান্দাখনত থকা কাঠৰ বেঞ্চখনত বহি ল'লে। অনন্তই ঘড়ীটো চালে। নিশা এতিয়া তিনিটা বাজিছে। দুঘণ্টাৰ পিছত ৰাতি পুৱাব। অনন্তই ৰুমাল এখনেৰে মুখৰ ঘামখিনি মুচি আঁৰ চকুৰে ইউচুফলৈ এবাৰ চালে। অনন্তৰ ভাৱ হ'ল ইউচুফে যেন ফ্লেগপ'ষ্টডালৰ পোনে পোনে টিলাটোৰ উত্তৰ দিশলৈ চাই আছে। অনন্তয়ো সেইফালে চালে। তাৰ টৰ্চৰ পোহৰ ঠাইখণ্ডত ৰৈ গ'ল।

হঠাতে ইউচুফ ঠিয় হোৱা দেখি অনন্তই মাত লগালে, ' কি হ'ল তোৰ?'

' ব'লচোন তালৈ।'

' কিন্তু এই অৱস্থাত তই কেনেকৈ যাবি?'

' একো নহয় দে।'

ইউচুফ আৰু অনন্ত এক মিনিটমান পিছতে ঠাইখিনি পালে। অনন্তৰ টৰ্চৰ পোহৰত জিলিকি উঠিল পাহাৰী লতা এডাল, লতাডাল গছ এজোপাৰ গা-গছত আটিলকৈ বন্ধা আছে। লতাডালৰ ইটোমূৰ টিলাটোৰ ঠিয় ঢালেৰে তললৈ নামি গৈছে। সিহঁতৰ বুজিবলৈ বাকী নৰ'ল, কোনোবাই এই লতাডালৰ সহায়ত তললৈ নামি গৈছে অথবা উঠি আহিছে।

অনন্তই টৰ্চটোৰ পোহৰ তললৈ মাৰি পঠিয়াইছিল। কিন্তু জোপোহা গছবোৰৰ কাৰণে সি একো ধৰিব নোৱাৰিলে। সি হতাশ হ'ল। সি ইউচুফলৈ চালে।

' সি এইফালেদি পলাল।' ক'লে ইউচুফে।

' কোন?'

' মোক মাৰিব খোজা মানুহটো।' ইউচুফে আৰু এখোজ আগবাঢ়ি গৈ লতাডাল চুই চাই ক'লে, ' সাৱধান অনন্ত! কোনোবা এটা উঠি আহিছে।'

অনন্তৰ উৎকণ্ঠা আকৌ বাঢ়ি গ'ল। ৰাইফলটো সি কেম্পতে থৈ আহিছিল। হাতত থকা অকল টৰ্চটোৰে সি কি কৰিব?

ইউচুফে লতাডাল বান্ধি থোৱা গছডালৰ আঁৰত লুকালগৈ।

অনন্ত সেইখিনিলৈকে গৈ ইউচুফৰ ওচৰত ঠিয় হ'ল।

' ৰাইফলটো অনা নাই তই?'

' নাই অনা।' অনন্তই কোনো ৰকমে ক'লে।

তেন্তে............!'

ইউচুফৰ প্ৰচণ্ড খঙ উঠি গ'ল। তাৰ পকেটত থকা সৰু ডেগাৰখনেৰেই এতিয়া কাম চলাব লাগিব। কিন্তু সি যদি প্ৰথম আক্ৰমণতেই ব্যৰ্থ হয়, তেন্তে দুনাই আৰু এটা সুযোগ নোলাব। হয়তো সিয়ে ধৰাশায়ী হ'ব।

'তই কেম্পলৈ গৈ এতিয়াই ৰাইফলটো লৈ আন। চাবি আধা মিনিটৰ ভিতৰতে তই এইখিনি পাব লাগিব।'

অনন্ত গ'ল।

ইউচুফে লতাডাল আকৌ চুই চালে।

মাজে-মাজে লতাডাল তলৰ পৰা কোনোবাই টানি আছে।

তেতিয়াই কঁপি উঠে লতাডাল। ইউচুফৰ ভাব হ'ল ওপৰলৈ উঠি অহা মানুহজন হয়তো আৰু দহ হাতমান তলত আছে। এতিয়া যদি তাৰ হাতত টৰ্চ এটা থাকিলহেঁতেন.......! কিন্তু টৰ্চটোওযে অনন্তই লৈ গ'ল!

ইউচুফে গছডালৰ আঁৰলৈ গৈ তললৈ চাই পঠিয়ালে।

অন্ধকাৰত কাৰোবাৰ মূৰ এটা অস্পষ্টভাৱে ইউচুফৰ চকুত পৰিল। পিছমুহূৰ্তত ডিঙিতো.............. আৰু তাৰ পিছমুহূৰ্তত পূৰ্ণাঙ্গ অবয়ব এটা ইউচুফৰ চকুত পৰিল।

মানুহজন ওপৰলৈ উঠি আহি দীঘলকৈ উশাহ ল'লে। ভাগৰত পৰা মানুহজন খন্তেকপৰ অন্যমনস্ক হৈ পৰিছিল।

ইউচুফৰ কাৰণে এইটোৱেই সুবৰ্ণ সুযোগ। সি মৰণত শৰণ দি পিছফালৰ পৰা মানুহজনক গবা মাৰি ধৰি সোঁহাতৰ মুঠিত থকা ডেগাৰখন মানুহজনৰ কান্ধলৈ চপাই নিলে।

মানুহজনে যন্ত্ৰণাত চিঞৰি দিছিল।

সেই মুহূৰ্ততে অনন্তৰ টৰ্চৰ পোহৰ মানুহজনৰ গাত পৰিছিল। লগে লগে ইউচুফ চমকি উঠিল। অনন্ত দৌৰি আহি ইউচুফৰ গাটো জোকাৰি দি আতংকত চিঞৰি দিলে; 'ইউচুফ! লুইক তেনেকৈ ধৰি আছ কিয়?'

ইউচুফ স্থবিৰ হৈ বৈ গ'ল। সি মুখেৰে একো মাতিব নোৱাৰিলে।

ইউচুফৰ হাতৰ পৰা মুক্তি পাই লুই মাটিতে বহি পৰিল। তাৰ বাউসীৰ পৰা তেজৰ কণিকা টোপা-টোপে পৰিছিল। ঠিক তেতিয়াই বিপুল লতাডালেদি বগাই ওপৰলৈ উঠি আহি দৃশ্যটো দেখিয়েই বুজি পালে যে ঘটনা গুৰুতৰ। সি অনন্তৰ সহায়ত লুইক কেম্পলৈ লৈ গ'ল।

ইউচুফ সিহঁত যোৱালৈ কিছুপৰ চাই অৱশেষত হুমুনিয়াহ এটা পেলাই আকৌ লেকেচিয়াই লেকেচিয়াই আগবাঢ়িল। তাক দৰ্জাৰ মুখত দেখি বিপুল আৰু অনন্তই এবাৰ মূৰ তুলি চাইছিল। কিন্তু পিছমুহূৰ্ততে সিহঁতে দৃষ্টি ঘূৰাই আনিলে। ইউচুফে নীৰৱে গৈ ইখন বিছনাত বহিল। অনন্ত আৰু বিপুলে লুইৰ ক্ষতস্থানত বেণ্ডেজ বান্ধি দিছিল। ইউচুফে উপলব্ধি কৰিব পাৰিছিল লুইৰ যন্ত্ৰণাৰ কথা। লুইৰ এই যন্ত্ৰণাৰ বাবেতো সিয়েই দায়ী। কিন্তু ইউচুফে ভাবি ওৰ নাপালে লুই আৰু বিপুল লতাবগাই ক'লৈ গৈছিল! আৰু সি?

সি অনন্ত, বিপুল আৰু লুই ওলাই যোৱাৰ পিছত বিছনাখনত শুই আছিল। সি গম পাইছিল আগফালৰ পৰা কোনোবাই টৰ্চৰ পোহৰ ভিতৰলৈ মাৰি পঠিয়াইছে। ইউচুফে বিছনাখত খেপিয়াই চাই সৰু ডেগাৰ এখন পাই সেইখনকে সাৰথি কৰি আগফাললৈ ওলাই গৈছিল। সি চকামকাকৈ ওখ মানুহ এটা তললৈ নামি যোৱা কেঁচা মাটিৰ পথটোৰ মুখতে দেখা পাইছিল। সিয়ো তললৈ নামি গৈছিল। কিমানদূৰ গৈছিল সি ক'ব নোৱাৰে। কিন্তু গুলীৰ শব্দ শুনিয়ে সি উভতি আহিছিল। হয়তো লুই আৰু বিপুলেই গুলীয়াইছিল সেই ওখ মানুহটোক দেখি।

লুইয়ে চকুহাল মেলি চাৰিওফালে এবাৰ চকু ফুৰালে।

'বিশ্বাস কৰ লুই। মই সপোনতো ভাবিব পৰা নাছিলো তইযে তেনেকৈ উঠি আহিবি।'

লুইয়ে একো নক'লে। সি আকৌ চকুহাল মুদি দিলে।

৬

ৰাতিপুৱাৰ মিঠা ৰ'দজাকৰ পৰশত দুকপেনৰ টোপনি ভাঙি গ'ল। সি খৰধৰকৈ বিছনাৰ পৰা উঠি কিবা অলপ খাইয়ে চাৰেংলাহঁতৰ ঘৰ পালেগৈ। চাৰেংলাৰ বুঢ়ী মাকক বেঢ়ি লৈ বুঢ়ী কেইজনীমানে আমনজিমনকৈ বহি থকা দেখি সি আৰু তাত নৰ'ল। এইবাৰ সি উনিছাহঁতৰ ঘৰ পালেগৈ। কিন্তু উনিছাহঁত তেতিয়ালৈকে থিনজেমানৰ পৰা উলটি আহি নোপোৱা দেখি দুকপেন নিৰাশ হ'ল। চাংঘৰৰ খটখটি ডালেদি সি সাৱধানে নামি আহিল।

কাষৰ ঘৰটোৰ পৰা কোনোবা এটা সাউতকৰে ওলাই অহা দেখি দুকপেন সচকিত হৈ উঠিল। মূৰ তুলি চাওঁতে হাতৰ বাউসীত বেণ্ডেজ এটা লৈ কাষৰ গাওঁখনৰ পাংলিক ওলাই অহা দেখি দুকপেনৰ সৰ্বশৰীৰ কঁপি উঠিল।

এটা অনামী সন্দেহৰ উকমুকনিত দুকপেনে খুটা এডালৰ আঁৰত গাটো লুকুৱাই পেলালে।

পাংলিয়ে চাৰিওফালে চালে এবাৰ। খন্তেকৰ কাৰণে তাৰ চিকাৰী চকুহাল উনিছাইঁতৰ ঘৰত বৈ গৈছিল। পিছমুহূৰ্ততে সি কোবা-কুবিকৈ খোজ পেলালে।

দুকপেন খুটাডালৰ আঁৰৰ পৰা ওলাই আহিল। সি দেখিলে পাংলি খৰখোজেৰে গাওঁখনৰ পৰা বাহিৰলৈ ওলাই যোৱা লুঙলুঙীয়া পথটোৰে আগবাঢ়িছে।

দুকপেনো আগবাঢ়িল।

গাওঁখনৰ এইটো মূৰ এঢলীয়া। পাহাৰ এখনৰ নামনিৰ ঢাল। ঢালটো ক্ৰমে চাপৰ হৈ-হৈ আঁতৰৰ ঠেক উপত্যকাখন চুইছেগৈ। নিয়ামচাকু নদীখন সেই উপত্যকাটোৰেই বৈ গৈছে। পাহাৰী নদীখন গাওঁখনৰ পৰা দুফাৰ্লংমান দূৰৈত ভাঁজ এটা লৈ দক্ষিণলৈ বৈ গৈছে। সেইখিনিৰ পৰা অইন এখন পাহাৰ আৰম্ভ হৈছে। লুঙলুঙীয়া পথটো সেয়েহে অকোৱা-পকোৱা। এবাৰ উঠিব লাগে , অইনবাৰ আকৌ নামিব লাগে।

দুকপেনে দেখা পাইছিল পাংলিৰ ওখ অবয়বটো। পাংলি ক'তো ৰোৱা নাই, খৰ খোজেৰে গৈ আছে। দুকপেনে ভাবি ওৰ নাপালে পাংলি ক'লৈ যাব ওলাইছে! এই পথটো থিনজেমান আৰু পিছত টাৱাঙলৈ গৈছে। দুকপেনৰ মনটোৱে যেন তাক বাৰেপতি সঁকিয়াই দিছে পাংলি থিনজেমান বা টোৱাঙ কোনোটোলৈকে যোৱা নাই। তেন্তে........!

হঠাতে পাংলিৰ ওখ অবয়ৱটো নেদেখা হৈ পৰিল। দুকপেন থমকি বৈ চাৰিওফালে চালে , কিন্তু পাংলিক সি দুনাই দেখা নাপালে। অলপ আগতে পাংলিক যিখিনি ঠাইত দেখিছিল দুকপেন দৌৰি গৈ সেইখিনি পালে।

ঠাইখিনি অসমান। ক্ৰমে ওপৰলৈ উঠি গৈছে। লুঙলুঙীয়া পথটো আৰু ঠেক হৈ আহিছে। এই পথটোৰে পাংলি যোৱা হ'লে দুকপেনৰ চকুত পৰিলহেঁতেন। আকৌ সোঁহাতে নদীখন। তেন্তে........!

হয়তো পাংলি বাওঁহাতে কৰবাত লুকাল!!

বাওঁহাতৰ ঠাইখিনি এঢলীয়া , তললৈ নামি গৈছে। জোপোহা গছ কিছুমান অ'ত-ত'ত বিশৃঙ্খল ভাবে গজি উঠিছে।

দুকপেনে সেইফালে চাই পঠিয়ালে। দূৰৈত চলমান ক'লামূৰ্ত্তি এটা দুকপেনৰ চকুত পৰিল। দুকপেনৰ বুজিবলৈ বাকী নৰ'ল , সেইয়া পাংলিৰ বাহিৰে আন কোনো নহয়। কিন্তু সি সেইফালে ক'লৈ যাব?

দুকপেনো নামি গ'ল।

দুকপেনৰ চকুত পৰিছিল দূৰৈত এটুকুৰা সমতল ঠাইত থকা এটা টিনৰ ঘৰ।

ঘৰটোৰ ভিতৰলৈ পাংলিক সোমাই যোৱা দেখি দুকপেন বিস্মিত হ'ল। সি ওখ গছ এডালৰ আঁৰত নিজকে লুকাই ঘৰটোলৈ চাই ৰ'ল। তাৰ মনত পৰিছিল, কেইদিনমান আগেয়ে সি গাওঁৰ কাৰোবাৰ মুখত শুনিছিল নতুনকৈ বৌদ্ধবিহাৰ এটা স্থাপন হোৱা বুলি। হয়তো এইটোৱেই সেই বৌদ্ধস্তূপটো! কিন্তু সি শুনামতে এটা তিৰ্ব্বতী নে চীনা লামাই এই বৌদ্ধস্তূপটো নিৰ্মাণ কৰিছে। তেনেস্থলত এই বৌদ্ধস্তূপটোৰ লগত পাংলিৰ কি সম্বন্ধ থাকিব পাৰে!

ঘৰটোত কোনোবাই উচ্চস্বৰে কথা পাতিব ধৰিছিল। দুকপেনে একো বুজিব নোৱাৰিলে। তথাপিও দুকপেনে উৎকৰ্ণ হৈ কথাবোৰ শুনিবলৈ চেষ্টা কৰিলে। সি যেন চিনাকী কণ্ঠস্বৰ এটা শুনিছে। এইয়া পাংলিৰ কণ্ঠস্বৰ নহয়। তেন্তে.......! হঠাতে ঘৰটোৰ ভিতৰখন নীৰৱ হৈ পৰিল।

পিছমুহূৰ্ততে পাংলি ঘৰটোৰ পৰা ওলাই আহিল। দুকপেনৰ অবয়বটো প্ৰথম দৃষ্টিতেই তাৰ চকুত পৰিছিল। লগে লগে সি ভিতৰৰ পৰা ধেনুকাঁড়ডাল লৈ আকৌ ওলাই আহিল। কিন্তু দুকপেন ইতিমধ্যেই দৌৰিব ধৰিছিল। জোপোহাবোৰৰ আঁৰে আঁৰে দুকপেন ওপৰলৈ উঠি যোৱা দেখি পাংলিয়ে কাঁড় মাৰিব পৰা নাছিল।

দুকপেনৰ ভাগৰ লাগি আহিছিল। লুঙলুঙীয়া পথটো পাই সি এবাৰ পিছফালে চাই পঠিয়াইছিল। পাংলি কালান্তক মূৰ্ত্তি ধৰি খেদি আহি থকা দেখি দুকপেন আকৌ দৌৰিবলৈ আৰম্ভ কৰিলে।

হঠাতে চোঁ-কৰি তীব্ৰবেগে কাঁড় এডাল আহি দুকপেনৰ বাউসীত আঘাত কৰিলে। দুকপেনে চীৎকাৰ কৰি মাটিত উবুৰিখাই পৰি যোৱা দেখি পাংলি বন্য উল্লাসেৰে দৌৰি আহিব খুজিও থমকি ৰ'ল। থিনজেমানলৈ যোৱা পথটোৰে কোনোবা কেইজনমান আহি থকা দেখি সি আৰু নৰ'ল।

পাংলি গুছি গ'ল।

অলপ পিছতে মানুহকেইজন দুকপেনৰ ওচৰ পালেহি।

এজন পুৰুষ, প্ৰৌঢ়। আইন দুগৰাকী নাৰী, এগৰাকী প্ৰৌঢ়া, আন গৰাকী যোড়শী।

'কোন এইয়া চিনিব পাৰিছনে উনিছা?' সুধিলে প্ৰৌঢ়াই।

'এইয়া...... এইয়া যে দুকপেন..... কিন্তু.......'

৭

গাওঁখন শান্ত হৈ আছে। এটা যেন গোমা পৰিবেশ।

হয়তো এইয়া যোৱা কালিৰ দুৰ্ঘটনাৰ প্ৰভাৱ ; ইউচুফৰ ভাৱ হৈছিল।

অনন্ত আৰু ইউচুফ চাৰেংলাহঁতৰ ঘৰলৈ আহিছিল। অনন্তই প্ৰথমে অকলে আহিব খুজিছিল। ইউচুফ আহিব খোজা দেখি সি ভাল পোৱা নাছিল। কিন্তু বিপুলে চকুৰ ইংগিতেৰে ইউচুফক লৈ যাবলৈ কোৱা দেখি অনন্ত সৈমান হৈছিল। সি বুজিছিল এই মুহূৰ্তত ইউচুফ আৰু লুইক কেম্পত একেলগে থোৱা সংগত নহ'ব।

অনন্তই ঠিক কৰিছিল সি গাওঁৰ কাৰোবাৰ পৰা টাৱাঙলৈ যাবলৈ ঘোঁৰা পায় নেকি বিচাৰ কৰিব। টাৱাঙৰ কেম্পত চাৰেংলাৰ হত্যাৰ কথা ক'ব নেকি সি! চাৰেংলাৰ কথা ক'লে চীনা লিপিত থকা কাগজ টুকুৰাও দেখুৱাব লাগিব।

কিন্তু কি লিখা আছে তাত ?

আঁতৰত এজুম মানুহৰ হাই-উৰুমি শুনি দুয়ো সমুখলৈ চাই পঠিয়াইছিল। কোনোবা এটাক এজুম মানুহে দাঙি অনা দেখি অনন্ত আৰু ইউচুফৰ মুখখনে বৰণ সলালে॥ উনিছাহঁতৰ মুখত ঘটনাৰ সবিশেষ শুনি ইউচুফে অনুমান কৰিলে, সেই ওখ মানুহটোৱেই দুকপেনক কাঁড় মাৰিছে। কিন্তু তেনেকুৱা ওখ মানুহ এটা সি বাৰু আগেয়ে দেখিছিল নেকি! ইউচুফে মনত পেলাব নোৱাৰিলে।

ইউচুফে মন স্থিৰ কৰি পেলালে। সি অনন্তক জোৰ কৰি কেম্পলৈ পঠিয়ালে ফাৰ্ষ্ট এইডৰ বক্সটোলৈ আনিবলৈ। অনন্ত যোৱাৰ পিছত সি দুকপেনৰ বাউসীৰ ক্ষতস্থানটো গৰম পানীৰে ধুই পেলালে। ক্ষতস্থানৰ পৰা তেতিয়াও তেজ ওলাইছিল। ইউচুফ চিন্তিত হ'ল। দুকপেনক সিযে বচাবই লাগিব।

সময় বাগৰিল।

দুকপেনক বেঢ়ি ধৰি থকা মানুহখিনিয়ে উত্তেজিত স্বৰত কিবা এসোপা বলকি আছে। ইউচুফ নীৰৱ। তাৰ দুচকুৰ দৃষ্টি দুকপেনৰ যন্ত্ৰণাকাতৰ মুখখনত স্থিৰ হৈ ৰৈ আছে।

'দুকপেন!' সি মাতিলে।

দুকপেন নিৰুত্তৰ। তাৰ জ্ঞান এতিয়াও অহা নাই।

ইউচুফ অধৈৰ্য্য হ'ল। দুকপেনৰ বুকুখন যেন সঘনে উঠা-নমা কৰিব ধৰিছে!

হঠাতে দুকপেনৰ ওঁঠদুখন কঁপি উঠিল। ইউচুফে আকৌ মাত লগালে, 'দুকপেন!'

দুকপেনে চকুহাল মেলিলে। মানুহৰ জুমটো দেখি সি ঠৰঙা লাগিছিল। কিন্তু আছেনে?'

ইউচুফক দেখি সি যেন আশ্বস্ত হ'ল।

'কোনে মাৰিলে তোক, দুকপেন?'

'পা.........'

'অ।' কৈ যা—'

'পা........ং..........লিয়ে.........' দুকপেনে ঢোক এটা গিলিলে। উনিছাই আগবঢ়াই দিয়া বাঁহৰ চুঙাটোৰ পানীয়খিনি সি পী খালে। দীঘলকৈ উশাহ লৈ সি ইউচুফৰ মুখলৈ চালে।

ইউচুফে তেতিয়া অইন এটা ডেকালৈ চাই সুধিছিল, 'পাংলিক চিনি পাৱ?'

ডেকাটোৱে মূৰ দুপিয়ালে।

'সি ওখ, হয়নে?'

'হয়।'

'তাৰ ঘৰলৈ যা। পালে ধৰি বান্ধি লৈ আহিবি।'

ডেকাটো অইন কেইটামানক লগত লৈ যোৱাৰ পিছত ইউচুফে দুকপেনলৈ চালে। দুকপেনৰ মুখখন শেঁতা পৰি গৈছিল। প্ৰচুৰ ৰক্তক্ষৰণে হয়তো তাক দুৰ্বল কৰি পেলাইছে। সি কঁপি থকা স্বৰেৰে এইবাৰ ক'লে, 'পাদমৰ ঘৰত পাংলিক দেখিছিলো। তাৰ বাউসীত বেগেজ এটা। সি থিনজেমানলৈ যোৱা দেখি পিছ ল'লো।'

'তাৰ পিছত?'

'তাৰপিছত বৌদ্ধ বিহাৰটোত...........'

দুকপেনে সেইখিনিলৈকে কৈ চকুহাল মুদি দিলে।

ইউচুফ উঠিল। অনন্তৰ ফাৰ্ষ্ট এইড বক্সৰ এতিয়া আৰু কোনো আৱশ্যক নাই। ইউচুফ মানুহৰ জুমটোৰ পৰা আঁতৰি আহি কান্ধৰ ৰাইফলটোৰ বেটছটা এখন হাতেৰে খামুচি ধৰি লেকেচিয়াই লেকেচিয়াই আগুৱাই গ'ল। উনিছাহঁতৰ ঘৰৰ ওচৰ পাই সি পিছফালে ঘূৰি চালে। তাৰ লগত আহি থকা উনিছাৰ বাপেক আৰু ডেকা কেইটাক ৰ'ব কৈ সি পাদমৰ চাঙঘৰটোলৈ উঠি গ'ল।

চাঙঘৰৰ দৰ্জাখনত ঢকিয়ালে সি।

'কোন?'

ভিতৰৰ পৰা নাৰীকণ্ঠৰ ক্ষীণস্বৰ এটা ভাঁহি আহিল। ইউচুফে নিজৰ পৰিচয় দি দৰ্জাখন খুলিব ক'লে। খন্তেক পিছত বাঁহৰ দৰ্জাখন খোল খোৱাৰ পিছত এগৰাকী বৃদ্ধা ইউচুফৰ চকুত পৰিল। ইউচুফে বৃদ্ধাৰ দুৰ্বল শৰীৰটোৰ ওপৰত চকুফুৰাই সুধিলে, 'পাদম

বৃদ্ধাই এখন্তেক তলকা মাৰি বৈ অৱশেষত ক'লে, 'নাই।'

'কেতিয়া ওলাই গ'ল?'

'শেষ নিশা।'

'ক'লৈ গৈছে ক'ব পাৰ?'

বুঢ়ীয়ে মূৰ জোকাৰিলে। ইউচুফ উভতি খোজ পেলালে। কিন্তু চাংখনৰ পৰা নামিবলৈ ধৰা মুহূৰ্তত সি বৈ গ'ল। তাৰ পৰাই সি সুধিলে, 'পাদমৰ ঘোঁৰাবোৰ ক'ত আছে?'

'ঘোঁৰাবোৰো সি লগতে লৈ গৈছে।'

মানুহৰ জুমটোৰ ওচৰ পাই ইউচুফে কিবা ক'ব ওলাইছিল। কিন্তু পাংলিৰ ঘৰলৈ যোৱা ডেকাকেইটা দৌৰি আহি থকা দেখি সি নীৰৱে ৰ'ল। সি ডেকাকেইটাৰ মুখৰ অভিব্যক্তি দেখিয়েই বুজি পালে, পাংলিক সিহঁতে নাপালে। কিন্তু পাংলি ক'লৈ গ'ল? আৰু পাদম!!

ইউচুফে যেন ৰহস্যৰ গোন্ধ পালে। সি সমস্ত ঘটনাটো আকৌ এবাৰ জুকিয়াই চালে। ইউচুফ যেন সন্ত্ৰস্ত হৈ উঠিছে। ঘনে-ঘনে উশাহ লৈছে সি। যি বুজিলে, লাডাখৰ দৰে ইয়াতো অনতি পলমে চৰম দুৰ্ঘটনা এটা ঘটিব।

ইউচুফে ৰাইফলৰ বেটছটা খামোচি মাৰি ধৰি আগবাঢ়িল। ভৰিদুখন তাৰ টঙটঙাই উঠিছে। তথাপিও সি আগবাঢ়িল। অলপদূৰ আগুৱাই যোৱাৰ পিছতে পিছফালৰ পৰা অনন্তৰ মাত শুনি সি বৈ গ'ল।

ইউচুফে উভতি চালে।

অনন্তৰ কান্ধত ৰাইফলটো দেখি তাৰ ভাল লাগিল।

৮

লুঙৰ সৰু মঙ্গোলীয় চকুহাল তিৰ্‌বিৰাই উঠিল। পাংলিৰ শেঁতা পৰি যোৱা মুখখনলৈ চাই সি মুখেৰে কিবা এসোপা বিৰ্‌বিৰাই কৈছিল। পাংলিয়ে বুজিলে লুঙৰ খঙ উঠিছে। সি অলপ অস্বস্তিবোধ কৰিলে। কোঠাটোত এতিয়া অকল সি আৰু লুঙ। লুঙৰ ওচৰত থকা সৰু মেজখনত লডেড ৰাইফল এটা পৰি আছে। সেইটোলৈ সি আঁৰ চকুৰে চাই পঠিয়ালে।

লুঙ বহাৰ পৰা উঠি গৈ খিৰিকীখনৰ কাষ পালে। খিৰিকীখন খুলি দি দূৰৈৰ

দিগন্তলৈ চাওঁতে লুঙ সচকিত হৈ উঠিল।

পাহাৰৰ এঢলীয়া ঢালটোৰে তেতিয়া ইউচুফহঁত নামি আহিছিল।

খিৰিকীখন বন্ধ কৰি লুঙ পাংলিৰ কাষ চাপি আহিল। পাংলিক অনুচ্চ কণ্ঠেৰে কিবা ক'লে সি। তাৰপিছত লডেড ৰাইফলটো কান্ধত ওলোমাই লৈ কাষৰ কোঠাটোলৈ গ'ল। ঘৰটোলৈ সোমাই অহা মূল দৰ্জাখন বন্ধ কৰি সি পুনৰ পাংলিৰ ওচৰলৈ আহিল।

পাংলিৰ সমস্ত দেহটো যেন কঁপিব ধৰিছে।

লুঙ কিন্তু নৰ'ল। সি কোঠাটোৰ পৰা ওলাই গৈ পিছফালৰ বাৰান্দাখন পালে। তাৰপিছত পিছফালৰ পাহাৰী অৰণ্যখনত লুঙ হেৰাই গ'ল।

পাংলি বহাৰ পৰা উঠিল। তাৰ হাতদুখন কঁপিছে।

পাংলি অস্থিৰ খোজেৰে খিৰিকীখনৰ কাষ চাপিল। খিৰিকীখন খোলাৰ লগে লগে ৰাইফলৰ বুলেট এটা আহি তাৰ বাউসীত আঘাত কৰিলে। পাংলিয়ে যন্ত্ৰণাত চীৎকাৰ কৰিছিল। কিন্তু সেই চীৎকাৰ ইউচুফহঁতে নুশুনিলে। সিহঁতে ইতিমধ্যেই ফায়াৰিং আৰম্ভ কৰি দিছিল। বেছ কিছুপৰৰ পিছত ফায়াৰিং বন্ধ হ'ল। গুমগুমীয়া পৰিবেশটোৰ নিস্তব্ধতাক উপলুঙা কৰি ইউচুফ আৰু অনন্ত সন্তৰ্পনে হৈ বৌদ্ধবিহাৰটোলৈ আগবাঢ়ি গ'ল। অনন্তই গুৰিয়াই-গুৰিয়াই দৰ্জাখন ভাঙি পেলালে। ভিতৰলৈ সোমাই গৈ মজিয়াত নিথৰ হৈ ৰক্তাক্ত দেহেৰে পৰি থকা পাংলিৰ দেহটো দেখি ইউচুফৰ মনত পৈশাচিক লালসা এটি জাগি উঠিল।

অনন্তই পাংলিৰ নাড়ী স্পন্দন পৰীক্ষা কৰিছিল।

'জীয়াই আছে।' অনন্তই ক'লে।

ইউচুফে কোঠাটোৰ চাৰিওফালে চালে। এচুকত বাঁহৰ চুঙা এটা দেখি সি চুঙাটো লৈ আনিলে। চুঙাটোৰ তলিত অকনমান পানীয় আছিল। সেইখিনি পাংলিৰ ওঠত ঢালি ইউচুফে পাংলিৰ দেহটো সজোৰে জোকাৰি দিলে।

পাংলিৰ চকুহাল মেল খালে। সিহঁতক দেখি পাংলি মৃত্যু আশংকাত কঁপিব ধৰিলে।

'পাদম ক'লৈ গৈছে, ক?'

'মই ...... মানে......'

ইউচুফে ৰাইফলটোৰ পৰা বেয়নেটখন উলিয়াই পাংলিৰ সোঁভৰিখনৰ পৰা কেঁচা নখদুটা উলিয়াই দিলে। অসহ্য আৰু সীমাহীন যন্ত্ৰনাত পাংলিয়ে চিঞৰি দিছিল।

ইউচুফ নির্বিকাৰ। সি এইবাৰ পাংলিৰ বাওঁভৰিখনৰ বুঢ়া আঙুলিটো এহাতেৰে চেপি ধৰিলে। আনখন হাতেৰে বেয়নেটখন লাহে লাহে আঙুলিটোৰ কাষ চপাই আনিলে।

'আস...... ৰ'ৱ ........ মই কম ...... সকলো কম!!'

ইউচুফে পাংলিৰ মুখলৈ চালে। পাংলিয়ে সেঁহাই সেঁহাই ক'লে, 'পাদমে ঘোঁৰা আৰু গাধবোৰ লৈ বৰ্ডাৰলৈ গৈছে।'

'কিয়?'

'সি গৈ চীনাহঁতক বাট দেখুৱাই আনিব। বিশ্বাস কৰক, মোৰ একো দোষ নাই। পাদম আৰু লুঙেহে—'

'কোন লুঙ?'

'লুঙ এটা চীনা সৈন্য। সি..........আস..........' হঠাতে পাংলি আকৌ নিথৰ হৈ পৰিল। অনন্তই নাড়ী স্পন্দন চাই কলে, 'শেষ!'

সিহঁত দুয়ো কোঠাটোৰ পৰা ওলাই আহিল। অইন কোঠাটোত সৰু থাপনা এখনত এফুট ওখ বুদ্ধ মূৰ্ত্তি এটাৰ বাহিৰে অইন একো নেদেখি সিহঁত বাহিৰ পালেহি। বাহিৰত গোটখোৱা অসহায় মানুহখিনিলৈ চাই ইউচুফৰ অন্তৰখন সেমেকি উঠিল। এই নিৰস্ত্ৰ মানুহ খিনিক যে সি ৰক্ষা কৰিবই লাগিব!

অনন্তহঁত আৰু তাত নৰ'ল। সিহঁত গুছি আহিল গাওঁখনলৈ। গাওঁৰ মানুহখিনিক ততালিকে গাওঁ এৰি থিনজেমানলৈ যাবলৈ আদেশ দিওঁতে অনন্তৰ মাতটো কঁপিছিল।

মুহূৰ্ত্ততে শান্ত, নিমুজ হৈ শুই থকা পাহাৰী গাওঁখনক এক বন্য কোলাহলে আবৰি পেলালে। ইউচুফহঁত খন্তেকলৈ আন্মনা হৈ পৰিছিল। কিন্তু গাত বৰষুণৰ সৰু সৰু টোপাল কিছুমান পৰিব ধৰা দেখি সি যেন সচকিত হৈ উঠিল। ইউচুফে আকৌ লেকেচিয়াই খোজ দি আগবাঢ়িব ধৰিলে। অনন্তই তাৰ পিছে পিছে খোজ পেলোৱা যেন অনুভৱ কৰি ইউচুফে পিছুৱাই চাই ক'লে, 'তই মোৰ লগত আহিব নালাগে। বৰং কেম্পলৈ গৈ লুই আৰু বিপুলক ইয়ালৈ লৈ আন। মই পাদমক বিচাৰি যাওঁ।'

ইউচুফ আৰু নৰ'ল। সি যিমান পাৰে বেগাই খোজ দিব ধৰিলে। পিছফালৰ পৰা কেইবাবাৰো অনন্তই তাক মাতিছিল। ইউচুফে শুনিছিল, কিন্তু নৰ'ল। সি যিমানপাৰে সোনকালে নিয়ামচাকু নদীৰ পাৰে-পাৰে আগবাঢ়ি গৈছিল। তাৰ সোঁফালে দূৰৈত পাহাৰী নদীখন। অইনফালে কহুৱা বননি এডৰা। মাটিত ঘোঁৰাৰ খোজৰ চিন দেখি ইউচুফ সামান্য অস্থিৰ হৈছিল। বেছ কিছুদূৰ আগবঢ়াৰ পিছত ইউচুফ ৰৈ দিলে। সি এতিয়া পাহাৰ এখনৰ

পাদদেশৰ শিলামময় ঠাই এটুকুৰাত উপস্থিত হৈছে। ইউচুফৰ সন্মুখত প্ৰকাণ্ড শিল এছটা। শিলছটাৰ সিটো ফালে কাৰোবাৰ জৈৱিক অস্তিত্বই ইউচুফৰ সৰ্বাঙ্গ কঁপাই গ'ল।

ইউচুফ খুপি খুপি আগবাঢ়িল। লাহে লাহে শিলছটাৰ সিটো ফাল ইউচুফৰ চকুত স্পষ্ট হৈ আহিব ধৰিলে। কিন্তু...........

তেতিয়াই এক বন্য আৰ্তনাদে ঠাইখণ্ড কঁপাই পেলালে।

ইউচুফ হতভম্ব হ'ল। সি চিন্তা কৰি চালে। চাৰিওফালে এবাৰ চকু ফুৰালে। তাৰপিছত সি বতাহতে কিবা যেন শুঙিব খুজিলে।

ইউচুফ শিলছটাৰ কাষলৈ আহি গাটো শিলছটাৰ আঁৰত লুকুৱাই পেলালে। তেনেতে আকৌ দিগন্ত বিদীৰ্ণ কৰি চৌদিশে বিস্ফোৰণৰ লহৰ বিয়পি গ'ল। ইউচুফে মৰণত শৰণ দি আৰু অলপ আগবাঢ়ি যাওঁতে দেখা পাইছিল তলৰ সমতল ঠাইখণ্ড। শিলছটাৰ ঠিক তলৰ পৰা ঠাইখণ্ড হেলনীয়া হৈ তললৈ নামি গৈ এটুকুৰা সেউজ বননিত মিলিছেগৈ। বননি ডৰাত ঘোঁৰা আৰু গাধৰ সৰু দল এটা বিশৃঙ্খলভৱে হেন্দোলনি তুলি লৰা ধপৰা কৰি আছে।

দুটা মানৱ মূৰ্ত্তিত্ত ইউচুফৰ চকুত পৰিছিল।

এটাৰ হাতত উদ্যত ৰাইফল এটা। আনজন নিৰস্ত্ৰ। তেওঁকে ইউচুফে চিনি পালে। কিন্তু পাদমৰ লগত ৰাইফলধাৰীজন ইউচুফৰ অচিনাকী। হয়তো ......... ইয়েই লুঙ ......... ইউচুফৰ মনটোৱে যেন সকিয়াই দিলে।

ঘোঁৰা আৰু গাধৰ দলটো আঁতৰৰ খৰস্ৰোতা নদীখনৰ পৰা আঁতৰি আহিব খুজিছে। সিহঁত কোনোপধ্যেই পানীত নামিব খোজা নাই। পাদমেও সিহঁতক নিয়ন্ত্ৰণ কৰিব পৰা নাই। সি মাত্ৰ চিঞৰিছে। দুই এটা নদীখনৰ পাৰে-পাৰে দৌৰিব ধৰিছিল।

কিন্তু লুঙৰ ৰাইফলৰ আৰ্তনাদে সিহঁতক উত্ৰাৱল কৰি তুলিলে।

ভয়তে সিহঁত পানীত জপিয়াই পৰিছিল। লুঙ এইবাৰ বন্য উল্লাসত নাচি উঠিল। ইউচুফ তথাপিও নিৰ্বিকাৰ। সি চাৰিওফালৰ পৰিবেশটো চাই ল'লে। ইউচুফ বুৰ্বক নহয় যে লুঙৰ অভিসন্ধি বুজি নাপাব। সি পাদমক ঘোঁৰালৈ নাইকিয়া হোৱা শুনি এনেকুৱা এটা কাণ্ড ঘটিব বুলিয়ে অনুমান কৰিছিল। সি জানে ঘোঁৰা আৰু গাধৰ অবিহনে কোনো এটা সৈন্যদলে বাট পথহীন এই সীমান্ত অঞ্চলটোত তিষ্ঠিব নোৱাৰিব। হয়তো নদীখনেই পাৰ হ'ব নোৱাৰিব। তাৰমানে চীনাহঁতক সহায় কৰিব লৈকে............

ইউচুফ শিলছটাৰ আঁৰৰ পৰা ওলাই আহিল।

ৰাইফলটো কান্ধৰ পৰা নমাই আনি সি পজিচনত ল'লে।

লুঙৰ প্ৰতিচ্ছবিটো ইউচুফৰ চকুৰ আগত ভাঁহি উঠিল। ট্ৰিগাৰটো সি তৰ্জনী আঙুলিৰে আকোৱালী ল'লে। নিজৰ ফাললৈ সি টানি আনিলে ট্ৰিগাৰটো! কিন্তু.......!

ঠিক সেই মুহূৰ্ততে পাদমৰ চকুত পৰিছিল দৃশ্যটো। সি লুঙক ঠেলা মাৰি দিলে। গুলীটো সেইদেখিয়ে লক্ষ্যভ্ৰষ্ট হৈছিল। কিন্তু দ্বিতীয় বাৰত গুলীটোৱে আঘাত কৰিলে পাদমক। সি চীৎকাৰ কৰি মাটিত লুটিখাই পৰিল। কিছু সময়লৈ ছটফটাই আছিল দেহটো। শেষত নিথৰ হৈ পৰি ৰ'ল। এপলক মাত্ৰ ইউচুফৰ দৃষ্টি পাদমৰ ওপৰত স্থিৰ হৈ ৰৈছিল। তেতিয়াই লুঙ দৌৰিব আৰম্ভ কৰিছিল। ইউচুফে গম ধৰিবলৈ পোৱাৰ আগেয়ে লুঙ পানীত জপিয়াই পৰিছিল।

ইউচুফে দুবাৰমান গুলী কৰিছিল, লক্ষ্যভ্ৰষ্ট হ'ল।

ইউচুফে দূৰৈত নদীখনৰ সিটো পাৰৰ আকাশচুম্বী পাহাৰকিখনলৈ চাই পঠিয়ালে। বৰ যেন চঞ্চল হৈ উঠিছে সিটো পাৰৰ পৰিবেশটো। মাজে মাজে বিস্ফোৰণৰ হিল্লোলিত তৰংগই চৌদিশ কঁপাই যায়। তাৰমানে............!

ইউচুফ অধৈৰ্য্য হৈ উঠিল। সি ৰাইফলটো ওলোমাই লৈ খুপি খুপি তললৈ নামি আহিল। ঘোঁৰাৰ দলটো বামলৈ উঠি আহিছিল। উদভ্ৰান্তৰ দৰে ইউচুফ নামি অহা পথটোৰেই সিহঁত উঠি গ'ল।

লক্ষ্য সিহঁতৰ হয়তো একোৱেই নাই।

ইউচুফে আকৌ এবাৰ সন্মুখলৈ চালে। সিপাৰৰ পাহাৰকিখন যেন আৰু চঞ্চল হৈ উঠিছে।

লুঙ ইতিমধ্যেই নদীখন পাৰ হৈ সিপাৰৰ বননিত হেৰাই গৈছিল।

ইউচুফে উশাহ সলালে।

৯

গাওঁলৈ সোমোৱা বাটটোতে ল'ৰা-তিৰোতা আৰু বুঢ়া মানুহ কিছুমানৰ সৈতে অনন্ত, লুই আৰু বিপুল ঠিয় হৈ আছিল। দূৰৈত ইউচুফক আহি থকা দেখি অনন্ত আগবাঢ়ি গ'ল। তাৰ চকুৱে মুখে উত্তেজনা।

'সিহঁতে সীমা অতিক্ৰম কৰিলেই তাৰমানে?'

'কৰিব।'

'তেন্তে!'

'ঘোঁৰাবোৰ এইফালে আহিছিল?' ইউচুফে ওলোটাই সুধিলে।

'অ!। ল'ৰাবোৰে ধৰিবলৈ খেদি গৈছে।'

অনন্তই থিনজেমানলৈ যোৱা পথটোলৈ চাই পঠিয়ালে। দূৰৈত ধূলি উৰিছে।

'সিহঁতে ঘোঁৰাবোৰ ধৰিলে।' সি ক'লে।

'তেন্তে তহঁতে মানুহবোৰক ঘোঁৰাত উঠাই লৈ যাগৈ। নহ'লে —'

ইউচুফৰ কথা শেষ নহ'লগৈ। অলপ আঁতৰত মৰ্টাৰৰ গুলী এটা পৰি চৌদিশ কঁপাই পেলালে। মানুহখিনি মৃত্যু আশংকাত উদভ্ৰান্ত হৈ পৰিছিল। কিন্তু ইউচুফে কোনোৰকমে নিজকে চম্ভালি লৈ মানুহখিনিক একগোট কৰি পেলালে। সেই সময়তে ডেকাবোৰে ঘোঁৰাবোৰ লৈ সেইখিনি পাইছিল।

তিৰোতা, বুঢ়া আৰু ল'ৰা-ছোৱালীবোৰক ঘোঁৰাত উঠাই যাবলৈ দি এইবাৰ লুইক ঘোঁৰা এটাত উঠিব ক'লে ইউচুফে। লুই কিন্তু লৰচৰ নকৰিলে। স্থবিৰ হৈ বৈ সি ইউচুফলৈ চালে।

ইউচুফৰ চকুহাল শান্ত। তথাপিও ইউচুফৰ চকুৰ দৃষ্টি লুইৰ সহ্য নহ'ল। সি অইন ফালে চকু ফুৰালে। বিপুল আৰু অনন্তই দুটা ঘোঁৰা ঠিক কৰি লৈছে। বিপুলে সংগোপনে নিজৰ ঘোঁৰাটোৰ পিঠিত বহি লৈছে। অনন্তত ইতস্তত ঃ কৰিছে। হয়তো সিয়ো........

আকৌ এটা মৰ্টাৰৰ গুলী পৰিলহি।

মানুহখিনি ইতিমধ্যে আঁতৰি গৈছিল। মানুহখিনিক কিবা এটা কোৱাৰ ছলেৰে বিপুলে ঘোঁৰাটো আগুৱাই নিলে।

'তই ঘোঁৰাত উঠিবি নে নুঠ?' চিঞৰি দিলে ইউচুফে।

লুইৰ ওঠত শেঁতা হাঁহি এটা বিৰিঙিল।

'মই তোক ভুল বুজিছিলো।' সি ক'লে।

'তই ঘোঁৰাত উঠিবি নে নুঠ?'

আকৌ হাঁহিলে লুইয়ে। 'নুঠো।' সি ক'লে, 'প্ৰাণ থাকে মানে নুঠো। ময়ো যুঁজি মৰিম।'

কাষত ঘোঁৰাৰ খোজৰ শব্দ শুনি ইউচুফে কিবা ক'ব ওলাইয়ো নক'লে। অনন্তৰ ঘোঁৰাটো আঁতৰি যাব ধৰিছিল। ঘোঁৰাটোৰ পিঠিত অনন্ত। অনন্ত যেন নিৰুপায়। সি যেন

শত চেষ্টাৰ মূৰকতো ঘোঁৰাটো নিয়ন্ত্ৰণত ৰাখিব পৰা নাই।

'অনন্ত ! ফ্লেগখন এতিয়াও আছেনে?'

'আ..... ছে........' অনন্তই আৰু কিবা কৈছিল, ইউচুফৰ কানত নপৰিল।

ইউচুফ সন্ত্ৰস্ত হৈ উঠিল। সীমান্তৰ পৰা এটা হাইউৰুমি ভাঁহি আহিছে।

'লুই ! তই ঘোঁৰাত উঠ। মই এইয়া শেষ বাৰলৈ কৈছো।'

'ৰাইফল চলাবলৈ এতিয়াও মোৰ দেহত শক্তি আছে ইউচুফ। তই.........'

হঠাতে লুই ঢলি পৰিল। মৰ্টাৰৰ আঘাতে তাৰ দেহটো ছিন্ন বিছিন্ন কৰি পেলালে।

কাণতাল মৰা নিনাদে প্ৰকৃতিৰ শৃংখল নীৰৱ ৰূপটোক ভাঙি চুৰমাৰ কৰি পেলাইছিল। ইউচুফ আৰু স্থবিৰ হৈ ৰ'ব নোৱাৰিলে। সিযে পতাকাখন ৰক্ষা কৰিবই লাগিব। সি যিমান পাৰে খৰকৈ খোজ দি সিহঁতৰ পৰিত্যক্ত টিলাটোৰ শীৰ্ষ পাই ভাগৰত খৰকৈ উশাহ ল'ব ধৰিলে। ফ্লেগ প'ষ্টডালত চঞ্চল ভাৱে বতাহত হালি জালি থকা পতাকাখন দেখি সি যেন চঞ্চল হৈ পৰিল।

সি ফ্লেগপ'ষ্টডালৰ তলত ঠিয় হ'ল।

কান্ধৰ পৰা ৰাইফলটো নমাই আনি সি সাজু হৈ ল'লে।

মাজে মাজে ভৰিখনৰ পৰা উৎকট বিষ এটাই তাৰ সমস্ত সত্বা কঁপাই যায়। তথাপিও তাৰ দুহাত নকঁপিল। টিলাটোলৈ উঠি অহা এজাক সৈন্যৰ বন্য উল্লাসেও তাক কঁপাব নোৱাৰিলে। সি ট্ৰিগাৰত হেঁচা মাৰি ধৰিলে।

জোৰেৰে....... আৰু জোৰেৰে.........

ইউচুফৰ যেন কাৰো প্ৰতি ভ্ৰক্ষেপ নাই।

কেম্পটোত জুই জ্বলিছিল। তথাপিও ইউচুফ নিৰ্ব্বিকাৰ। তাৰ গুলীৰ আঘাতত ঢলি পৰা চীনা সৈন্য কেইটাৰ ৰক্তাক্ত দেহৰ প্ৰতিচ্ছবিয়ে তাক যেন এক অনিৰ্ব্বচনীয় পৰিতৃপ্তি দিছিল।

সমগ্ৰ টিলাটো এজাক চীনা সৈন্যই আবৰি পেলাইছে। সিহঁতৰ উদ্যত ষ্টেনগানে..........।

ইউচুফে ফ্লেগপ'ষ্টডাল সাৱতি ধৰি লাহে লাহে ঢলি পৰিব ধৰিলে!!! ○

# অভিযান

মেজৰ ভাৰ্গৱৰ মুখখন ৰঙা পৰি গৈছিল।

চকুদুটাৰ পতাদুখন বহল হৈ গৈছিল।

ওঠ দুখনো কঁপি আছিল। হাতৰ মুঠি দুটাও টান হৈ পৰিছিল। দুয়োখন হাত খুউব জোৰেৰে মুঠি মাৰি ধৰি আছিল।

মেজৰ ভাৰ্গবৰ অৱস্থা দেখি আমি গোটেই কিজনে ভয় খাইছিলো। সকলোৱে মৌন হৈ তেওঁলৈ চাই আছিলো। কোনেও একো কোৱা নাছিলো।

মেজৰ ভাৰ্গৱে ধীৰ পদক্ষেপেৰে বেৰত আৰি থোৱা মেপখনৰ চাৰিওফালে খোজ দি আছিল। এসত্তৰ চনৰ ডিচেম্বৰ মাহ এতিয়া। মিলিটাৰী ইন্টিলিজেন্স ব্যুৰৰ আমাৰ এই ইউনিটতো এতিয়া পূৱ পাকিস্থানৰ মাটিত। আমাৰ বছ ভাৰ্গবৰ কথাই আমাৰ বাবে শিলৰ ৰেখা। তেওঁৰ মনৰ এই অৱস্থাই আমাক ভয় আৰু আচৰিত কৰি তুলিছিল। ক'ৰবাত অঘটন ঘটা নাইতো!

হঠাতে তেওঁ মোৰ ওচৰত থিয় হৈ মোলৈ একেথিৰে কিছুসময় চাই ৰ'ল। তাৰ পিছত লাহে লাহে ক'লে — 'প্ৰদীপ চৌধুৰী!'

'ইয়েচ চাৰ।' মই তৎক্ষনাৎ ক'লো।

' তিৰাল্লিশ নম্বৰ দলংখনৰ পতনে মোক চিন্তিত কৰি তুলিছে। পাকিস্থানী সৈন্যই যদি এইবাৰ আৰু এখন দলং পতন ঘটাই তেন্তে......'

' তেন্তে কি হ'ব চাৰ?'

' আমাৰ বহু কেইটা ইউনিট পিছ হুঁহুকিবলৈ বাধ্য হ'ব। লগে লগে তিনিফালৰ পৰা পাক সৈন্যই আমাক আগুৰি ধৰিব পাৰিব। ঠিক সময়ত যদি মেজৰ চৌধুৰীৰ বাহিনীটো নাপাইহি আমাৰ আটাইকেইটা ইউনিট আত্মসমৰ্পন কৰিব লাগিব।'

মই মনে মনে ৰ'লো।

' কিন্তু—'

শব্দটো উচ্চাৰণ কৰি মেজৰ ভাৰ্গৱ মেপখনৰ ওচৰলৈ গৈ সোঁহাতৰ বুঢ়া

আঙুলীটো মেপ খনৰ এটা অংশত লগাই দিলে। লাহে লাহে ক'লে — 'এই ঠাইখিনিতে এখন দলং আছে। দলংখনৰ নম্বৰ হৈছে চৌৰাল্লিশ। আৰু এই দলংখনতে আমাৰ অভিযান আৰম্ভ হ'ব। যদি অভিযানটোত জয়ী হওঁ, তেতিয়া হয়তো.........'

'তাৰমানে দলংখন ধ্বংস কৰিব লাগিব?'

'নালাগে।'

'তেন্তে?'

'এই দলংখনৰ ওচৰতে পাক সৈন্যৰ এটা সৰু টেন্সজিট কেম্প আছে। তাত আজি ৰাতি বাৰ বজাৰ লগে লগে দহখন খালী ট্ৰাক ৰ'ৰহি। সেই ঘৰটোৰ পৰা এক প্লেটুন পাক সৈন্যক ঢাকালৈ নিব। সিহঁতক নিয়াৰ পিছত সেই ঘৰটোত থাকিব বিশজন চিপাহী। ৰাতি দুটা বজাৰ লগে লগে এখন জীপ দলংখনত ৰ'ৰহি। তাতে থাকিব জেনেৰেল নিয়াজীৰ এটা ছিক্ৰেট মেচেজ। আৰু সেই মেচেজটো লৈ বিশজন চিপাহী ঘৰটো এৰি গুচি যাব। এইখিনি মেচেজ অলপ আগতে মুক্তি বাহিনীৰ পৰা পাইছো।'

'এতিয়া আমি কি কৰিব লাগিব?'

'সেই জীপখন আটক কৰি নিয়াজীৰ ছিক্ৰেট মেচেজটো দখল কৰিব লাগিব। কিন্তু কামটো সমাধা হ'ব লাগিব ৰাতি দুটা বজাৰ আগেয়ে আৰু জীপখন দলং পোৱাৰ আগেয়ে।'

তাৰ পিছত মেজৰ ভাৰ্গৱে মোলৈ আকৌ এবাৰ চাই ৰ'ল। মই বুজিলো মোক কিবা ক'ব।

মেজৰ ভাৰ্গৱে ক'লে, 'এই কামটো কৰিব লাগিব তুমি, আই মিন প্ৰদীপ চৌধুৰীয়ে। যদি মেচেজটো পোৱা তেন্তে দত্তৰ হাতত মোলৈ মেচেজটো পঠিয়াই দিবা। যদি নোপোৱা তেন্তে সেই বিশজন পাক সৈন্যক............'

'আমি বুজিছো।'

'কিন্তু সকলোখিনি কাম দুটা বাজি চল্লিশ মিনিট যোৱাৰ আগেয়ে হ'ব লাগিব।'

আমি সাজু হ'লো।

লাহে লাহে কেম্পৰ পৰা বাহিৰ ওলালো।

কিন্তু.........

মোক মেজৰ ভাৰ্গৱে পুনৰ মাতি পঠিয়ালে। মই আচৰিত হৈছিলো। তথাপি বাহিৰত সেইটো প্ৰকাশ নকৰিলোঁ।

' তোমাক অকল সেইটো কামৰ কাৰনেই মই পঠোৱা নাই।'

মই মনে মনে ৰ'লো।

' যদি জীপখনৰ পৰা মেচেজটো উদ্ধাৰ কৰিব পাৰা, তেন্তে তুমি এটা ভীষণ উত্তেজনাপূৰ্ণ কাম কৰিব লাগিব।'

' কেনেকুৱা চাৰ ?'

' তুমি সেই জীপখন লৈ অকলেই ঢাকালৈ যাব লাগিব। ঢাকাৰ ইচলাম কলেজৰ ওচৰতে থকা এটা গলিৰে আগুৱাই গৈ তুমি এটা ৰঙা ইটাৰ ঘৰ পাবা। ঘৰটোত তুমি এজনী ছোৱালীক লগ পাবা। নাম তাইৰ চাজিদা।'

' কিন্তু..........'

' তাই এজনী মুক্তি সংগ্ৰামী আৰু আমাৰ স্পাই।'

' কিন্তু তেওঁক লগ ধৰাৰ কাৰণ কি ?'

' সেইটো তাতেই গম পাবা। চাজিদাক লগ পালেই গম পাবা মই এই সংবাদটো পোৱাৰ ৰহস্যৰ কথা। কিন্তু নিয়াজীৰ মেচেজটো নাপালে ঢাকালৈ নাযাবা।'

কথাখিনি কৈ ভাৰ্গৱে মোৰ হাতখন খামোচি ধৰিলে। ক'লে, ' মই জানো এই কামটোত পদে পদে মৃত্যুভয়। কিন্তু তুমি এইটো কাম কৰিব পাৰিলে বাংলাদেশে মুক্তি পোৱাত দহদিন কম লাগিব। পাকসৈন্য সমূলঞ্চে হাৰিব। আৰু আমাৰ দেশে বীৰৰ দেশ হিচাপে চিনাকী পাব। আনহাতে এই অভিযানটোত বিফল হ'লে...............'

২

ৰাতিৰ নীৰৱতাখিনি মোৰ অসহ্য লাগি গৈছিল।

জোপোহাৰ মাজত বহি মই মাথো ঘড়ীটোলৈ চাই আছো।

তেতিয়া দুটা বাজিবলৈ আৰু আধাঘণ্টা বাকী।

অলপ আগতে আমাৰ মূৰৰ ওপৰেদি পাৰ হৈ যোৱা বিপদটোৰ কথাকে মোৰ মনত পৰি আছিল।

মেজৰ ভাৰ্গৱৰ কথা মতে ঠিক বাৰটা বজাৰ পিছতে দহখন ট্ৰাক দলংখনৰ ওচৰতে ৰৈছিল। তাৰ ঠিক পিছ মুহূৰ্ত্ততে এক প্লেটুন পাকসৈন্যৰ কোলাহল আমি শুনিছিলো। কেইজনমান চিপাহী দলংখন পাৰহৈ আমি লুকাই থকা ঠাইখনৰ কাষতে থিয় হৈছিল। সিহঁতে তাত চিগাৰেট হুপিছিল।

আমি তেতিয়া আগন্তুক বিপদৰ কাৰণে সাজু হৈছিলো।

কিন্তু বিশেষ একো নহ'ল।

সৈন্যকেইটাই আমাক দেখা নেপালে। আৰু যদি সিহঁতে আমাৰ অৱস্থিতিৰ কথা গম পালেহেতেঁন!

' দুটালৈ দহ মিনিট আছে।' কিশোৰ দত্তই ক'লে।

দত্তৰ কথাই মোক উচপ খুৱাই তুলিলে।

লগে লগে মই থিয় হ'লো।

তাৰপিছত দহজন চিপাহী সহ লাহে লাহে অন্ধকাৰাচ্ছন্ন পথটোৰ কাষলৈ আগবাঢ়িলো। আমাৰ পৰা এক ফাৰ্লংমান দূৰত্বত চৌৰাল্লিশ নম্বৰ দলংখন।

দলংখনৰ পৰা এক ফাৰ্লং দূৰত্বত ৰাস্তাৰ ওপৰত আমি ৰৈ গ'লো। ৰাস্তাটোৰ মাজতে দুটামান প্ৰকাণ্ড শিল থৈ দিলো। শিল কেইটাৰ লগতে গছ এডালো ৰাস্তাটোত পেলাই থলো। কামখিনি কৰি আমি যেতিয়া ৰাস্তাটোৰ কাষতে থিয় হৈছিলো তেতিয়া ৰাতি দুটা বাজি গৈছিল। গোটেইকেইজন সৈন্যকে সষ্টম হবলৈ দি মই দূৰৈৰ আন্ধাৰলৈ চাই পঠিয়ালোঁ। কিন্তু একোকে নেদেখিলো।

সময়বোৰ আগুৱাই যাব ধৰিলে।

দুটা বিশলৈকে জীপৰ হেডলাইটৰ পোহৰ নেদেখিলো।

' সিহঁতে আমাৰ অভিযানটোৰ কথা গম পালে হবলা!!' কিশোৰ দত্তই ক'লে।

' ওঁহো। সেইটো কোনো পধ্যেই হ'ব নোৱাৰে।'

' তেন্তে জীপখন সময়মতে অহা নাই কিয়?'

' বোধকৰো মেজৰ সিঙৰ ইউনিটতো পদ্মানদী পাৰহৈ আহিছে আৰু খুউব সম্ভৱ পাক সৈন্যই সিঙক প্ৰতিৰোধ কৰিব পৰা নাই।'

' তেন্তে আমাৰ ভাৰ্গৱে তিৰাল্লিশ নম্বৰ দলংখনৰ ধ্বংসত ইমান ভয় খাইছে কিয়?'

' কাৰণটো সুস্পষ্টকৈ মই নাজানো। কিন্তু..........'

' কিন্তু কি?' দত্ত ভীষণ কৌতুহলী।

' সেই দলংখনৰ ধ্বংসই সিঙৰ বাহিনীৰ গতিক বাধা দিব পাৰিব। সেয়ে নহ'লেও অন্ততঃ দহদিন মান সিঙৰ বাহিনী বিমোৰত পৰিব। আকৌ সিহঁতে তেতিয়া

মেজৰ চৌধুৰীৰ বাহিনীটোক অথবা আৰু আগলৈ আক্ৰমণ কৰিবলৈ সময় পাব। তেতিয়া আমি..........' কথাখিনি মোৰ শেষ নহ'ল। মোৰ চকুত তেতিয়া দুটা পোহৰৰ বিন্দু ধৰা পৰিছিল। দুটা চশমালন পোহৰৰ বিন্দু।

ক্ৰমশঃ বিন্দু দুটা সুস্পষ্ট হৈ আহিল।

সেইয়া জীপৰ হেড লাইটৰ পোহৰ।

সন্মুখত প্ৰকাণ্ড শিলকেইটা আৰু গছজোপা দেখি জীপখন বৈ গ'ল। পিছ মূহুৰ্ততে বেক কৰিব ধৰিছিল। কিন্তু নোৱাৰিলে। আমাৰ সৈন্য কেইটাই জীপখন আগুৰি ধৰিলে।

জীপৰ পৰা হঠাতে গুলী বৰ্ষণ আহিব ধৰিলে। আমাৰ পক্ষৰ পৰাও প্ৰত্যুত্তৰ দিলো। দুমিনিটমান পিছতে জীপৰ পৰা গুলীৰ শব্দ অহা বন্ধ হ'ল।

দুটা সৈন্য জীপ খনৰ ওচৰ চাপিল।

' চাৰ— ! মৰিল।'

' কেইজন— ?'

' দুজন— ।'

আমিও জীপখনৰ ওচৰ পালো।

জীপখনত তেতিয়া দুটা পাক সৈন্য ৰক্তাপ্লুত হৈ পৰি আছিল। ড্ৰাইভিং চিটত বহি থকাটোৰ ইতিমধ্যেই মৃত্যু হৈছে। তাৰ মুৰৰ খোলাইদি গুলি সৰকি গৈছিল। তাৰ কাষতে থকা ইটো পাকসৈন্যৰ হাতদুখনত গুলী সোমাইছিল। সি তেতিয়ালৈকে মৰা নাছিল। কিন্তু অসহ্য যন্ত্ৰনাত সি চীৎকাৰ কৰি আছিল।

মই সিহঁতৰ কাপোৰ কানি চলাথ কৰিও নিয়াজীৰ ছিক্ৰেট ডকুমেণ্টখিনি নাপালো। জীপখন পৰীক্ষা কৰিবলৈ তেতিয়া সৈন্য কেইটাক লগাই দিলো। সিহঁতেও নাপালে।

কেঁকাই থকাটোক মনে মনে থাকিব দি মই ধমকি দিলো।

সি একো নামাতিলে। সি ওচৰতে পৰি থকা লাইট মেচিনগানটো ল'ব খুজিছিল। কিন্তু নোৱাৰিলে। তাৰপিছত মই ক'লো, ' শুন, তই যদি এমিনিটৰ ভিতৰত মুখ নোখল তেন্তে তোক খতম কৰি দিম।'

সি মোৰ কথাত কানসাৰ নকৰিলে। এমিনিট নীৰৱেই পাৰ হৈ গ'ল।

তাৰ ঠিক পিছতেই এটা সৈন্যাই আলপিন এটাৰ জোঙা আগটো পাক সৈন্যটোৰ নখৰ তলেদি ভিতৰলৈ সোমাই দিলে। সি অসহ্য যন্ত্ৰনাত চিঞৰি উঠিল। যন্ত্ৰনাৰ পৰা অব্যাহতি পাবলৈ সি স্পেয়াৰ টায়াৰটোলৈ আঙুলিয়াই দিলে।

স্পেয়াৰ টায়াৰটোৰ ভিতৰত নিয়াজীৰ ছিক্ৰেট মেচেজটো পোৱা গ'ল। তাৰ পিছত মই পাক সৈন্যৰ পোছাক পৰিধান কৰি জীপখনত উঠি বহিলো। ছিক্ৰেট মেচেজটো ইতিমধ্যেই কিশোৰ দত্তই লৈ গৈছিল। মই জীপখনত অকলেই বহি লৈছিলো। যেতিয়া মোৰ জীপখন ঠাইখিনিৰ পৰা কিছু আঁতৰি পৰিছিল , মই পিছপিনে গুলিয়াগুলিৰ শব্দ শুনিছিলো।

বোধকৰো সেই বিশটা সৈন্যই আমাৰ ওপৰত আক্ৰমণ কৰিছিল...........।

৩

গলিটো যথেষ্ট ঠেক আৰু খুব অকোৱা পকোৱা। গলিটোৰ দুয়োকাষে ওখ ওখ কিছুমান ঘৰ। ঘৰবিলাক বোধকৰো পৰিত্যক্ত। কিন্তু কিছুমান ঘৰৰ পৰা আৰ্ত চীৎকাৰ ভাঁহি আহি মোৰ কানত পৰিছিল। সেইয়া আছিল নাৰীকণ্ঠ। চীৎকাৰৰ শব্দ কানত পৰাৰ পিছতেই পাকসৈন্যবোৰৰ কিৰিলি মোৰ কাণত পৰিছিল। মই বুজিছিলো ভিতৰত কি হৈ আছে। তথাপিও মই নিৰুপায়। মোৰ সন্মুখত তেতিয়া এক বিৰাট দায়িত্ব।

ৰঙা ইটাৰ দেৱাল থকা ঘৰ গলিটোত এটাই আছিল। ঘৰটো দুমহলীয়া। কিন্তু খিৰিকীবোৰ বন্ধ। মই ঘৰটোৰ দৰ্জাখনত শব্দ কৰি দিলো। অলপপৰৰ পিছত দৰ্জাখন খোল খালে

'আপুনি?' এজনী যুৱতীয়ে মোক দেখি কৈ উঠিল। মই অনুমান কৰিছিলো , এই জনীয়ে চাজিদা হ'ব। শান্ত , কোমল , ধুনীয়া মুখখন দেখিলে কিন্তু সৰলা ছোৱালী এজনী যেনহে লাগে। মই যুৱতী গৰাকীক ক'লো ' আপুনি চাজিদা নহয় জানো?'

যুৱতীয়ে মূৰ দুপিয়ালে।

মোৰ পৰিচয়টো খুউব চমুকৈ চাজিদাক ক'লো।

চাজিদাই মোক তাৰপিছত অইন এটা ৰুমলৈ লৈ গ'ল। ৰুমটোত এখন বিচনা আৰু এখন চকী আছিল। দেৱালত কিছুমান অশ্লীল ফটো অৰা আছিল। মই চকীখনতে বহিলো। চাজিদা বিচনাখনত বহিল।

' নিয়াজীৰ মেচেজটো পোৱা হ'লনে?'

' জীপখনৰ পৰা ছিক্রেট মেচেজটো উদ্ধাৰ কৰিলোঁ। কিন্তু ভাৰ্গৱে সেইটো পালে নে নাই নাজানো।'

' মেচেজটো পঢ়িছিলা?'

' সময় নাপালো।' চাজিদাৰ ' তুমি' সম্বোধনটো শুনি মোৰ খুউব ভাল লাগিছিল।

চাজিদাই কিছু সময় কিবা চিন্তা কৰিলে। শেষত মূৰটো খজুৱাই খজুৱাই মৰম লগাকৈ সুধিলে, ' জীপখন ক'ত থ'লা?'

' ইচলাম কলেজৰ কেম্পাছত। ভাৰ্গৱে তাতে থ'ব কৈছিল।'

' ভাৰ্গৱে আৰু কিবা কৈছিল বোধকৰো।'

' কৈছিল।'

' কি কৈছিল?'

' আপোনাক লগ ধৰিবলৈ—'

' ধেৎ, আপুনি নহয়, তুমি বুলি কবা।' কথাখিনি কৈ মুখত এটা দুষ্টালিৰ হাঁহি ফুটাই তুলিলে চাজিদাই। মই কিন্তু হাঁহিটো বেছি সময় চাব নাপালো। হঠাতে চাজিদা বহাৰ পৰা উঠি গৈছিল। প্ৰায় তিনি মিনিটমান সময়ৰ পিছত এজনী যুৱতী কোঠাটোলৈ সোমাই আহিল। চাহ একাপ আৰু থাল এখনত কিবা অলপ দি যুৱতী গৰাকী গুছি গ'ল।

মই নিঃশব্দে খাব ধৰিলো।

চাজিদা বহু সময়ৰ পিছতহে কোঠাটোলৈ পুনৰ সোমাই আহিছিল। মুখত সেই একেই হাঁহি আৰু হাত এখনত এটা কাগজৰ নুৰা। চাজিদাই বিচনাখনত বহি মোলৈ চাই ক'লে, ' তিৰাল্লিশ নম্বৰ দলংখনৰ ধ্বংসই সকলোকে বিমোৰত পেলাইছে।'

' ওঁ, এতিয়া সিহঁতে আমাক তিনিফালৰ পৰা আক্ৰমণ কৰিবলৈ সুবিধা পাব।'

' কিন্তু মই কোৱা কথামতে যদি তোমালোকে কাম কৰিলা হেতেঁন ...... থাকক এতিয়া বাৰু সেইবোৰ। তোমাক নিশ্চয় মেপখন আৰু সিহঁতৰ পজিচ্যনৰ খবৰ লব'লৈ পঠাইছে।'

' মোক কিন্তু সেইবোৰ একো কোৱা নাই। মাত্ৰ তোমাক লগ ধৰিব.....।'

' বোধকৰো নহয় সেই কাৰণেইতো মোক লগ ধৰিব কৈছে।' চাজিদাই কথাখিনি কৈ হাঁহিলে। কিন্তু এইয়া যেন এক বেদনাৰ হাঁহি। বহু কষ্টৰ মূৰতহে ওলাইছে। পিছতহে মই ইয়াৰ কাৰণটো জানিছিলো। চাজিদাই কোৱামতে তাই আচলতে পূৰ পাকিস্থানী নহয়। জন্মসূত্ৰে ভাৰতীয়। কিন্তু কোনেও সেইয়া নাজানে। ইয়াত সকলোৱে জানে চাজিদা এজনী

পাকিস্থানী ছোৱালী, মিলিটাৰী দপ্তৰত কাম কৰা এজনী ষ্টেনো টাইপিষ্ট। এই পৰিচয়টো লৈয়েই তাই স্পাইং কৰি আছে। আৰু কেতিয়াবা যদি ধৰা পৰে, তেন্তে?

'প্ৰদীপ! তুমি এতিয়া এই ৰুমটোৰ কাষতে থকা সিটো ৰুমত শুই থাকা। ৰাতিপুৱা তোমাক মই লগ ধৰিম।'

'কিন্তু!!'

'এই ৰুমটোলৈ এতিয়া পাক সৈন্য আহিব।'

'কিয়??'

'সিহঁতে এতিয়া ইয়ালৈ ছোৱালী লৈ আহিব।' কিছু সময় নীৰৱতাই বিৰাজ কৰিলে।

'আমাৰ অভিযান কালিৰ পৰা আৰম্ভ হ'ব। কিন্তু তুমি এটা কথা মনত ৰাখিব লাগিব। এতিয়া তোমাৰ নাম হ'ল আজাদ আলি। এজন পাকিস্থানী মেজৰ। সেই নামেৰেই তুমি চিনাকী দিবা।'

মই সন্মতি জনালো।

তাৰপিছত চাজিদাই কাগজৰ নুৰাটো মোক দি দিছিল। সেইটো মোক পঢ়িব কৈছিল। চাজিদা যোৱাৰ পিছত মই কাগজৰ নুৰাটো লৈ সিটো ৰুমলৈ গৈছিলো। তাতে কাগজৰ কথাখিনি পঢ়িলো। তাত বিশেষ একো কথা নাছিল। মাত্ৰ পাকিস্থানী সৈন্যক যে ভাৰতীয় সৈন্যই 'ত্ৰাহি মধুসূদন' দেখাইছে, তাৰ কথাকে চমুকৈ লিখা আছিল। এখন কাগজত আমি কি কৰিব লাগিব তাৰে নিৰ্দেশ আছিল। মই আমাৰ পৰিকল্পনাটো পঢ়ি যাব ধৰিলো।

8

তেতিয়া ৰাতি পুৱাইছে।

বিচনাৰ পৰা উঠি খিৰিকীখন লাহেকৈ খুলি দিলো। ৰুমটোত কিছু পোহৰ পৰিল। মই মুখখন ধুই লৈ বিচনাৰ কাষৰ চকীখনতে বহি ল'লো।

টক..... টক..........

তেনেতে বাহিৰৰ দৰ্জাখনত কোনোবাই শব্দ কৰা শুনিলো। খিৰিকীখনৰ ফাকেৰে বাহিৰলৈ চাই মই ভয় খাই উঠিলো। এজন পাক সৈন্যই হাতত এটা ষ্টেনগান লৈ বাহিৰত থিয় হৈ দৰ্জাখন ঢকিয়াই আছে।

অলপ পৰৰ পিছত শুনিলো কোনোবাই দৰ্জাখন খুলি দিছে। তাৰ দুমিনিটৰ পিছতেই মোৰ কোঠাৰ দৰ্জাখনো কোনোবাই খুলি দিলে। লগে লগে চাজিদা আৰু পাকিস্থানী সৈন্যটো ভিতৰলৈ সোমাই আহিল।

এই শীতৰ ঠাণ্ডাতো তেতিয়া মই ঘামিছিলো।

চাজিদাই মোৰ মনৰ অৱস্থা বুজি উঠিলে বোধকৰো। তাই কৈ উঠিল, 'প্ৰদীপ, এওঁ আচলতে পাকিস্থানী সৈন্য নহয়। মুক্তি ফৌজৰে এজন কৰ্ম্মী আৰু মোৰ নিচিনাই এজন স্পাই। নামটো হ'ল ৰফিক।'

কেইটামান মুহূৰ্ত নীৰৱে পাৰ হৈ গ'ল।

'নিয়াজীৰ মেচেজটো আপোনালোকে পালে বুলি এইমাত্ৰ শুনিলো। ভাৰ্গৱে আপোনালৈ শুভেচ্ছা জনাইছে।' ৰফিকে ক'লে। কথাখিনি কৈ ৰফিকে চাজিদালৈ চালে।

তাৰপিছত চাজিদাই কলে— 'আজি ৰাতিপুৱা দহটাৰ পৰা আমাৰ অভিযান আৰম্ভ হ'ব। তুমি কলেজ কেম্পাছত থকা জীপখনলৈ ঢাকা বজাৰলৈ যাব লাগিব। লগতে অৱশ্যে ৰফিকো যাব।'

'তাত গৈ কি কৰিব লাগিব?'

'তুমি বিশেষ একো কাম কৰিব নালাগে। মাথো এই অভিযানটোৰ নেতৃত্ব ল'ব লাগিব। তুমি চাব লাগিব যাতে মেজৰ আদিল ঢাকা বজাৰৰ বিল্ডিঙলৈ সোমাব নোৱাৰে।'

'কিন্তু হত্যাকাণ্ডৰ বাহিৰে—'

'ওঁ, ওঁ। সেইটো কৰিবলৈ হত্যাকাণ্ডই কৰিব লাগিব! কিন্তু তুমি কৰিব নালাগে। সেই সৰু কামটো ৰফিকেই কৰিব। তাৰ পিছৰ কামখিনিহে তোমাৰ।'

মই বিস্ময়াভিভূত।

চাজিদাই কৈ যাব ধৰিলে, 'ৰফিকে এঘাৰটা বজাত হত্যাকাণ্ডটো সংঘটিত কৰিব। তাৰপিছতে গোটেই ঠাইখিনিতে হুলস্থূল লাগি যাব। তুমি সেই অৱসৰতে ঢাকা বজাৰ বিল্ডিঙলৈ উঠি যাবা। তুমি অৱশ্যে সেইখিনি সময়ত নিজে মেজৰ আজাদ আলি বুলিহে পৰিচিত হ'বা। আৰু সেইখিনি সময়েই তোমাৰ কাৰণে গুৰুত্বপূৰ্ণ হ'ব। কাৰণ হাতত তুমি পাবা মাত্ৰ বিশমিনিট। এইখিনি সময়ৰ ভিতৰত বজাৰ বিল্ডিঙৰ তিনিতলাত হৈ থকা মিলিটাৰী ইন্টিলেজেন্স ষ্টাফ মিটিঙত তুমি অংশগ্ৰহণ কৰিব লাগিব।'

'কিন্তু মোৰ চেহেৰা —'

‘ সেইটোৰ কাৰণে ভয় খাব নালাগে। তোমাৰ চেহেৰাটো সাইলাখ মেজৰ আজাদ আলিৰ দৰে। মুখখনো ঠিক একে। সেই বাবেই আমি জীপখনত তেওঁক পঠিয়াইছিলো।’

‘ তেওঁতো মৰিল!’

‘ সেইটো অকল আমিহে জানো। আমাৰ বাহিৰে আৰু কোনেও নাজানে। পাকিস্থানী মিলিটাৰী ইন্টিলেজেন্স ষ্টাফে অকল এইটোহে জানে যে নিয়াজীৰ ছিক্ৰেট ডকুমেণ্ট কাঢ়িয়াই নিয়া জীপখনত মাথো এজনহে সৈন্য গৈছিল।’

‘ বাৰু, তাৰপিছত ?’

‘ তাৰ পিছত মিলিটাৰী ইন্টিলেজেন্স ষ্টাফৰ মিটিঙৰ অংশগ্ৰহণ কৰি বিশমিনিটৰ পিছতে তুমি ওলাই আহিবা। ঢাকা বজাৰ বিল্ডিঙৰ গেটতে তুমি এটা সৈন্য পাবা। সি তোমাক দেখি কৈ উঠিব— ‘ সময় হ’ল।’ তেতিয়া তুমি অলপ আঁতৰতে ৰৈ থকা জীপখনত উঠি ৪ নম্বৰ ষ্ট্ৰীটত ৰৈ থকা ৰফিকক উঠাই ল’বা। কামখিনি শেষ হ’লে..............’

চাজিদাই কথাখিনি কৈ হাঁহিলে।

ৰফিকে সাধাৰণভাৱে শুভেচ্ছা জনাই উঠি গ’ল।

চাজিদাই তেতিয়াও হাঁহি আছিল। সৰু সৰুকৈ কৈছিল ‘ কামখিনি কৰিবলৈ ভয় লাগিব নেকি ?’

‘ ওঁহো। নালাগে।’

‘ আৰু ভয় লাগিবৰ কোনো কাৰনো নাই।’

তাৰপিছত চাজিদা দেখোন মোৰ গাৰ কাষলৈ আহিব ধৰিলে...............

৫

দূৰৈত ৰিনিকি ৰিনিকি ঢাকা বজাৰ বিল্ডিঙটো দেখা গৈছে। ঘড়ীত তেতিয়া এঘাৰটা বাজিবলৈ বিশ মিনিট আছিল।

বজাৰ বিল্ডিঙটো পোৱাৰ আগেয়ে এঠাইত ৰৈ যাব দিলে ৰফিকে। মই জীপখন ততালিকে ৰখাই ৰফিকলৈ চালো। সি চকুৰে যেন কিবা এটা ইঙ্গিত দিলে! তাৰ পিছত জীপখনৰ পৰা নামি পৰিল।

ৰফিকে কলে , ‘ বজাৰ বিল্ডিঙটোৰ গেটতে গাড়ীখন ৰখাই আপুনি গেটৰ

ভিতৰত ৰৈ থাকিব। মোৰ সংকেত পালেই —'

কথাখিনি কৈয়েই ৰফিক গুছি গ'ল।

মোৰ জীপখনো অলপ সময়ৰ পিছতে ঢাকাৰ বজাৰ বিল্ডিঙৰ সন্মুখত ৰৈ গ'ল। মোক দেখি ওচৰতে ৰৈ থকা পাকিস্থানী ছেণ্ট্ৰি কেইটাই চেলুট দিলে। মোক সিহঁতে গেটখনলৈ আগবঢ়াই লৈ গ'ল। মই কিন্তু নোসোমালো। সিহঁতক আগৰ ঠাইলৈ যাব দি মই গেটখনৰ ওচৰতে কিছু সময় ৰৈ থাকিলো। মূৰৰ টুপীটোৰে কপালখন সম্পূৰ্ণকৈ ঢাকি ল'লো। টুপীটোৰ ছাঁই মোৰ মুখখন আন্ধাৰ কৰি ৰাখিছিল।

মই প্ৰতি মুহূৰ্ততে ঘড়ীটোলৈ চাই আছো।

এঘাৰটালৈ দহ-ন-আঠ-সাত- মিনিট....

অৱশেষত........

নিৰ্দ্দিষ্ট সময়ত মই বিল্ডিঙটোলৈ অগ্ৰসৰ হ'লো।

বৃটিছৰ দিনৰে পুৰণা ঘৰ। দেৱালৰ কিছুমান অংশ উৰলি গৈছে। ঘৰটোৰ ওপৰলৈ যোৱা চিৰিটোৰে আগবাঢ়ি যাওঁতে মোৰ মনটো দুৰু-দুৰুকৈ কঁপিছিল। ছেণ্ট্ৰিবোৰৰ অভিবাদন মূৰটো নদঙাকৈয়ে গ্ৰহণ কৰি মই চতুৰ্থ তলা পাই এটা কৰিড'ৰেৰে আগবাঢ়িলো। এমূৰৰ কোঠা এটাতে ষ্টাফ মিটিংখন হৈছিল। মই নিঃশব্দে কোঠাটোলৈ সোমাই গ'লো। চকী এখনত বহি লৈ মই চাৰিওফালে চালো।

কোঠাটোত তেতিয়া পচিশজনমান অফিচাৰ। কোঠাটোৰ উত্তৰ কোণত থকা এখন সুদৃশ্য চকীত বহা অফিচাৰ এজনলৈ গোটেই কেইজনে চাই আছে। ময়ো সেইফালে চালো। বোধকৰো সেইজন কৰ্ণেল ৰেংকৰ।

' বন্ধুসকল! আজি এই দিনটো আমাৰ বাবে অতি গুৰুত্বপূৰ্ণ। মই ভাবো আপোনালোকে দিনটোৰ গুৰুত্বখিনি উপলব্ধি কৰিব পাৰিছে।' কথাখিনি কৈ কৰ্ণেল জনে সহকৰ্ম্মী সকললৈ এবাৰ চাই পঠিয়ালে। তেওঁৰ দৃষ্টি মোৰ ওপৰত কিছুসময় স্থিৰ হৈ ৰ'ল। মই প্ৰমাদ গনিলো। কিন্তু.............

' চাৰ............'

হঠাতে এজন অফিচাৰে থিয় হৈ কৈ উঠিল।

জেনেৰেলে মোৰ পৰা চকুৰ দৃষ্টি ঘূৰাই অফিচাৰজনৰ ওপৰত স্থিৰ কৰি ল'লে। মুখখনত এটি অসম্ভৱ গহীন ভাৱ ফুটাই তুলিলে।

' মেজৰ সিঙৰ বাহিনীটোক আমাৰ সৈন্যই বাধা দিব পৰা নাই। আচলতে

আমাৰ ইন্টিলিজেন্স নেট্ৰ্বকে সেই বাহিনীটোৰ কোনো খবৰেই সংগ্ৰহ কৰিব পৰা নাই সেই বাহিনীটো পদ্মানদী পাৰ হ'লেই.........'

অফিচাৰজনৰ কথাত কৰ্ণেল গৰ্জি উঠিল। অকথ্য ভাষাৰে অফিচাৰজনক গালি পাৰি হঠাতে এটাসময়ত নিশ্চুপ হৈ পৰিল। অলপ পিছত তেওঁ ক'বলৈ ধৰিলে ' মেজৰ সিঙৰ কাৰণে চিন্তা কৰাৰ অৱশ্যক নাই। আমি এতিয়া প্ৰতি আক্ৰমণৰ নতুন আঁচনি কৰিব লাগিব। আমি এতিয়া এনে এটি সুযোগ পাইছো যিটো কাৰ্য্যকৰী হ'লে মেজৰ চৌধুৰী আৰু সিঙৰ বাহিনীটো সমূলঞ্চে পতন হ'ব। ইয়াৰ কাৰণেই আমাৰ ইন্টিলেজেন্স নেটৱৰ্ক আৰু সবল কৰিব লাগিব।'

মই লক্ষ্য কৰিলো গোটেইকিজন অফিচাৰৰ চকুবোৰ নাচি উঠিছে। মই নীৰৱেই কথাখিনি শুনি গ'লো।

' তোমালোকে জানাই , আমি দুদিন আগতে তিৰাল্লিশ নম্বৰ দলংখন ধ্বংস কৰি দিলো। এতিয়া আমি আগবাঢ়ি অহা বাহিনীবোৰৰ ওপৰত আক্ৰমণ কৰিবলৈ সুবিধা পাম। মোৰ বিশ্বাস আমাৰ আক্ৰমণত সিহঁত তিষ্ঠিব নোৱাৰিব। কিন্তু কথা হ'ল —'

সকলোৰে মুখত উত্তেজনাৰ ভাৱ।

' মেজৰ চৌধুৰীৰ বাহিনীটোক আক্ৰমণ কৰিলে মেজৰ সিঙৰ বাহিনীটো সহায় কৰিবলৈ গুছি আহিব। আকৌ সেইখিনি সময়তে যদি কেনেবাকৈ আন দুটামান ইণ্ডিয়ান আৰ্মিৰ ইউনিট সিহঁতৰ লগ লাগেহি......'

' তেন্তে?'

' ভয় খাব নালাগে। মই এটা সম্ভাৱনাৰ কথাহে কৈছো। তথাপি সাৱধান হোৱাটো ভাল। সেয়েহে গ্ৰুপবোৰক মই সৰু সৰু ভাগ কৰি ইতিমধ্যে অপাৰেচনৰ স্পটলৈ পঠিয়াই দিছো। আৰু একেবাৰে শেষত পঠিয়াইছো চৌৰাল্লিশ নম্বৰ দলঙলৈ এখন জীপ। জীপখনত পঠিয়াই দিছো জেনেৰেল নিয়াজীৰ এটা ছিক্ৰেট মেচেজ। এই মেচেজতে লুকাই আছে আমাৰ পৰৱৰ্তী আক্ৰমণ ধাৰা। আৰু সেইটো যদি কৰ্ণেল খানৰ হাতত পৰে তেন্তে আমাৰ বাহিনীটোৱে মেজৰ সিঙৰ বাহিনীৰ ওপৰত আক্ৰমণ কৰিব পাৰিব। আৰু তাৰ ফলাফল হ'ব জয়।'

মই তেতিয়াহে বুজিলো ছিক্ৰেট মেছেজটোৰ গুৰুত্ব।

কৰ্ণেলজনে তাৰপিছত বহাৰ পৰা উঠি ল'লে।

লাহে লাহে খোজ দি দি তেওঁ মোৰ ওচৰলৈ আহিব ধৰিলে। প্ৰতিটো খোজতে

মোৰ বুকুখন কঁপিব ধৰিছিল।

এটা সময়ত কৰ্ণেলজন মোৰ ওচৰ পালে।

'মেজৰ আজাদ আলি!' তেওঁ কৈ উঠিল।

মই চেলুট এটা দি থিয় হ'লো।

'আপোনাক দৌলতকান্দিলৈ ট্ৰেন্সফাৰ কৰা হৈছে। কাৰণ তাত থকা আমাৰ টপ চিক্ৰেট ডকুমেন্টবোৰ ঢাকালৈ সুকলমে স্থানান্তৰ কৰাটো আপোনাৰ দায়িত্ব হ'ব।'

'তেনে কৰাৰ কাৰণটো কি?'

'দৌলতকান্দি বোধহয় অতি সোনকালে মেজৰ চৌধুৰীৰ বাহিনীয়ে অৱৰোধ কৰিব।'

গোটেইকেইজন অফিচাৰ অস্থিৰ হৈ পৰিছিল।

কৰ্ণেল গৰাকীয়ে আকৌ কৈ উঠিল— 'প্ৰিয় বন্ধুসকল। অলপ পৰৰ পিছতে মেজৰ আদিল আমাৰ মাজলৈ আহিব। লগত লৈ আহিব জেনেৰেল নিয়াজীৰ এটা মেচেজ। মোৰ বিশ্বাস আমেৰিকাই অতি সোনকালে আমালৈ সাহাৰ্য্য পঠাব।'

কথাখিনিয়ে অফিচাৰ কেইজনৰ মুখকেইখনত আনন্দৰ ঢৌ বোৱাই দিলে। কৰ্ণেল গৰাকীয়েও হাঁহিছিল। তাৰপিছত উৎফুল্লিত মনেৰে পাকসৈন্যৰ পৰৱৰ্ত্তী আঁচনি অফিচাৰ কেইজনক বুজাই যাব ধৰিলে।

মই মাথো শুনি যাবলৈ ধৰিলোঁ।

বিশমিনিট অতিক্ৰম কৰিবলৈ পাঁচ মিনিট থাকোতে মই কোঠাটোৰ পৰা ওলাই আহিলোঁ। কৰিড'ৰটোৰে খৰকৈ খোজ কাঢ়ি লিফ্‌টেৰে তললৈ নামি গ'লো। বাৰান্দাত ভৰি দিয়েই গেটলৈ চালো।

এটা সৈন্য কান্ধত ষ্টেনগান লৈ মোৰ ফালে অহা দেখিলো। সি মোৰ ওচৰ পাই কৈ উঠিল 'সময় হ'ল.............'

মই তাক চকুৰে 'ধন্যবাদ'ৰ ইঙ্গিত এটা দি দুৰৈত থকা জীপখনত উঠি ল'লো। মোৰ লক্ষ্যস্থল ৪ নম্বৰ ষ্ট্ৰীট।

৬

'সিহঁতে তেন্তে মেজৰ আদিললৈকে বাট চাই আছিল?' ৰফিকে ক'লে।

'ওঁ। মেজৰ আদিলৰ হাতত থকা মেচেজটোৰ ওপৰতে সিহঁতে নিৰ্ভৰ কৰি আছে।'

' কিন্তু মেচেজটো এতিয়া আমাৰ হাতত।'

' কি?' মই বিস্ময়ত আভিভূত।

' মেজৰ আদিলৰ হাতত যে তেনে এটি বস্তু থাকিব সেইটো মই আগতেই জানিছিলোঁ। সেয়েহে তেওঁক গুলীওৱাৰ আগেয়ে মেচেজটো কাঢ়ি লৈছিলোঁ। তাৰপিছতহে—'

' তেন্তে?'

ৰফিকে হাঁহি দিলে। তাৰ দাড়ি থকা মুখখন দেখিবলৈ তেতিয়া ভাল লগা হৈ উঠিছিল। সি গৌৰৱেৰে কৈছিল, ' এই মেচেজটো এতিয়া ভাৰ্গৱলৈ পঠিয়াই দিম।'

' কিন্তু কেনেকৈ?'

' সেইটো চাজিদাইহে জানে।'

' কিন্তু চাজিদা এতিয়া ক'ত?'

' আমি এতিয়া চাজিদাৰ ঘৰলৈকেতো গৈ আছো।'

কথাখিনি কৈ ৰফিকে ৰহস্যময় হাঁহি এটি মাৰিলে। তাৰপিছত সি মোক আঁতৰাই নিজেই ড্ৰাইভিংচিটত বহি ল'লে। সি জীপখন খুব জোৰেৰে চলাব ধৰিলে। দহমিনিটমান যোৱাৰ পিছতে জীপখন এটা পুৰণি ঘৰৰ সন্মুখত ৰখাই দি ততালিকে জীপৰ পৰা নামিল।

ময়ো জীপখনৰ পৰা নামি ঘৰটোলৈ অগ্ৰসৰ হ'লো।

' হেই ৰফিক! সাৱধান।'

মোৰ মুখৰ পৰা সজোৰে কথাখিনি ওলাই গ'ল। আমাৰ দুয়োটাৰে সন্মুখত তেতিয়া এটা পাকসৈন্য উদ্যত ষ্টেনগান লৈ থিয় হৈ আছিল। তাৰ মুখত এটা নিষ্ঠুৰ হাঁহি। আমাক দেখা পাইয়ে সি হুইচেলটো বজাব ওলাইছিল।

কিন্তু ঠিক সেই সময়তে ৰফিকৰ চাইলেঞ্চাৰযুক্ত ৰিভলভাৰটো গৰ্জি উঠিছিল। তাৰ পিছতেই ৰফিকে মোক অনুসৰণ কৰিব দি দৌৰি ঘৰটোলৈ সোমাই গৈছিল।

মই তাক অনুসৰ কৰি ঘৰটোৰ ভিতৰলৈ সোমাই গৈছিলো। ঘৰটোৰ ভিতৰখন আন্ধাৰ, দৰ্জা-খিৰিকীবোৰ বন্ধ থকা বাবেই হবলা।

ৰফিক আৰু মই ঘৰটোৰ এটা অন্ধকাৰ কোঠালৈ সোমাই গৈছিলো। কোঠাটোত দুজনী ছোৱালী বহি আছিল। এখন টেবুলৰ ওপৰত এডাল মম জ্বলা আছিল। ছোৱালী এজনীয়ে মমডালৰ পোহৰত কাগজ এখন পঢ়ি আছিল। ইজনী ছোৱালীয়ে ৰফিকক

দেখি বহাৰ পৰা উঠিল। তাই লাহেকৈ আনজনীক কিবা ক'লে।

ৰফিক সেই সময়ত ছোৱালী দুজনীৰ ওচৰ পাইছিল।

'চাজিদা ক'ত?' ৰফিকে সুধিছিল।

'নাজানো। তাইৰ পৰা কোনো খবৰ এতিয়ালৈকে পোৱা নাই।'

'আৰু বদ্রীনাথ।'

'সি ধৰা পৰিল।' নিৰ্ব্বিকাৰ কণ্ঠে ছোৱালীজনীয়ে ক'লে।

'আমিনা! সি ধৰা পৰিল কেনেকৈ?'

'খুউব সম্ভৱ হস্পিতালত থকা ৰফিউল্লাক মাৰিব যাওঁতে.....'

'সি জীয়াই আছেতো।'

'আছে। তাক মিলিটাৰী পুলিচৰ হেডকোৱাৰ্টাৰলৈ লৈ গৈছে। তাৰপিছতেই সিহঁতে তাক মাৰি পেলাব।'

ৰফিকে নীৰৱে কিবা ভাবিব ধৰিলে।

মই কৈ উঠিলো, 'চাজিদাই বোধকৰো বদ্রীনাথক উদ্ধাৰ কৰিবলৈকে চেষ্টা কৰি আছে। আৰু সেই কাৰণেই.......'

'কিন্তু চাজিদাই কেনেকৈ তাক উদ্ধাৰ কৰিব?'

'মই জনাত চাজিদাই মিলিটাৰী পুলিচৰ হেডকোৱাৰ্টাৰ অফিচতে কাম কৰে.....'

হঠাতে ৰফিক উৎফুল্ল হৈ উঠিল। সি বহাৰ পৰা উঠিল। কান্ধত ষ্টেনগান এটা ওলোমাই সি ক'লে — 'মই চাজিদাৰ অফিচলৈকে যোৱা উচিত।'

'কিন্তু—'

'কিন্তু কি আমিনা?' ৰফিকে মৰম লগাকৈ কৈ আমিনাৰ ওচৰ পলে।

'তুমি এতিয়া নাযাবা।'

'কিয়?'

'চাজিদাই কৈছিল আমাৰ কাৰ্য্য-কলাপৰ কথা সিহঁতে গম পাই গৈছে! দুই এদিনৰ ভিতৰতে আমি ধৰা পৰি যাম।'

আমিনাই কথাখিনি কৈ কাগজ এখন ৰফিকলৈ আগবঢ়াই দি ক'লে, 'ইয়াতে ভাৰ্গৱৰ এটা মেচেজ আছে।'

' কি লিখা আছে তাত?'

' তেওঁ লিখিছে যে চৌৰাল্লিশ নম্বৰ দলংখনলৈ বুলি ইণ্ডিয়ান আৰ্মিৰ ৩টা ইউনিট আগুৱাই আহিছে। দলংখন পাক সৈন্যই ধ্বংস কৰিব নোৱাৰিলে। সেয়েহে এদিনৰ ভিতৰতে গোটেই কেইটা ইউনিট লগ লাগিব পাৰিব। কিন্তু —'

' কিন্তু কি?'

' তেখেতে যিমানপাৰে সোনকালে আমেৰিকান মেচেজটো আৰু মিলিটাৰী ষ্টাফ মিটিঙৰ ডিচিচনৰ কথা জনাব দিছে। আৰু দৌলতকান্দিত পাকিস্থানৰ কিহৰ ঘাটি আছে সেইটো জনাব দিছে।'

' আৰু কিবা লিখিছে?'

' নাই লিখা। কিন্তু যিমান সোনকালে পৰা যায় সিমান সোনকালে ডকুমেণ্ট বিলাক পঠাব কৈছে।'

ৰফিকক চিন্তিত দেখাইছিল।

আমিনাৰ মুখখন শেঁতা পৰা যেন লাগিছিল।

ইজনী ছোৱালীয়ে মনে মনে বহি আছিল। মই সুধিছিলো, ' ডকুমেণ্টবিলাক পঠোৱা হ'ল নে নাই?'

' নাই হোৱা। আচলতে এটা সংবাদো আমি এতিয়ালৈকে গোটাব পৰা নাই।'

' তাৰকাৰণে চিন্তা নকৰিবা। সকলো সংবাদ আমি এইমাত্ৰ গোটাই আনিছো। এতিয়া মথো লাগে চাজিদাক।'

' চাজিদাক এতিয়া অফিচতে লগপোৱা যাব পাৰে।'

' তেন্তে তুমি চাৰক চাজিদাৰ ওচৰলৈ লৈ যাবা। মই বজাৰৰ বিল্ডিঙলৈ যাম। তাৰপৰা চাজিদালৈ ফোন কৰিম বুলি কবা।'

তাৰ পিছত ৰফিক ওলাই গৈছিল।

৭

চাজিদাই মোৰ মুখলৈ চাই আছে।

একো কথাকে ক'ব পৰা নাই।

কিন্তু চাজিদাৰ নাচি থকা চকুৰ পতাদুটাই যেন কিবা কথা কৈ আছে।

মই চাজিদাৰ দেহৰ নিচেই ওচৰ চাপি গ'লো। চাজিদাইয়ো দেহটো মোৰ গাৰ ফালে হলাই দিলে। চাজিদাৰ চুলিত আঙুলি বুলাই লাহে লাহে মই সুধিলো, ' মই এতিয়া কি কৰিম ?'

চাজিদাই উত্তৰ নিদিলে। বহুত পৰৰ পিছত ক'লে, ' তোমাক কেনেকৈ পঠিয়াও তাকে মই চিন্তা কৰি আছো। সিহঁতৰ ষ্টাফ মিটিঙত মেজৰ আজাদ আলি হিচাপে অংশগ্ৰহণ কৰিবলৈকে তোমাক মাতি পঠিয়াইছিলো। আৰু তুমি সুযোগটো সম্পূৰ্ণভাবে ল'ব পাৰিছিলা, কিন্তু এতিয়া..........'

' এতিয়া কি হ'ল ?'

' মেজৰ আজাদ আলিযে মৰিল সেইটো সিহঁতে গম পাই গ'ল। গতিকে তুমি অপাৰেছন স্পটলৈ যাবা কেনেকৈ ?'

' মই যাব নোৱাৰিলেও ছিক্ৰেট ডকুমেণ্টখিনি পঠাব পাৰিলেও —'

' সেইটোও এতিয়া কৰিব নোৱাৰো।'

' তেন্তে ?'

' উপায় মাত্ৰ এটাই — ৰফিকৰ ফোনলৈ বাট চোৱাতো।'

তাৰপিছত মই কোনো কথাকে ক'ব পৰা নাছিলো। চাজিদায়ো টেলিফোনটোলৈ একেথিৰে চাই আছিল। চাজিদাই তেতিয়া পাতল গাউন এটা পিন্ধি আছিল। পাতল গাউনটোৰ মাজেৰে চাজিদাৰ দেহটোৰ ভিতৰ ফাল স্পষ্ট ৰূপে দেখা গৈছিল। লুভীয়া দৃষ্টিৰে চাজিদাৰ দেহটোলৈ চাই আছিলোঁ। চাজিদাই বুজি পাইছিল মই কি চাই আছো। তথাপিও তাই নিৰ্ব্বিকাৰ হৈ থাকিল।

তেনেদৰে কিছুসময় পাৰ হ'ল।

অৱশেষত ফোনটো বাজি উঠিল।

চাজিদাই একেজাপে ৰিচিভাৰটো ধৰিলে।

' হেল্ল' ! ৰফিক ? মই চাজিদা। বদ্ৰীনাথ পলাল ? বাৰু ঠিক আছে। ওঁ, তুমি বৰ্ডাৰৰ গেটত ৰৈ থাকিবা।'

কথাখিনিকৈ চাজিদাই ৰিচিভাৰটো থৈ পুনৰ মোৰ ওচৰলৈ আহিল। মোৰ গাৰ নিচেই কাষতে বহি ক'লে ' ৰফিকে বৰ্ডাৰ গেটত ৰৈ থাকিব। তুমি ঢাকাৰ পৰা সেইখিনি পালেই ভাৰ্গৱৰ ওচৰলৈ সি লৈ যাব পাৰিব।'

'কিন্তু মই সেইখিনি পাম কেনেকৈ?'

'তাৰকাৰণে চিন্তা নকৰিবা। অৱশ্যে ধৈৰ্য্য ধৰিব লাগিব।'

'মানে?'

'ৰফিকে ক'লে যে ইচলাম কলেজৰ ওচৰতে থকা আমাৰ ঘৰটোলৈ অলপ পৰৰ পিছত মেজৰ ফাৰুক খান যাব।'

'কিয়?'

'সেইটোযে আমাৰ আড্ডা সিহঁতে গম পাই গৈছে।'

'তেন্তে?'

'তেন্তে আৰু কি? এতিয়া আমাৰ সুবিধাহে হ'ল।'

'কেনেকৈ?'

'বুৰ্ব্বকটো ক'ৰবাৰ।' দুষ্টালিভৰা হাঁহি এটা মাৰি চাজদাই ক'লে, 'মই এতিয়া তালৈকে যাম।'

'কিন্তু তুমিযে ধৰা পৰি যাবা।'

'সেইকাৰনেইতো মই যাম।'

চাজিদাৰ ৰহস্যময় কথাবোৰৰ আঁত ধৰিব নোৱাৰিলো। মই মাথো শুনি যাব ধৰিলো। চাজিদাই তেতিয়া কৈ আছে 'মেজৰ ফাৰুক খান অতি কামুক। সেয়েহে তেওঁ মোক দেখি উদ্‌বাউল হৈ উঠিব। তেওঁ তেতিয়া মোক ইয়ালৈ লৈ আহিব। তেতিয়া হয়তো সতীত্ব বোলা বিশেষণটো মোৰ দেহত নাথাকিব। কিন্তু তোমাৰ এটা সুবিধা ওলাব। মনত ৰাখিবা মেজৰ খান তিনিটা বজাত বৰ্ডাৰ গেটলৈ যোৱাৰ প্ৰগ্ৰাম আছে আৰু মই তিনিবজাৰ পৰা অন্ততঃ চাৰিবজালৈ মেজৰক ইয়াতে আবদ্ধ কৰি থব পাৰিম। সেইখিনি সময়ত তুমি মেজৰ খান হ'ব লাগিব। সুযোগটো যদি ল'ব নোৱাৰা তেন্তে তুমি পিছত বৰ্ডাৰ গেটলৈ যাব নোৱাৰিবা। কাৰণ মোৰ দেহটো উপভোগ কৰাৰ পিছতে হয়তো মাৰি পেলাব। মই দেশদ্ৰোহীতো, সেইকাৰণে —'

চাজিদাই কথাখিনি কৈ হাঁহিছিল।

মই প্ৰবলভাৱে কথাখিনিৰ প্ৰতিবাদ কৰি উঠিছিলো।

চাজিদাই তেতিয়া কৈছিল, 'নিজৰ দেশৰ কাৰণে সেইখিনি ত্যাগ মই কৰিবই লাগিব। নহ'লে তোমাক আৰু চিক্ৰেট ডকুমেণ্টখিনি পঠাম কেনেকৈ? আকৌ সেইখিনি নাপালে তোমালোকৰ বাহিনী ঢাকালৈ অগ্ৰসৰ হোৱাত অযথা কষ্ট পাব। সেয়ে নহ'লেও

অযথা শক্তি ক্ষয় হ'ব।'

তাৰপিছত মই একো ক'ব পৰা নাছিলো।

মোৰ মৌনতাৰ সুযোগলৈ চাজিদা উঠি গৈছিল। যাওঁতে অৱশ্যে সাজু হৈ থাকিবলৈ কৈছিল। চাজিদা যোৱাৰ পিছতো মই চাজিদাৰ কথাকে ভাবি আছিলোঁ।

মাৰাত্মক ছোৱালী চাজিদা।

তাইক বাৰ ক'ম নেকি তাইৰ সাহসৰ তুলনা নাই বুলি ○